# আলোচনী

ডিগবৈ মহাবিদ্যালয়



ৰমনি বুঢ়াগোঁহাই

# ডিগবৈ মহাবিদ্যালয় আলোচনী

## বাৰ্ষিক প্ৰকাশ

### অষ্টদশ সংখ্যা ১৯৯৪–৯৫

# Digboi College Magazine

**(Annual Publication)**

**Eighteenth Issue-1994-95**

## কৃতজ্ঞতা জ্ঞাপন

১. অসমৰ বৰ্ত্তমান মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত হিতেশ্বৰ শইকীয়াদেৱলৈ—যি জনে এই বাৰ্ষিক আলোচনীৰ বাবে এক শকত পুঁজি অনুদান আগবঢ়ালে—

২. সম্পাদনা সমিতিৰ পৃষ্ঠপোষক তত্বাবধায়ক আৰু সম্পাদনা সহযোগীলৈ

৩. ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ

৪. লিখনি নিৰ্বাচনত সহায় কৰা শ্ৰীযুত হিতেন শৰ্মা চাৰ, শ্ৰীযুতা আকেলা খানম বাইদেউ, শ্ৰীমোহিনী বৰদলৈ আৰু শ্ৰীযুত পূৰ্ণানন্দ শইকীয়া ছাৰলৈ।

৫. শৰাইঘাট লেজাৰ প্ৰিণ্টৰ সমূহ কৰ্মীবৃন্দলৈ।

শ্ৰীৰমনি বুঢ়াগোহাঁই
আলোচনী সম্পাদক


## Editorial Board

**Patron**

Sri Rafique Hussain
Principal I/c

**Prof. Incharge**

Sri Hiten Sarma

**Members (Teachers)**

Sri M. K. Bordoloi
Dr. S. K. Kar
Mrs. A. Khanam

**Members (Students)**

P. Bhima Rao
Uttpal Gogoi
Pankaj Konwar
Kausik Sarma
Pori Gogoi
Mamoni Das
Sreemoyee Borah
Hiten Gogoi
Beetasok Sarma



## ডিগবৈ মহাবিদ্যালয়ৰ নেপথ্যত

প্ৰকাশক : ডিঃ মঃ বিঃ ছাত্ৰ একতা সভা

বেটুপাত : বিদ্যুৎ বৰুৱা

মুদ্ৰক : শৰাইঘাট লেজাৰ প্ৰিণ্ট

ড° নিৰ্মল কুমাৰ চৌধুৰী
উপাচাৰ্য্য
গুৱাহাটী বিশ্ববিদ্যালয়
Vice-Chancellor
GAUHATI UNIVERSITY

গোপীনাথ বৰদলৈ নগৰ
Gopinath Bordoloi Nagar
Gauhati University
Guwahati-781 014

Date.........................

প্ৰিয় সম্পাদক,

জিলিকি উঠক লুইতৰে পাৰ
— এয়ে মোৰ শুভেচ্ছা বাণী।

নিৰ্মল কুমাৰ চৌধুৰী



# সম্পাদকৰ মেজৰ পৰা

ৰস সঞ্চাৰী সকলো সৃষ্টিয়েই কলা। আৰু এই কলাৰ এটা ভাগ হৈছে সাহিত্য। যাৰ মাধ্যমত মানুহৰ নিজস্ব জ্ঞান বুদ্ধি তথা প্ৰতিভা বিকশিত হয় আৰু এই জ্ঞান বুদ্ধি মানৱ জীৱনৰ অস্তিত্বময় গূঢ় আনন্দ। Stopford Brook য়ে কবৰ দৰে "The written thoughts and feelings of inteligent men and women arranged in a way that shall give pleasure to the word. অৰ্থাৎ বুদ্ধিমান আৰু বুদ্ধিমতী পুৰুষ নাৰীৰ চিন্তা আৰু আবেগৰ লিখিত ৰূপটোৰ এনেদৰে বিন্যাস কৰা হয় যাতে সেই লেখাই আনন্দৰ যোগান ধৰিব পাৰে। এনে গুণসম্পন্ন লেখাই সাহিত্য।

সাহিত্যৰ ৰূপমাধুৰীক বিচৰাৰ তুলাচনীত স্থাপন কৰিবৰ বাবে উপযুক্ত ভাবে গঢ়ি লয় মানুহৰ প্ৰতিভা, অভিজ্ঞতা, জীৱনযোৰা প্ৰচুৰ সাধনা, উচ্চ মতাদৰ্শগত চিন্তাৰ সৌধ, মানবীয়তা আদি সকলোবোৰ গুণৰ সন্মিলিত ৰূপে। এই সন্মিলিত ৰূপেই সাহিত্য হিচাপে মানুহক জীয়াই থাকিবলৈ, সংগ্ৰামৰ বাবে পথ প্ৰশস্ত কৰি তোলে আৰু পৰিস্ফুতঃ হয় অফুৰন্ত প্ৰেৰণা। আনহাতে সাহিত্যৰ বিকাশ নঘটিলে এটা জাতিৰ তথা সমাজৰ শোচনীয় দিশটো প্ৰকট হৈ উঠে। কাৰণ এই সাহিত্যই এফালে মানসিক উৎকৰ্ষৰ প্ৰতীক আহিলা আৰু আনফালে সামাজিক ঐক্য, সংহতি আৰু ঐতিহ্যৰ বাহক। সেয়ে সাহিত্যক মানৱ জাতিৰ দাপোন হিচাপে আখ্যা দিয়া হয়। আশাবাদী সাহিত্যই মানৱ জীৱনলৈ কঢ়িয়াই আনে সহস্ৰ প্ৰেৰণা আৰু সৃষ্টি কৰে ন শ্যামলী পাতৰ দৰে মনোমোহা অন্য এক পৃথিৱী।

**অসমৰ ছাত্ৰ সংগঠন তথা যুৱ মানসিকতা ঃ**

সুদীৰ্ঘ সভ্যতা ব্যাপ্তিৰ জীৱনীত বিশেষভাৱে অংকিত হোৱা মানুহৰ অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত সাহিত্য, বিজ্ঞান, সমাজনীতি, অৰ্থনীতিৰ যি আমুল পৰিবৰ্ত্তন সাধিত হৈছে, এই সকলোবোৰ মূলত তৰুণ-তৰুণীৰ চিন্তা আৰু বিপ্লৱী মনিষাৰ বৰঙণী। এই সাফল্য আঁত বিচাৰিলে অন্যফালেও আমাৰ দৃষ্টিগোচৰ হয়, যত নেকি আছে, মাথো বিশৃংখলা, পৃথকীকৰণ আৰু মানুহৰ অস্তিত্ববোধ অনুভৱ নকৰাটো। বৰ্ত্তমান বিভিন্ন গোষ্ঠীগত ছাত্ৰ সংগঠনে নিজৰ মতাদৰ্শত প্ৰতিষ্ঠিত হৈ ছিঙি পেলালে ছাত্ৰ ঐক্যৰ এনাজৰীদাল। ই হয়তো আশা ভঙ্গৰ বেদনাৰ ফলশ্ৰুতি হ'ব পাৰে। যিয়েই নহওক আমাৰ মাজত আজি প্ৰয়োজন শৃংখলাযুক্ত শৰীৰ, মন আৰু বোধিৰ অনুশীলনিৰ। এই ধৰণৰ অনুশীলনিয়ে প্ৰতিজন ছাত্ৰ-ছাত্ৰৰ আত্মবিশ্বাস অটুত ৰখাত অৰিহনা যোগাব পাৰিব বুলি আমি বিশ্বাস কৰোঁ।

যুৱ মানসিকতাৰ ওপৰতো আজি বহুতো আক্ৰমণ সূচক মন্তব্য নিক্ষেপ কৰে যদিও সেই যুৱকসকলৰ মাজতো নিঃসৃত হৈ আছে বহুতো সত্য উপলব্ধিৰ বেদনা– যাৰ অন্তিম ফল ক্ৰোধ। আজি গভীৰ প্ৰয়োজন মননশীল, অধ্যয়নশীলতা আৰু ভাৱনাৰ যি অধ্যয়নে সৃষ্টি কৰিব প্ৰকৃতিস্থ, শৃংখলিত, দায়িত্ববোধৰ এক "নতুন মানুহ"ক।

## আলোচনীৰ আঁৰৰ বতৰা

প্ৰিয় ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী কেইগৰাকীমানৰ প্ৰবল উৎসাহ উদ্দীপনাক নুই নকৰি ১৯৯৪-৯৫ বৰ্ষত মহাবিদ্যালয়ৰ আলোচনী সম্পাদক হিচাপে প্ৰতিদ্বন্দিতা কৰিলো। মোৰ সতীৰ্থ সকলৰ অকুণ্ঠ সহযোগিতাত এই নিৰ্বাচনত মই বিপুল ভোটত জয়ী হলো। সেয়ে আজি সকলো ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ হিয়াভৰা মৰম তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

নিৰ্বাচনত জয়ী হৈ মই কিংকৰ্ত্তব্যবিমূঢ় অৱস্থাত পৰিছিলো যদিও মই আৰু মোৰ ভাৰপ্ৰাপ্ত অধ্যাপক হিতেন শৰ্মা চাৰৰ প্ৰচেষ্টাত এখনি প্ৰাচীৰ পত্ৰিকা "আলাপ" উন্মোচন কৰা হ'ল। মোৰ কাৰ্য্যভাৰ গ্ৰহণৰ পিছত প্ৰথম প্ৰয়াস হিচাপে আলাপক সৰ্ব্বাংগ সুন্দৰ কৰিবলৈ মই প্ৰচেষ্টাৰ ত্ৰুটি কৰা নাছিলো। উল্লেখ নিষ্প্ৰয়োজন যে প্ৰাচীৰ পত্ৰিকা প্ৰকাশনৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ ইতিহাসত আলাপ দ্বিতীয় পদক্ষেপ।

দ্বিতীয়তে, মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনৰ বাবে যথেষ্ট কষ্টেৰে প্ৰবন্ধ পাতি যুগুত কৰা হ'ল। প্ৰথমে মহাবিদ্যালয়ৰ পুঁজিৰ প্ৰতি লক্ষ্য কৰি হতাশ হৈছিলো যদিও মাননীয় মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াদেৱে মহাবিদ্যালয়ৰ আলোচনীৰ বাবে ১৫০০০ (পোন্ধৰ হেজাৰ) টকা অনুদান দিয়াত কিছু সকাহ পালো। সেয়ে তেখেতলৈ এই আপাহতে মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মহাবিদ্যালয়ৰ আলোচনীখনিৰ এই সংখ্যাটো বিশেষ উদ্দেশ্যমুখী কৰাতকৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ লক্ষ্যৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰা হৈছে। সেয়ে আলোচনীখনি উন্নত মানদণ্ডৰ হ'ব বুলি মই আশা কৰা নাই।

**কৃতজ্ঞতা জ্ঞাপন ঃ**

কৃতজ্ঞতা সদায় অপ্ৰকাশ্য যদিও নিজৰ ব্যস্ততাৰ মাজতো আলোচনীৰ পৃষ্ঠপোষক তথা ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীৰফিক হুছেইন চাৰ আৰু আলোচনীৰ তত্ত্বাৱধায়ক তথা অধ্যাপক শ্ৰীযুত হিতেন শৰ্মা চাৰে বিভিন্ন দিশত গঠনমূলক দিহা-পৰামৰ্শ আগবঢ়াই আলোচনীখনৰ প্ৰকাশ সুগম কৰিলে। সেই বাবে মই তেখেত সকলৰ প্ৰতি মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ৰচনা-পাতিবোৰ চাই চিন্তি দিয়া বাবে মই শ্ৰীযুতা আকেলা খানম বাইদেউ, শ্ৰীযুত শৰ্মা চাৰ আৰু শ্ৰীযুত মোহিনী বৰদলৈ চাৰ আৰু শ্ৰীযুত পূৰ্ণানন্দ শইকীয়া চাৰলৈ কৃতজ্ঞতা জনালোঁ। বিভিন্ন কামত সহযোগ কৰা বাবে মই সম্পাদনা সমিতিৰ সদৌটি সদস্যকে ধন্যবাদ যাচিলোঁ। আৰু মোৰ সহপাঠী জয়ন্ত শৰ্মালৈ বিশেষভাবে ধন্যবাদ যাচিলোঁ। পৰিশেষত, এই আলোচনী খনৰ সমূহে ভুল-ত্ৰুটিৰ বাবে পাঠক সকলৰ ওচৰত ক্ষমা বিচাৰিলোঁ।

সম্পাদক, অষ্টাদশ সংখ্যা
ডিগবৈ মহাবিদ্যালয় আলোচনী

# সূচীপত্ৰ


| | | |
|---|---|---|
| অসমীয়া সাহিত্যত প্ৰগতিশীল চিন্তা : এটি চমু ৰতিয়ান | মদন মোহন চৌধুৰী | ১ |
| আমাৰ স্বাস্থ্য আৰু পৰিবেশ | তিলক চন্দ্ৰ দত্ত | ৪ |
| সাম্প্ৰতিক অসমৰ শৈক্ষিক পৰিবেশ আৰু যুৱ-মানসিকতা | মৃদুল চেতিয়া | ৬ |
| নতুন প্ৰতিভাৰ সন্ধানত যুৱ-মহোৎসৱ | ৰফিক মহম্মদ হুছেইন | ৯ |
| ৰঘুনাথ চৌধাৰীৰ প্ৰকৃতি প্ৰেম | পবিত্ৰ বৰগোহাঁই | ১১ |
| সেউজ বিপ্লৱ আৰু আমাৰ ভৱিষ্যৎ | অপূৰ্ব হাজৰিকা | ১৪ |
| এইড্‌ছ অথবা শ্ন'পয়জন | দুষ্মন্ত ৰবা | ১৭ |


## কবিতা


| | | |
|---|---|---|
| অন্তঃবহ্নি | ছৈয়দা আকেলা খানম | ২১ |
| মোক যিশুৰ দৰে ক্ৰুছবিদ্ধ নকৰিবা | দীপেন কুমাৰ | ২১ |
| প্ৰত্যাশা : বৈধ্যভূমিৰ পৰা ক্ৰমশঃ | অপূৰ্ব হাজৰিকা | ২২ |
| নিহাৰীকা | ৰীতশোক শৰ্মা | ২৩ |
| হেৰুৱা জোনাক | জুবেল গাৰ্গ | ২৩ |
| এতিয়া ক্ৰমশঃ | অমূল্য শইকীয়া | ২৪ |
| যন্ত্ৰনা | আনন্দ গগৈ | ২৪ |
| ৰোমন্থন | সুনীল গুৰুং | ২৪ |
| কমৰেড | জিতেন দত্ত | ২৫ |
| সিহঁত আহিছিল | জয়ন্ত গগৈ | ২৫ |


## গল্প


| | | |
|---|---|---|
| এক জীৱনৰ সন্ধানত | জয়ন্ত শৰ্মা | ২৭ |
| স্মৃতিৰ স্মৃতি | জয়ন্তদ্বীপ দত্ত | ৩১ |
| আকৌ বানপানী হ'ব | লবিন মেধি | ৩৫ |
| প্ৰানহীন দেহাটো | সুনীল বৰগোহাঁই | ৩৭ |
| প্ৰত্যুত্তৰ | জিণ্টী দাস | ৪১ |
| কালৰাত্ৰি | নাৰায়ণ বৰদলৈ | ৪৩ |
| হেৰুৱা স্মৃতিৰ সন্ধানত | ৰাতুল শইকীয়া | ৪৫ |


## ENGLISH SECTION

### POEM


| | | |
|---|---|---|
| Digboi College | Jittendra Shaw | 1 |
| It's a Game / When We Grow Up | Sanjay Paul | 1 |
| Oh! My Country | Pinku Chetry | 2 |
| Gone Forever | Piyush Sharma | 2 |
| Together | Bhashka Jyoti Neog | 2 |


### ARTICLE


| | | |
|---|---|---|
| Sex-Education — A Perspective | Ms Itu Das | 3 |
| Earthquake Studies in the NE Region — An overview | ArnabBhattacharjee | 5 |
| Method of Study | Arun Kumar Shai Shamender | 10 |
| Scientific Thinking | M. Chandrashekhar Rao | 15 |
| Napeoleon Bonaparte | Bharat Pd. Jaishy | 16 |
| Some of my Precious Moments in Bombay | Bidyut Goswami | 17 |
| Smile Be Cheerful and get a Worm Welcome | Pabitra Kr. Paul | 18 |
| An Optimist Speaks | | 19 |
| Socialism and Communism | Sanjeev Gangooli | 20 |
| বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন | | |



# অসমীয়া সাহিত্যত প্ৰগতিশীল চিন্তা ঃ এটি চমু খতিয়ান


মদন মোহন চৌধুৰী
অধ্যাপক, ৰাজনীতি বিভাগ


## প্ৰগতিশীলতাৰ ব্যাখ্যা ঃ

প্ৰগতিশীলতাৰ এক নিৰ্দিষ্ট সূত্ৰ দিয়াটো সহজসাধ্য নহয়। কিয়নো দ্ৰুতগতিত মানৱ সমাজখনৰ পৰিবৰ্তন হৈ থকাৰ পৰিপ্ৰেক্ষিতত প্ৰগতিশীলতাৰ ধ্যান ধাৰণাও সময় সাপেক্ষ হয়। সেয়ে সমসাময়িক সমাজ ব্যৱস্থাৰ আধাৰতহে প্ৰগতিশীলতাৰ বিচাৰ হোৱা প্ৰয়োজন। তথাপি সাধাৰণভাৱে ইয়াৰ এটা ব্যাখ্যা দাঙি ধৰিব পৰা হয় এই ধৰণে—আমাৰ সমাজখনৰ নিৰঙ্কুশ সংখ্যাগৰিষ্ঠ মানুহ উৎপাদনৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হৈ থাকে। কিন্তু এই উৎপাদনৰ আৰু ইয়াৰ বিতৰণৰ ব্যৱস্থাটো নিয়ন্ত্ৰণ কৰে মুষ্টিমেয় কিছু সংখ্যক মানুহে। ফলত এই মুষ্টিমেয় মানুহখিনিৰ হাতত গৰিষ্ঠসংখ্যক শ্ৰেণীটো হয় শোষিত পীড়িত আৰু বঞ্চিত। উৎপাদনৰ সমস্ত ফল ভোগ কৰা এই মুষ্টিমেয় সংখ্যকে অতি কৌশলেৰে ভাষা, ধৰ্ম, জাত-পাতৰ বিভেদৰ লগতে অন্ধবিশ্বাস, কুসংস্কাৰ আদি প্ৰচাৰ কৰি গৰিষ্ঠ সংখ্যক শ্ৰেণীটোক সহজে দমন কৰি ৰাখে। মুষ্টিমেয় সংখ্যকৰ এই শ্ৰেণীটোৱে সমস্ত ঐশ্বৰ্য্যৰ গৰাকী হৈ মদমত্ত বিলাসী জীৱন উপভোগ কৰে আৰু অন্যহাতে গৰিষ্ঠসংখ্যকে সমস্ত বঞ্চনাৰে এক পূতিগন্ধময় জীৱন যাপন কৰিব লাগে। যিবিলাক শিল্প সাহিত্যই এই গৰিষ্ঠসংখ্যক শ্ৰমজীৱি জনগণৰ পক্ষত থাকি তেওঁলোকৰ ন্যায্য প্ৰাপ্য আদায়ৰ হকে, সমাজখনৰ বৈষম্য, শোষণ, বঞ্চনা আঁতৰাই এখন সুন্দৰ মুক্ত সমাজ গঢ়াৰ সপক্ষে থাকে, যি সাহিত্যই ধৰ্মান্ধতা, কুসংস্কাৰ, অন্ধবিশ্বাস আঁতৰাই ঐক্য, সংহতি আৰু সম্প্ৰীতিৰে মানৱতাবোধ জগাই তোলাৰ প্ৰয়াস কৰে, যি সাহিত্যই হিংসা দ্বেষ-যুদ্ধ পৰিহাৰ কৰি সহযোগ আৰু সহাৱস্থানৰ উদ্যোগ লয় — সেয়াই প্ৰগতিশীল সাহিত্য বুলি বিবেচিত হয়।

## নৱবৈষ্ণৱ যুগ ঃ

প্ৰগতিশীলতাৰ এই ধ্যান ধাৰণাৰে বিশ্লেষণ কৰিলে আজি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ সাহিত্যক নিশ্চিত ভাৱে প্ৰগতিশীল বুলি স্বীকাৰ কৰি লব পাৰো। আজিৰ যুগৰ পৰিপ্ৰেক্ষিতত শঙ্কৰদেৱ প্ৰদৰ্শিত পথেই 'মানৱৰ মুক্তিৰ পথ' হয় নে নহয় সেই বিতৰ্কলৈ নগৈও শঙ্কৰদেৱৰ জীৱন দৰ্শক, সমাজ দৰ্শন আৰু সাংস্কৃতিক কাৰ্যকালবোৰ সমসাময়িক সমাজৰ পটভূমিত বিশ্লেষণ কৰিলে নিঃসন্দেহে উক্ত সিদ্ধান্ত মানি লব পৰা যায়। তেওঁৰ জাতিভেদ প্ৰথাৰ অৱলুপ্তি ঘটোৱাৰ প্ৰয়াস, সৰ্বসাধাৰণৰ বোধগম্য ভাষাত সাহিত্য চৰ্চা, প্ৰতিবাদী কণ্ঠেৰে সোচ্চাৰ হৈ উঠা, ঐক্য সংহতিৰ সংস্কৃতিৰে মানৱতাবাদী সমাজ গঢ়াৰ উদ্যোগ। জনগোষ্ঠী ভিত্তিক সমাজৰ পৰা সামন্তবাদী সমাজস্তৰলৈ উত্তৰণৰ প্ৰয়াস আদি দৰাচলতেই প্ৰগতিশীল কৰ্মকাণ্ড।

## প্ৰাক স্বাধীনতাকালৰ প্ৰগতি সাহিত্য ঃ

শঙ্কৰদেৱে প্ৰচাৰ আৰম্ভ কৰা নৈৱবৈষ্ণৱ সাহিত্য সংস্কৃতিয়ে অসমীয়া সাহিত্য সংস্কৃতিৰ ভেটি সুদৃঢ় ভাৱে গঢ়িলেও ইয়াৰ পিচত সুদীৰ্ঘ দিন জুৰি এই সাহিত্যৰ শ্ৰীবৃদ্ধি নহল। মানৰ আক্ৰমণ, আহোম ৰাজত্বৰ ওৰ পৰিল। অসমৰ ত্ৰাণকৰ্তাৰ ৰূপত অৱতীৰ্ণ হ'ল সাম্ৰাজ্যবাদী শোষক ইংৰাজসকল। এই ইংৰাজসকলৰ শাসননীতি, দমন-পীড়ন, শোষণ বঞ্চনাৰ বিৰুদ্ধে শ্ৰমজীৱি ৰাইজে স্বতঃস্ফূৰ্ত্ত ভাৱে বিদ্ৰোহ কৰিছিল, শ শ কৃষকে শ্বহীদৰ মৃত্যুবৰণ কৰিছিল। নগাঁওৰ ফুলগুৰি, দৰংৰ পথৰুঘাট, কামৰূপৰ বজালী, নলবাৰী, সৰুক্ষেত্ৰী, ৰঙিয়া আদি বিভিন্ন ঠাইত কৃষক বিদ্ৰোহ হৈছিল। কিন্তু সমসাময়িক অসমীয়া শিল্পী সাহিত্যিক বুদ্ধিজীৱিসকলে এই সংগ্ৰামী ৰাইজৰ

সমৰ্থনত কলম হাতত লোৱা নাছিল। বৰং পশ্চিমীয়া সাহিত্য সংস্কৃতিৰ অন্ধ অনুকৰণ কৰা, ৰাজতন্ত্ৰক মহিমামণ্ডিত কৰা, বৃটিছশাসনৰ জয়গান গোৱা আদিৰে সাহিত্য সৃষ্টি কৰি চৰকাৰী পৃষ্ঠপোষকতা, বটাবাহন আদিৰ পোৱাৰহে চেষ্টা কৰিছিল। ফলত সাহিত্যৰ প্ৰগতিশীলতা বোধ হোৱাৰ লগতে অসমীয়া লোক সংস্কৃতি, গণ সংস্কৃতি আৰু জনজীৱনৰ প্ৰবাহমান গতিও বিঘ্নিত হয়। এই সকলৰ দুই চাৰিজন ইংৰাজৰ স্তাৱকত পৰিণত হোৱাও পৰিলক্ষিত হয়। পৰিণতিত শঙ্কৰদেৱৰ সাহিত্যৰাজিয়েই প্ৰগতিশীল সাহিত্য হিচাপে বহুকাল পিচলৈ জনমানসত বিস্তাৰ লাভ কৰি থাকে। তথাপিও অনেক বাধা বিঘিনি প্ৰতিবন্ধকতা আৰু সীমাবদ্ধতা সত্ত্বেও ইংৰাজৰ শাসন কালতেই এদল সৃষ্টিশীল সম্ভাৱনাপূৰ্ণ সাহিত্যিকৰ জন্ম হৈছিল, যি সকলে শঙ্কৰদেৱৰ প্ৰদৰ্শিত প্ৰগতিশীল আদৰ্শেৰে অথচ সাম্ৰাজ্যবাদ বিৰোধী আৰু নিপীড়িত, শোষিত, লাঞ্ছিত জনগণৰ সজাগতা আৰু সচেতনতাৰ অনুকূলে সাহিত্য সৃষ্টি কৰিব লৈছিল। তথাকথিত সাহিত্যিকসকলৰ দ্বাৰা অস্বীকৃত, অৱহেলিত, অপমানিত হৈও এই সাহিত্যিকসকলৰ কলম দিনক দিনে শাণিতহে হৈছিল। তেওঁলোকৰ ভিতৰত উল্লেখযোগ্য পথিকৃৎ হ'ল— ধীৰেন দত্ত, অমূল্য বৰুৱা, চক্ৰেশ্বৰ ভট্টাচাৰ্য্য, জ্যোতিপ্ৰসাদ আগৰৱালা, লক্ষীধৰ শৰ্মা, বিষ্ণু ৰাভা, ভৱানন্দ দত্ত আদি। এই সকল ডেকা সাহিত্যিকে পৃষ্ঠপোষকতা লাভ কৰিছিল দীননাথ শৰ্মা সম্পাদিত 'আৱাহন', ৰঘুনাথ চৌধাৰীৰ 'জয়ন্তী' আৰু হেম বৰুৱা সম্পাদিত 'পছোৱা' নামৰ আলোচনী কেইখনত। চোভিয়েট ৰুচিয়াকে ধৰি বিশ্বৰ বিভিন্ন সমাজতান্ত্ৰিক ৰাষ্ট্ৰৰ সৃষ্টি, দুখনকৈ মানৱতা বিধ্বংসি বিশ্বযুদ্ধ আদিয়ে সমগ্ৰ বিশ্বত বিশেষকৈ তৃতীয় বিশ্বৰ স্বাধীনতা সংগ্ৰামী ৰাষ্ট্ৰ সমূহত প্ৰভূত প্ৰভাৱ পেলাই। এই সকল ডেকা সংগ্ৰামী সাহিত্যিকও বাৰুকৈএ সমাজবাদী আদৰ্শেৰে অনুপ্ৰাণিত হৈ সাম্ৰাজ্যবাদী শোষণ দমনৰ পৰা জনগণক মুক্ত কৰাৰ অৰ্থে কলম হাতত তুলি লৈছিল। যুদ্ধোত্তৰ কালত আৰু ভালে কেইজন অসমীয়া সাহিত্যিকে প্ৰগতিশীল সাহিত্য সৃষ্টিত আত্মনিয়োগ কৰা পৰিলক্ষিত হয়। তেওঁলোকৰ ভিতৰত উল্লেখযোগ্য হ'ল চৈয়দ আব্দুল মালিক, ড° অমলেন্দু গুহ, হেমাঙ্গ বিশ্বাস, অচিন্ত্য ভট্টাচাৰ্য্য, হেম শৰ্মা আদি। কিন্তু পৰিতাপৰ কথা যে ধীৰেণ দত্ত, লক্ষীধৰ শৰ্মা, ভৱানন্দ দত্ত, অমূল্য বৰুৱা অকালতে প্ৰগতিশীল সাহিত্যৰ পথাৰৰ পৰা আতৰি গ'ল আৰু অপূৰণীয় ক্ষতি হয় এই ধাৰাটোৰ। কিন্তু ভালে সংখ্যক উদীয়মান যুৱকে অতি সন্তৰ্পনে খোজ পেলাই এই প্ৰগতিশীলতাৰ পথতেই।

### স্বাধীনোত্তৰ কালত প্ৰগতিশীল সাহিত্য চৰ্চা ঃ

প্ৰাক স্বাধীন কালত সাম্ৰাজ্যবাদৰ বিৰুদ্ধে, যুদ্ধৰ বিৰুদ্ধে, শোষণ বঞ্চনাৰ বিৰুদ্ধে সাম্প্ৰদায়িক ঐক্য সংহতিৰ মাজেৰে জনগণক সংগঠিত কৰিবলৈ, উদ্বুদ্ধ কৰিবলৈ আৰু সজাগ সচেতন কৰিবলৈ প্ৰগতিশীল সাহিত্যিক সকলে মূলতঃ উদ্যোগ লৈছিল। কিন্তু স্বাধীনোত্তৰ কালতও যেতিয়া সৰ্বসাধাৰণ ৰাইজৰ অৱস্থাৰ কোনো পৰিৱৰ্তন নহল, স্বাধীনতাৰ সপোন নিৰ্মম বাস্তৱে নিঃশেষ কৰি পেলালে, দেশীয় শাসক-শোষক সকলে পূৰ্ববৰ্ত্তী সাম্ৰাজ্যবাদী শাসকৰ আদৱকায়দাৰেই পুনৰাবৃত্তি কৰিব ললে—তেতিয়া পুৰণি চামৰ আদৰ্শেৰে সৰ্বসাধাৰণ বঞ্চিত কথিত ৰাইজৰ হকে শক্তিশালী ৰূপত অৱতীৰ্ণ হ'ল অন্য এচাম ডেকা সাহিত্যিক। তেওঁলোকৰ ভিতৰত উল্লেখযোগ্য কেইজনমান হ'ল— ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, শশী শৰ্মা, ড° হীৰেণ গোঁহাই, উমা শৰ্মা, হোমেন বৰগোঁহাই, নিৰুপমা বৰগোঁহাই, অনিল ৰায় চৌধুৰী, কেশৱ মহন্ত, নলিনীধৰ ভট্টাচাৰ্য্য, নীলমণি ফুকন, হীৰেন ভট্টাচাৰ্য্য, বিজনলাল চৌধুৰী, ড° মামণি ৰয়চম গোস্বামী, মোহন কৃষ্ণ মিশ্ৰ, ৰত্নেশ্বৰ মেধি, তোষেশ্বৰ চেতিয়া, মুকুট ভট্টাচাৰ্য্য, দিলীপ বৰদলৈ আদি সাহিত্যিক সকল। এই সকল প্ৰগতিশীল সাহিত্যিকে সমাজৰ সদস্যক বঞ্চিত মানুহৰ হকে মাত মাতিবলৈ গৈ ৰক্ষণশীল সমাজৰ একাংশ আৰু তেওঁলোকৰ দ্বাৰা পৰিচালিত অনুষ্ঠান প্ৰতিষ্ঠান বিলাকৰ হাতত নিৰ্য্যাতনও ভূগিব লগা হৈছে।

### কুখ্যাত জৰুৰীকালীন অৱস্থা আৰু প্ৰগতিশীল সাহিত্য সংগঠনৰ জন্ম ঃ

প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী আৰু তেওঁৰ পুত্ৰ সঞ্জয় গান্ধীৰ পৃষ্ঠপোষকতাত সমগ্ৰ ভাৰতবৰ্ষজুৰি জৰুৰীকালীন অৱস্থা ঘোষণা কৰি চৰম ফেচীবাদী, স্বৈৰাচাৰী শাসন প্ৰবৰ্ত্তনেৰে দেশৰ গণতন্ত্ৰ হত্যাকৰাৰ লগতে সমষ্ট প্ৰতিবাদী কণ্ঠৰোধ কৰিবলৈ ব্যৱস্থা লয়। হেজাৰ হেজাৰ প্ৰগতিশীল শিল্পী সাহিত্যিক আৰু চিন্তাবিদক কাৰাৰুদ্ধ কৰা হয়। চৰম নিৰ্য্যাতনৰ বলি হৈ নাইবা চৰকাৰী বঁটা বাহনত প্ৰলোভিত হৈ দুই এজন

প্ৰগতিশীল সাহিত্যিক পথচ্যুৎ হলেও বাকী সকল অধিক প্ৰতিবাদী হোৱা দেখা যায়। আৰু এওঁলোকে সঠিক ভাৱে সংগঠিত হোৱাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰে। পৰিণতিত প্ৰতিবাদী কণ্ঠ সৰব কৰি ৰাখিবলৈ 'নতুন পৃথিৱী' সাহিত্য গোষ্ঠী সংগঠিত ৰূপত অৱতীৰ্ণ হয়। 'নতুন পৃথিৱী' আলোচনীয়ে প্ৰগতিশীল সাহিত্য চৰ্চাত অতি উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে আৰু নবীন-প্ৰবীন প্ৰগতিশীল সাহিত্যিক সকলক পৃষ্ঠপোষকতা কৰি অসমত প্ৰগতিশীল সাহিত্য আন্দোলনৰ গতি তৰান্বিত কৰে। পৰবৰ্ত্তী কালত সাহিত্যিক সকলৰ স্বাধীন চিন্তা ভাৱনাক প্ৰচাৰ আৰু প্ৰসাৰ কৰিবলৈ কিছু সংখ্যক অগ্ৰজ প্ৰগতিশীল সাহিত্যিকে গঢ়ি তোলে 'গণ সংস্কৃতি বিকাশ সমিতি', এই সমিতি পুথি প্ৰকাশৰ উপৰিও 'সাপ্তাহিক জনজীৱন' নামৰ কাকতখনত প্ৰকাশ কৰিবলৈ লয়।

সৰ্বসাধাৰণ ৰাইজৰ দ্বাৰা স্বৈৰাচাৰী ইন্দিৰা চৰকাৰ প্ৰত্যাখিত হোৱাৰ পিচত ভাৰতবৰ্ষৰ ৰাজনৈতিক পৰিবেশ বহু পৰিমাণে মুক্ত হয়। শিল্পী সাহিত্যিকে মুকলি মুৰীয়া হৈ সুস্থ গণতান্ত্ৰিক প্ৰমূল্যবোধেৰে সাহিত্য সৃষ্টি কৰা পৰিবেশ পাইছিল, কিন্তু সেয়াও আছিল ক্ষন্তেকীয়া।

**অসম আন্দোলন ঃ প্ৰগতিশীলতাৰ মূৰত মাধমাৰ আৰু প্ৰতিৰোধ ঃ**

বিদেশী বিতাড়ণ আন্দোলনৰ গয়ণালৈ অসমত পৰিকল্পিত ভাবে জৰুৰী অৱস্থাতকৈও বহু বেছি ভয়াবহ ৰূপত আক্ৰমণ হৈছিল প্ৰগতিশীল সাহিত্য সংস্কৃতিৰ ওপৰত। আন্দোলনৰ আদি ছোৱাত নতুন পৃথিৱী জনজীৱনৰ উপৰিও কলাখাৰ, জনক্ৰান্তি, প্ৰতিবাদ আদি কাকত/আলোচনীবোৰে যুক্তিৰ আধাৰাত প্ৰগতিশীল চিন্তাচৰ্চাৰে আন্দোলনকাৰীৰ আবেগ সৰ্ব্বস্বতাৰ বিপৰীতে সুস্থ মতামত প্ৰচাৰ কৰিবলৈ প্ৰয়াস কৰিছিল। পৰম দুৰ্ভাগ্যৰ কথা যে স্বাৰ্থান্ধ, ক্ষমতালিপ্সু, ফেচীবাদী নেতৃত্বৰ প্ৰৰোচনাত আন্দোলনকাৰী সকলৰ একাংশই সমগ্ৰ ৰাজ্য জুৰি এইসকল সাহিত্য কৰ্মীক সমাজৰ শত্ৰু হিচাবে চিহ্নিত কৰাই এওঁলোকক নিঃশেষ কৰাৰেই প্ৰয়াস কৰে। বাটে পথে অপমানিত, লাঞ্চিত, প্ৰহৃত হোৱাৰ উপৰিও কেইবাজনও মৃত্যুৰ মুখত পৰিব লগা হয়। কিন্তু সুখৰ কথা যে চৰম বিপৰ্যয়ৰ সন্মুখীন হৈয়ো মুষ্টিমেয় সংখ্যক সাহিত্য কৰ্মীয়ে নিজৰ বিবেক বিসৰ্জন নিদি প্ৰবল প্ৰত্যয়ৰে প্ৰগতিশীল সাহিত্য কৰ্ম প্ৰবাহিত কৰি ৰখাৰ প্ৰয়াস কৰে। ইতিমধ্যে তেওঁলোকৰ ঐকান্তিক প্ৰচেষ্টাত গঢ় লৈ উঠে প্ৰগতিশীল সাহিত্য চিন্তা চৰ্চাৰ সমূহিয়া কেন্দ্ৰ 'নতুন সাহিত্য পৰিষদ'। অতি কম দিনৰ ভিতৰতে এই সংগঠনটো ৰাজ্যৰ চুকে কোণে প্ৰসাৰিত হয়, শতাধিক শাখা প্ৰশাখা গঢ়ি উঠে। নতুন সাহিত্য পৰিষদৰ ৰাজ্যিক মুখপত্ৰ 'আমাৰ সাহিত্য'ৰ উপৰিও বিভিন্ন শাখাৰ পৰা অসমীয়া বড়ো, অসমীয়া-কাৰ্বী, অসমীয়া-বঙালী আদি দ্বিভাষিক আলোচনীকে ধৰি প্ৰায় চল্লিশখন মান ক্ষুদ্ৰ আলোচনী প্ৰকাশিত হৈ আছে। নতুন সাহিত্য পৰিষদে ইতিমধ্যে কেইবাখনও অতি মূল্যবান পুথিও প্ৰকাশ কৰিছে। ইয়াৰোপৰি ৰাজ্যখনৰ সাতোটা ভাষা-উপভাষা সন্নিবিষ্ট কৰি এখন বৃহৎ বহুভাষিক অভিধান প্ৰণয়নৰ আচনি গ্ৰহণ কৰি কামত অগ্ৰসৰ হৈছে। এই অভিধানখন প্ৰণয়ন কৰি উলিয়াব পাৰিলে ভাষিক সমস্যাৰ বহুলাংশে সমাধান পোৱা যাব পাৰে। এই পৰিষদৰ উদ্যোগত ন-অসমীয়া অধ্যুষিত অঞ্চলত এক সাহিত্য আন্দোলন গঢ়লৈ উঠিছে বুলি কলেও অত্যুক্তি কৰা নহয়। ইতিমধ্যে অতি সম্ভাৱনাপূৰ্ণ এদল নবীন সাহিত্যিক অতি নিষ্ঠাৰে অসমীয়া সাহিত্যৰ সেৱা কৰিবলৈ এই অঞ্চলৰ পৰা আগবাঢ়ি আহিছে। অসমত এটি অধ্যয়নৰ পৰিবেশ গঢ়ি তুলিবলৈ, ৰাজ্যৰ পুথি ভড়ালবোৰৰ সু-পৰিচালনা, পুথিক্ৰয়ৰ এটি নিৰ্ভৰযোগ্য নীতি নিৰ্দ্ধাৰণ আদিৰ দাবীত এই পৰিষদে 'পুথিভড়াল আন্দোলন'ও গঢ়ি তুলিছে।

**সামৰণি ঃ**

প্ৰগতিশীল সাহিত্য সংস্কৃত চৰ্চাৰ পৰিবেশ এতিয়াও সম্পূৰ্ণ ফৰকাল নহয়। পুঁজিবাদী সমাজ ব্যৱস্থাত পৰিকল্পিত ভাবে সাধাৰণ ৰাইজৰ মাজত কুসংস্কাৰ, অন্ধবিশ্বাস, সাম্প্ৰদায়িকতা, ৰক্ষণশীলতা আদি সামাজিক ব্যাধিবোৰ জীয়াই ৰাখিবলৈ চেষ্টা কৰা হয়। সংগ্ৰামী শিল্পী জ্যোতিপ্ৰসাদে লৈছিল-'সাম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰবাদ এই দুয়োটাই পৃথিৱীৰ বুৰঞ্জীত সংস্কৃতিৰ ৰূপত ছদ্মবেশী দুষ্কৃতিৰ পূৰ্ণৰূপ।....... দুষ্কৃতিয়ে মেধা বুদ্ধিৰ উন্নতি কৰি দুষ্কৃতিমূলক বিকৃত ব্যক্তিগত জীৱন দৰ্শন, সমাজ দৰ্শন, অৰ্থনীতি, শাসন নীতি, সকলো বৈজ্ঞানিক প্ৰণালীৰে কৰি লয় আৰু তাক সংস্কৃতি বুলি দেখুৱাই আৰু সংস্কৃতি ভক্ত মানুহকও ভ্ৰান্তিত পেলাই তাৰ ফলিয়া কৰি জনতাৰ ভাগ্য কাঢ়ি নিয়ে।" প্ৰগতিশীল শিল্পী সাহিত্যিকে এই বিভ্ৰান্তিৰ পৰা নিজকে মুক্ত কৰি সমাজখনক সঠিক পথেৰে আগুৱাই যোৱাত পথিকৃৎৰ ভূমিকা লব লাগিব। ■

# আমাৰ স্বাস্থ্য আৰু পৰিবেশ

## "দুহেজাৰ চনত সকলোৰে বাবে স্বাস্থ্য" বাস্তৱত কিমান সম্ভৱ

**শ্ৰীতিলক চন্দ্ৰ দত্ত**
প্ৰবক্তা, উদ্ভিদ বিজ্ঞান বিভাগ

স্বাস্থ্যই পৰম সম্পদ— বহু চৰ্চ্চিত এই আপ্ত বাক্যযাবৰ খেত ধৰি কব পাৰি সুস্বাস্থ্যৰ গৰাকী সকল সম্পদ আহৰণৰ সাৰ্মথ্যৰে সুখ-স্বাচন্দৰে ভৰা উপভোগ্য সুন্দৰ সাৰ্থক জীৱন একোটাৰ অধিকাৰী হোৱাৰ লগতে ৰাষ্ট্ৰ এখনৰো মূল্যবান সম্পদৰূপে পৰিগণিত হয়। আনহাতে ক্ষণভঙ্গুৰ স্বাস্থ্যৰ গৰাকীসকল প্ৰকৃত জীৱনৰ মাদকতা লাভৰপৰা বঞ্চিত হোৱাৰ উপৰিও বহু সময়ত অসুখী আৰু পৰনিৰ্ভৰশীল জীৱন যাপন কৰিব লগা হয়। ৰাষ্ট্ৰ একোখনৰ বাবেও তেওঁলোক হৈ পৰে প্ৰগতিৰ প্ৰতিবন্ধক আৰু আৰু অবাঞ্চিত বোজা স্বৰূপ। সেয়ে দেশৰ সমৃদ্ধি আৰু প্ৰগতিৰ অন্যতম উপাদান স্বৰূপ প্ৰতিজন ব্যক্তিক সু-স্বাস্থ্যৰ কৰ্মথ কৰি গঢ়ি তোলাটো দেশ আৰু ব্যক্তি উভয়ৰে বাবে মঙ্গলজনক।

বিশ স্বাস্থ্য সংস্থাৰ সংবিধান সন্নিবিষ্ট মানৱ স্বাস্থ্যৰ সংজ্ঞা হৈছে "Health is a state of complete physical mental and social well-being and not merely the absence of disease or infirmity." অৰ্থাৎ কেৱল ৰোগ ব্যাধি অথবা আলৰ অৱস্থা নোহোৱা হলেই স্বাস্থ্য নহয়। শাৰীৰিক, মানসিক আৰু সামাজিক অৱস্থাৰ পূৰ্ণ সুস্থতাই হৈছে স্বাস্থ্য। অন্যহাতে আমাৰ পৰিবেশে বহল অৰ্থত আমাৰ চৌদিশে বিৰাজ কৰা প্ৰাকৃতিক, আৰ্থ-সামাজিক, শৈক্ষিক, সাংস্কৃতিক, ৰাজনৈতিক আদি সকলো অৱস্থাকে সাঙুৰি লয়।

মানুহৰ ৰোগ-ব্যাধি, মৃত্যুৰ ধৰণ-কৰণ, আয়ুস দৈৰ্ঘ্য আদিৰ অভিজ্ঞতাৰ ভিত্তিতে সমাজত আমাৰ স্বাস্থ্যৰ চিত্ৰখন নিৰ্ণয় কৰা হয়। এইবোৰৰ অন্তৰ্নিহিত কাৰকবোৰ প্ৰত্যাক্ষ অথবা পৰোক্ষভাৱে পৰিবেষ্টিত পৰিবেশৰ লগত জড়িত। সমাজত সংঘটিত মানুহৰ মৃত্যুৰ ধৰণ আৰু আয়ুস দৈঘ্যই সমাজখনৰ প্ৰৱৰ্তিত সামাজিক, পাৰিপাৰ্শ্বিক অৱস্থা আৰু জীৱন ধাৰণৰ মানদণ্ডৰো মাপকাঠি। বয়সৰ লগে লগে বাৰ্ধক্যজনিত নানা উপসৰ্গই আমাৰ লগ লগাটো স্বাভাৱিক। এইবোৰক বাস্তৱত উপেক্ষা কৰা কঠিন যেন লাগিলেও অকল বাৰ্ধক্যক ব্যক্তি বিশেষৰ স্বাস্থ্য সচেতনতা আৰু নিকা পাৰিপাৰ্শ্বিক বাতাবৰণে যে বহু পিচুৱাই লৈ যাব পাৰে তাত কোনো সন্দেহ নাই। এই প্ৰসঙ্গত আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন পৰিবেশ বিজ্ঞানী ইৰিক পি. ইখ'হলমৰ নিৰীক্ষণ উল্লেখযোগ্য "Heredity determines suseptibility to afflictions, but the individuals interactions with his social and physical mikeus influence whether or not that potential is realised."

বিশ্ব স্বাস্থ্য সংস্থাৰ উপৰুক্ত মানৱ স্বাস্থ্যৰ সংজ্ঞাটো ভালদৰে অনুধাৱণ কৰিলেও সচেতন ব্যক্তি মাত্ৰেই এইটো সহজে উপলব্ধি কৰিব যে এক সুস্থ পাৰিপাৰ্শ্বিক বাতাবৰণ ব্যতিৰেকে স্বাস্থ্য কাৰোৰে বাবে সম্ভৱ হব নোৱাৰে। সেয়ে সমাজৰ প্ৰতিজন ব্যক্তিকে স্বাস্থ্যৱান কৰি গঢ়ি তুলিবলৈ প্ৰাথমিক আৰু অন্যতম চৰ্ত হিচাপে এক সুস্থ পাৰিপাৰ্শ্বিক বাতাবৰণ সৃষ্টি কৰিবই লাগিব। তাৰ বাবে লাগিব আমাক প্ৰদূষণমুক্ত প্ৰাকৃতিক পৰিবেশ, উপযুক্ত পৰিমাণত নিতৌ পুষ্টিকাৰক খাদ্য, স্বাস্থ্য সম্পৰ্কীয় প্ৰাথমিক শিক্ষা, অৰ্থনৈতিক স্বাধীনতা, সামাজিক ন্যায় আৰু ৰাজনৈতিক সুস্থিৰতা। এই মৌলিক চৰ্ত সমূহক সমুলি আওকাণ কৰি স্বাস্থ্যৰ নামত কেৱল মাত্ৰ কেইখনমান চিকিৎসালয় স্থাপন কৰিয়েই চাৰিটা বছৰ আগত লৈ বিশ্বস্বাস্থ্য সংস্থাৰ "দুহেজাৰ চনত সকলোৰে বাবে স্বাস্থ্য" বাণী আওৰাই থাকিলেই দুহেজাৰ চনত কাৰোৰে বাবে স্বাস্থ্য যে ওপৰৰপৰা একে দিনাই সৰি নপৰে সি ধ্ৰুৰূপ। বৰং সাম্প্ৰতিক প্ৰেক্ষাপটত প্ৰতিবিম্বিত অৱক্ষয়িষ্ণু পাৰিপাৰ্শ্বিক বাতাবৰণে দুহেজাৰ চনত জনসাধাৰণৰ স্বাস্থ্য মৰীচিকা স্বৰূপ হোৱাৰহে সম্ভাৱনা প্ৰকট কৰি তুলিছে।

যান্ত্ৰিক যুগৰ আৰম্ভ আৰু নগৰীয়া ভোগ বিলাসী জীৱনত মতলীয়া মানুহে প্ৰকৃতিৰ সম্পদৰাজি আহৰণ

কৰোতে প্ৰাকৃতিক ভাৰসাম্যৰ কথা আওকাণ কৰাৰ ফলত আজি উদ্ভিদ জগতৰ লগতে সমগ্ৰ জীৱজগতৰ অস্তিত্বই বিপদাপন্ন হৈ উঠিছে। বনজ সম্পদৰ অবাধ লুণ্ঠনৰ ফলত বিগত এশ বছৰত বায়ুমণ্ডলত কাৰ্বনডাই অক্সাইডৰ পৰিমাণ ২৫-৩০ শতাংশ বৃদ্ধি পাইছে। ইয়াৰ ফলত সেউজী গৃহ প্ৰভাৱৰ মাত্ৰা ক্ৰমাত প্ৰকট হৈ অহাত বায়ুমণ্ডলৰ তাপমাত্ৰা সেই অনুপাতে বৃদ্ধি পাব লাগিছে। উৎকট গৰমত নাতিশীতোষ্ণ মণ্ডলত অৱস্থিত আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে দেশতো মানুহৰ মৃত্যু এতিয়া সাধাৰণ ঘটনা হৈ পৰিছে। নিতৌ যানবাহন, কল-কাৰখানাৰ পৰা নিৰ্গত ধূলি, ধোঁৱা, কাৰ্বনডাই অক্সাইড, কাৰ্বন মন'অক্সাইড, নাইট্ৰাচ অক্সাইড আদি বিষাক্ত গেছেৰে বায়ুমণ্ডল উপচি পৰিছে। বিষাক্ত বায়ু সেৱনৰ পৰিণাম স্বৰূপে হাপানী, হাঁওফাঁওৰ কৰ্কট ৰোগকে ধৰি শ্বাসজনিত বিভিন্ন দুৰাৰোগ্য ব্যাধিৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পাইছে। তেজস্ক্ৰিয় পৰীক্ষা-নিৰীক্ষা আৰু ক্লৰ'ফ্ল'ৰ' কাৰ্বনৰ ব্যৱহাৰে সমগ্ৰ জীৱজগতলৈ কঢ়িয়াই অনা বিভীষিকাৰ কথা নকলোৱেইবা। জীৱৰ প্ৰাণস্বৰূপ পানীটোপাও আজি অভাৱনীয়ভাৱে কলুষিত হৈ পৰিছে। উদ্যোগজাত অপদ্ৰব্য, কৃষিক্ষেত্ৰত বহুল ব্যৱহৃত ৰাসায়নিক সাৰ, কীটনাশক আদি বিষাক্ত দ্ৰব্যবোৰ জলাশয়বোৰত ক্ৰমাগত জমা হোৱাত বহুপ্ৰজাতিৰ জলজ উদ্ভিদ আৰু প্ৰাণী ইতিমধ্যে লুপ্ত পোৱাৰ উপৰিও খাদ্য শৃংখলৰ জৰিয়তেই হওক অথবা দূষিত পানী সেৱনৰ বাবেই হওক দেহত মাত্ৰাধিক প্ৰবেশ কৰাৰ পৰিণতিতে গেছষ্ট্ৰ'এণ্টাৰাইটিজ, ডায়েৰীয়া আদি বিভিন্ন আন্ত্ৰিক ৰোগ আৰু বৃক্কৰ বিকাৰ ক্ৰমাত বৃদ্ধি পাই আহিছে। কল-কাৰখানা, যানবাহন, মাইক ৰেডিঅ', টেপ ৰেকৰ্ডাৰ, টেলিভিচন, আটচবাজি, ফটকা আদিৰপৰা নিৰ্গত বিকট শব্দৰ প্ৰভাৱো মানৱ দেহত কম নহয়। উচ্চ ৰক্তচাপ, বিৰক্তি, অসহনশীলতা, স্নায়বিক বিকাৰ বৃদ্ধিৰ মূলতে হ'ল ক্ৰমবৰ্দ্ধমান শব্দ দূষণ।

অতিমাত্ৰাত বৰ্দ্ধিত জনসংখ্যাই সৃষ্টি কৰা খাদ্য সংকট, অত্যাৱশ্যকীয় দ্ৰব্যমূল্যৰ অতিপাত বৃদ্ধি, অতি সম্প্ৰতি গঢ় লৈ উঠা মুক্ত অৰ্থনীতি আৰু ইয়াৰ গোলকীকৰণ প্ৰক্ৰিয়াই বিশ্বৰ বহু নিযুত দৰিদ্ৰ জনগণক পুষ্টিহীনতাৰ চৰম দুৰ্ভোগলৈ ঠেলি পঠাইছে। ৰাজহুৱা খণ্ডৰ পৰিসৰ আৰু প্ৰভাৱ ক্ৰমাৱলোপনৰ লগে লগে ন্যূনতম স্বাস্থ্য সেৱা আৰু শিক্ষাৰ পৰা বঞ্চিত হোৱা লোকৰ সংখ্যাও ক্ৰমান্বয়ে বৃদ্ধি পাব লাগিছে। নামত চিকিৎসালয়, স্কুল-কলেজৰ সংখ্যা বাঢ়িলেও চৰকাৰৰ অৱহেলা, ত্ৰুটিপূৰ্ণ পৰিচালনা আৰু নৈতিক অধঃপতিত বিষয়া কৰ্মচাৰীৰ পয়োভৰ বৃদ্ধিয়ে এইবিলাকৰ যথোপযুক্ত সেৱাবপৰা সৰ্বসাধাৰণ লোকক বিতাৰিত কৰিছে। ঔষধ-পাতিৰ কথাটোতো বাদেই ৰোগীৰ জৰুৰী প্ৰাথমিক চিকিৎসাৰ যাৱতীয় বস্তু কেইপদো আজিকালি বাহিৰৰপৰা কিনি আনিলেহে চৰকাৰী চিকিৎসা সেৱা লাভ কৰিব পাৰি। এই আপাহতে কাঠফুলাৰ দৰে ব্যৱসায়ীক ভিত্তিত ব্যক্তিগত উদ্যোগত গঢ় লৈ উঠিছে হাজাৰ বিজাৰ নাৰ্চিং হোম। এইবোৰৰ স্বাস্থ্য সেৱাৰ কথা নকওৱেই, নাম শুনিলেও দৰিদ্ৰ জনসাধাৰণে দূৰতে আতংক অনুভৱ কৰে।

স্বাস্থ্য সম্পৰ্কীয় প্ৰাথমিক শিক্ষা আৰু প্ৰতিবিধানৰ অভাৱত বিজ্ঞানৰ চৰম সাফল্যৰ দিনটো গেষ্ট্ৰ'এণ্টা-ৰাইটিজ, মেলেৰীয়া, ডায়েৰীয়া আদি সংক্ৰামক ৰোগে ক্ষন্তেকতে মহামাৰীৰ ৰূপ ধাৰণ কৰি নিমিষতে শ শ গাঁৱলীয়া অশিক্ষিত লোকৰ প্ৰাণ কাঢ়ি নিয়ে। ভিতৰুৱা অঞ্চলত অধিকাংশ চিকিৎসকে সেৱা আগবঢ়াবলৈ অপৰাগতা প্ৰদৰ্শন কৰে। মানবীয় মূল্যবোধৰ অৱক্ষয়ে সমাজত হত্যা, লুণ্ঠন, ধৰ্ষণ, অপহৰণৰ ৰহণ চৰাইছে। আইন, আদালত আজি ধূৰন্ধৰ ৰাজনৈতিক নেতাৰ কবলত। ৰাইজৰ প্ৰতিনিধি, আমোলা বিষয়াই কোটীৰ হিচাবত টকা আত্মসাৎ কৰি জনকল্যাণমূলক আঁচনিলৈ পিঠি দিয়াৰ ফলত নিবনুৱা, উগ্ৰপন্থীৰ দৰে সমস্যাই জটিল ৰূপ ধাৰণ কৰিছে। উগ্ৰবাদীৰ নিৰ্বিচাৰ গুলীত নিতৌ নিৰপৰাধী লোকে প্ৰাণ বিসৰ্জন দিব লাগিছে। ক্ষমতাৰ খক আৰু নেতা হোৱাৰ প্ৰৱণতাই অধিকাংশ লোকক জব্দ কৰিছে। সমাজত গোষ্ঠীগত বিদ্বেশ আৰু বিচ্ছিন্নতা বোধৰ বৃহবৃক্ষ ৰোপণ কৰি ভাতৃঘাটি সংঘৰ্ষৰে মৃত্যুযজ্ঞ তৈয়াৰ কৰিছে আজিৰ মানুহে। চাৰিওফালে মৃত্যু-বিভিষীকাৰ এই বাতাবৰণকে লৈ 'দুহেজাৰ চনত সকলোৰে বাবে স্বাস্থ্য' ধ্বনিৰে চৰকাৰী আৰু সংবাদ মাধ্যমত প্ৰচাৰৰ খলকনি তুলি আগবাঢ়িছো দুহেজাৰ চনলৈ।

তথাপিও আমি আশাবাদী। কেৱল প্ৰচাৰতে শক্তি আৰু সামৰ্থ আবদ্ধ নাৰাখি সুপৰিকল্পিত সীমিত প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰ, জনসংখ্যাৰ নিয়ন্ত্ৰণ আৰু মানৱ মূল্যবোধৰ উত্তৰণত চৰকাৰ, সেচ্ছাসেৱী সংগঠন, জনসাধাৰণ সকলোৱে সৰ্বাধিক গুৰুত্ব সহকাৰে সোচ্চাৰ হৈ উঠিলেহে আমাৰ স্বাস্থ্যৰো উত্তৰণ ঘটিব। অন্যথা দুহেজাৰ চনত জনসাধাৰণৰ স্বাস্থ্য মৰিচীকা স্বৰূপ হোৱাৰ সম্ভাৱনাই অধিক। ■

# সাম্প্ৰতিক অসমৰ শৈক্ষিক পৰিবেশ আৰু যুৱ-মানসিকতা

*(মতামতৰ বাবে সম্পাদক দায়ী নহয়)*

মৃদুল চেতিয়া

ভাৱীকালৰ নাগৰিক আজিৰ শিশু আৰু ছাত্ৰ সমাজক প্ৰয়োজনীয় শিক্ষা আহৰণ কৰিবলৈ লাগে এক পৰিবেশ। এইয়ে শিক্ষাৰ পৰিবেশ। এটি শিশু শিক্ষানুষ্ঠানত নাম ভৰ্ত্তি কৰা তাৰিখৰ পৰাই আৰম্ভ হয় সেই শিশুটিৰ আনুষ্ঠানিক শিক্ষাৰ। জীৱনত কিবা এটা হোৱাৰ প্ৰবল আশা বুকুত বান্ধি লৈ এটি শিশু শিক্ষানুষ্ঠানলৈ আহে। অভিভাৱকৰো শিক্ষানুষ্ঠানৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত ব্যক্তিসকলৰ ওপৰত গভীৰ আস্থা থাকে যে শিক্ষানুষ্ঠানে তেওঁলোকৰ সন্তানক জীৱন গঢ়াৰ সঠিক পথেৰে আগবঢ়াই লৈ যাব এইয়া অভিভাৱকসকলৰ স্বাভাৱিক আস্থা আৰু যথোচিত প্ৰত্যাশা। কাৰণ শিক্ষানুষ্ঠান হৈছে সামাজিক অনুষ্ঠান। সামাজিক অনুষ্ঠান হিচাপে শিক্ষানুষ্ঠানসমূহে ভৱিষ্যতে নাগৰিক গঢ়াৰ দায়িত্ব পালন কৰিব লাগিব। অৱশ্যে শিক্ষানুষ্ঠানসমূহে উপযুক্ত আৰু অনুকূল পৰিবেশতহে এই দায়িত্ব পালন কৰিব পাৰিব। ইয়াৰ ব্যতিক্ৰম ঘটিলেই শিক্ষাৰ পৰিবেশ ব্যাহত হয়।

সম্প্ৰতি অসমৰ সকলো লোকেই শিক্ষাৰ পৰিবেশ সম্পৰ্কে আলোচনা-বিলোচনা কৰে আৰু শিক্ষানুষ্ঠান সমূহৰ শৈক্ষিক পৰিবেশ ব্যাহত হৈছে বুলি দুঃখ প্ৰকাশ কৰে। তদুপৰি শিক্ষাৰ মানদণ্ড নিম্নগামী হোৱাৰ কাৰণ বৰ্তমানৰ শিক্ষাৰ পৰিবেশ বুলি ক'বলৈও দ্বিধাবোধ নকৰে। আনকি চূড়ান্ত পৰীক্ষা সমূহত বহুবি অনুত্তীৰ্ণৰ হাৰ বৃদ্ধি হোৱাৰ মূল কাৰণ শিক্ষাৰ পৰিবেশ বুলি ক'ব খোজে। আনহাতে নৈতিকতাৰ বিপৰীতে আবেগৰ ঢৌত উটি-ভাহি ফুৰা যুৱ-ছাত্ৰসকলৰ উশৃংখল মানসিকতাই শৈক্ষিক পৰিবেশ বিনষ্ট হোৱাত ইন্ধন যোগাইছে।

সাম্প্ৰতিক শিক্ষাৰ পৰিবেশ অৱণতি ঘটাৰ মূল কাৰণসমূহ পৰ্য্যবেক্ষন কৰিলে দেখা যাব যে সমাজৰ সকলো শ্ৰেণীৰ মানুহে ইয়াত প্ৰত্যক্ষ বা পৰোক্ষভাৱে কৰমৰ্দন কৰিছে।

শিক্ষানুষ্ঠানৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ থাকিব লাগে শিক্ষকসকল। শিক্ষক সকলৰ নিষ্ঠা, একাগ্ৰতা আৰু কৰ্মপদ্ধতিৰ ওপৰতেই শিক্ষাৰ উন্নতি বা অৱণতি নিৰ্ভৰ কৰে। বৰ্তমান আমাৰ বিদ্যালয়, মহাবিদ্যালয় সমূহত নিয়মিত পাঠদান কম হোৱা দেখা যায়। যদিহে নিয়মিত পাঠ্যদান বা শ্ৰেণী নবহে তেতিয়াহলে দেখা যায় যে ছাত্ৰ-ছাত্ৰীসকলে সেই সময়ছোৱাত বিভিন্ন হাস্যৰসৰ কথা কৈ নাইবা অশ্লীল শব্দ উচ্চাৰণ কৰি সেই পৰিবেশটো উত্তপ্ত কৰি তোলে আৰু তাৰ ফলত ওচৰত হৈ থকা শ্ৰেণীটোৰ পাঠ্যদানত ব্যাঘাত জন্মে।

শিক্ষাৰ পৰিবেশৰ লগত জড়িত থকা প্ৰত্যক্ষ অঙ্গটো হ'ল ছাত্ৰসমাজ। নিজে অধ্যয়ন কৰা শিক্ষানুষ্ঠানটিৰ সুস্থ শৈক্ষিক পৰিবেশ সৃষ্টি কৰাত উল্লেখনীয় ভূমিকা পালন কৰে ছাত্ৰসমাজে। নিয়ম-শৃংখলা আৰু অনুশাসনৰ ফলশ্ৰুতিতহে একোখন শিক্ষানুষ্ঠানত অনুকূল শিক্ষাৰ পৰিবেশ বৰ্তি থাকে। কিন্তু দেখা গৈছে যে— আজি প্ৰায়ভাগ শিক্ষানুষ্ঠানতে প্ৰয়োজনীয় অনুশাসনৰ অভাৱ ঘটিছে বাৰুকৈয়ে নিয়ম-শৃংখলা, অনুশাসনহীনতাৰ ফলত যেনেকৈ একোখন ঘৰ বাঁহতলত পৰিণত হয় ঠিক তেনেকৈ ইয়াৰ অভাৱতে শিক্ষানুষ্ঠান সমূহতো অনুৰূপ অৱস্থাই বিৰাজ কৰিছে।

বৰ্তমান বিশেষকৈ মহাবিদ্যালয় সমূহত দেখা যায় যে আবেলি প্ৰায় ১ মান বজাৰ পৰা ছাত্ৰ-ছাত্ৰীসমূহ মহাবিদ্যালয় সমূহত উপস্থিত নাথাকে। ফলত শিক্ষকে শ্ৰেণীত পাঠদান দিবলৈ আহিও বিফলমনোৰথ লৈ ঘূৰি যাবলগীয়া হয়। ইয়াৰ উপৰিও যি সময়ত মহাবিদ্যালয়ত উপস্থিত থাকে সেই সময়ত তেওঁলোকে বিভিন্ন আপত্তিজনক কাৰ্য্যত লিপ্ত থাকি এক অসুস্থ শৈক্ষিক পৰিবেশ সৃষ্টি কৰাত ইন্ধন যোগাইছে।

বৰ্তমান যুগ সন্ধিত ছাত্ৰ সমাজে ভৱিষ্যতৰ জীৱন গঢ়াৰ বাবে প্ৰয়োজনীয় শিক্ষা আহৰণত মনোনিবেশ কৰাৰ লগতে সময়ৰ আহ্বানত সমাজ, দেশ তথা জাতিৰ অনেক সমস্যাৰ প্ৰতিও মনোনিৱেশ কৰা দেখা গৈছে বা তেওঁলোকে তেনে কৰিবৰ বাধ্য হৈছে। কিন্তু এনে কৰিবলৈ যাওঁতে ছাত্ৰ-সমাজে নিজৰ উদ্দেশ্য বা লক্ষ্যৰ পৰা কিছু পৰিমাণে হ'লেও ফালৰি কাটি যাবলগীয়া হৈছে আৰু ইয়াৰ প্ৰভাৱ প্ৰত্যক্ষ বা পৰোক্ষভাৱে শিক্ষাৰ পৰিবেশৰ ওপৰত পৰিছে।

বিহমেটেকাৰ দৰে আমাৰ শিক্ষাজগতখনক ছানি পেলোৱা 'নোটবুক'বোৰে আৰু বৰ্তমান যি কাৰণতে নহওঁক কিয় জনপ্ৰিয় হৈ পৰা 'প্ৰাইভেট টিউছন' পদ্ধতিয়েও শিক্ষাৰ পৰিবেশৰ ওপৰত প্ৰভাৱ পেলাইছে। টিউছনলৈ যাবৰ বাবে বিদ্যালয় বা মহাবিদ্যালয়ত উপস্থিত নথকা বা উপস্থিত থাকিলেও নিৰ্দিষ্ট সময়ত চুটি বিচৰা আৰু পাঠ্যপুথি দিয়া পাঠদানৰ প্ৰতি অমনোযোগী হৈ নোটবুকবোৰৰ ওপৰত নিৰ্ভৰ কৰি পৰীক্ষালৈ প্ৰস্তুতি চলোৱা প্ৰক্ৰিয়াই শিক্ষাৰ পৰিবেশ বিনষ্ট হোৱাত ইন্ধন যোগাইছে।

তদুপৰি আজি কিছুবছৰৰ পৰা চূড়ান্ত পৰীক্ষাবোৰৰ কথাটো বাদেই আনকি বিদ্যালয় বা মহাবিদ্যালয় সমূহৰ আভ্যন্তৰিন সাময়িক পৰীক্ষাবোৰতো ব্যাপক হাৰত 'নকল' নামৰ ব্যাধি এটা বিয়পি পৰিছে। যিটো নেকি শিক্ষাজগতৰ বাবে এক প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে। এনে কাৰ্য্যত পৰীক্ষা পৰিচালনাৰ লগত জড়িত এক শ্ৰেণীৰ শিক্ষক আৰু অভিভাৱকেও প্ৰত্যক্ষ বা পৰোক্ষভাৱে ইন্ধন যোগোৱাৰ কথা জনমতৰ মাধ্যম সমূহে আমাক দেখুৱাই দিছে। নৈতিকতা বিসৰ্জন দি ছাত্ৰ-সমাজক এনে কাৰ্য্যৰ প্ৰতি প্ৰৰোচিত কৰাটো আমাৰ শিক্ষাজগতৰ কাৰণে দুৰ্ভাগ্যজনক কথা।

অন্যহাতে এচাম নিষ্ঠাবান আৰু সচেতন শিক্ষকে এনে কাৰ্য্যৰ বিৰোধীতা কৰিবলৈ যাওঁতে এশ্ৰেণী ছাত্ৰৰ হাতত হ'বলগীয়া হৈছে লাঞ্চিত, অপমানিত। আনকি কেতিয়াবা শাৰীৰিক নিৰ্য্যাতনো ভোগ কৰিবলগীয়া হৈছে। আজিৰ যুৱ ছাত্ৰই পৰীক্ষাগৃহত প্ৰৱেশ কৰে একোখন নোটবুক লৈ, প্ৰৱেশ কৰে একোখন ছুৰী লৈ যাতে তেওঁক 'নকল' কৰাৰ বিৰোধীতা কৰিবলৈ শিক্ষক বা শিক্ষয়িত্ৰী গৰাকী আগবাঢ়ি নাহে। আজিৰ ছাত্ৰই নকল ধৰাৰ অপৰাধত শিক্ষক-শিক্ষয়িত্ৰীক মাৰপিট কৰি বাতৰিৰ শিৰোনামা দখল কৰা কাৰ্য্যই আমাক শিক্ষাৰ পৰিবেশ আৰু শিক্ষাব্যৱস্থাযে অন্ধকাৰ গহ্বৰলৈ ধাৱমান হৈছে— তাৰ ইংগিত দিয়ে।

শিক্ষৰ পৰিবেশৰ ওপৰত অভিভাৱক সকলৰো প্ৰভাৱ অপৰিসীম। নিজ সন্তানে অধ্যয়ন কৰা শিক্ষানুষ্ঠানৰ শৈক্ষিক পৰিবেশৰ প্ৰতি আমাৰ অভিভাৱক সকল কিমান সজাগ সেইটো বিচাৰ্য্য বিষয়। আমাৰ অভিভাৱকসকলে কেৱল ল'ৰা-ছোৱালীক বিদ্যালয় বা মহাবিদ্যালয়লৈ পঠিয়াব পাৰিলেই দায়িত্ব শেষ বুলি ভাৱে। ইয়াৰ উপৰিও আমাৰ পৰিয়াল সমূহত এক অনুকূল শিক্ষাৰ পৰিবেশ গঢ়ি তুলিব পাৰিলেহে শিক্ষানুষ্ঠানসমূহৰ শৈক্ষিক পৰিবেশ উন্নত হ'ব বুলি আশা কৰিব পাৰি। কিন্তু দেখা যায় যে আমাৰ প্ৰায়ভাগ পৰিয়ালতে শিক্ষা গ্ৰহণৰ এক অনুকূল পৰিবেশৰ অভাৱ ঘটিছে। তথাকথিত আধুনিক সভ্যতাৰ সংগী হৈ পৰা অলেখ সা-সামগ্ৰীৰ অপ-প্ৰয়োগে আমাৰ সকলোতে এক অসুস্থ পৰিবেশৰ সৃষ্টি কৰিছে, তাৰ প্ৰভাৱ শৈক্ষিক পৰিবেশৰ ওপৰতো পৰিছে।

শিক্ষাৰ পৰিবেশৰ ওপৰত বিভাগীয় কৰ্তৃপক্ষ আৰু বিদ্যালয় পৰিচালনা সমিতি সমূহৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। দেখা যায় যে বিভাগীয় পৰিদৰ্শকসকলৰ সঘন আৰু যথোচিত পৰিদৰ্শনৰ বিপৰীতে পৰিদৰ্শনৰ অভাৱে শিক্ষানুষ্ঠানৰ পৰিবেশ অৱণতি ঘটাত অৰিহণা যোগাইছে। কাৰণ সঘন আৰু যথোচিত পৰিদৰ্শনে শিক্ষানুষ্ঠানৰ শৈক্ষিক পৰিবেশ উন্নতি কৰিব পাৰে। শিক্ষকৰ স্বাৰ্থৰ প্ৰতিকূলে যোৱা বিভাগীয় বিষয়াৰ নিৰ্দেশ আদিয়েও একোখন শিক্ষানুষ্ঠানৰ শিক্ষাৰ পৰিবেশত ব্যাঘাত জন্মায়। ইয়াৰ ওপৰিও বিদ্যালয়ৰ পৰিচালনা সমিতিবোৰেও অত্যুৎসাহিতা হৈ পৰিচয় দিবলৈ গৈ স্বৈৰতান্ত্ৰিক কাৰ্য্যকলাপত লিপ্ত হৈ পৰিছে। ফলত শিক্ষানুষ্ঠানৰ শৈক্ষিক পৰিবেশ ব্যাহত হৈছে।

বৰ্তমানৰ তথাকথিত সমাজ ব্যৱস্থাই শিক্ষাৰ পৰিবেশৰ ওপৰত প্ৰভাৱ পেলাইছে। সমাজৰ সকলো স্তৰতে আজি দুনীতিৰ প্ৰয়োভৱ। শিক্ষাৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত ব্যক্তি সকল যে ইয়াৰ

উৰ্দ্ধত নহয়— তাক অপাৰেচন ব্লেকবৰ্ড আঁচনিত কোটি কোটি টকীয়া কেলেঙ্কাৰী, শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত চলি থকা দুৰ্নীতি, অনিয়ম ইত্যাদি ঘটনাই প্ৰমাণ কৰে। ইয়াৰ উপৰিও দেখা যায় যে ১৯৯৫ চনৰ হাইস্কুল শেষান্ত পৰীক্ষাত অৱত্তীৰ্ণ হোৱা কেইবাজনো পৰীক্ষাৰ্থীৰ মাৰ্কশ্বিটত অসংখ্য ভুল। যেনে ৩০+২৩ = ১৫, ৫৮+৫৮ = ১৭ ইত্যাদি। এই ভুলবোৰে পৰীক্ষা পৰিচালনাৰ সৈতে জড়িত সকলৰ অক্ষমতা তথা যান্ত্ৰিক মনোভাৱৰ পৰিচয় দিছে। গতিকে এনে অবিবেচক আৰু অক্ষম লোকেৰে পৰিচালিত এখন সমাজৰ শৈক্ষিক পৰিবেশে কেনে হ'ব— সেয়া সহজে অনুমেয়।

বৰ্তমান সমাজত ধনী-দুখীয়াৰ মাজত গঢ়ি উঠা বিৰাট অৰ্থনৈতিক ব্যৱধানে সমাজত বৈষম্যৰ সৃষ্টিত অৰিহণা যোগাইছে। আমাৰ সমাজত ন্যায়-অন্যায়ৰ বিচাৰ নোহোৱা হৈছে। 'জোৰ যাৰ মুলুক তাৰ'— এনে এক চিত্ৰহে আমাৰ সমাজত পৰিস্ফুট হৈছে। মানৱীয় মূল্যবোধ আৰু প্ৰমূল্য সমূহৰ কোনো মূল্য নোহোৱা হৈ পৰিছে। আজিৰ সমাজত ন্যায়-নিষ্ঠা আৰু সততাক সাৰটি থকাজন উপহাসৰ হে পাত্ৰ হৈ পৰিছে। ধনতান্ত্ৰিক সমাজ ব্যৱস্থাত জ্ঞানতকৈ ধনক অধিক প্ৰাধান্য দিয়াত মানুহৰ জ্ঞানৰ দৌৰ সীমিত হৈ পৰিছে। এনে এটা অৱস্থাই আমাৰ শিক্ষানুষ্ঠান সমূহত সুস্থ শৈক্ষিক পৰিবেশ সৃষ্টিত অন্তৰায় হৈ থিয় দিছে।

দেশৰ ৰাজনৈতিক পৰিস্থিতিয়েও শিক্ষাৰ পৰিবেশৰ ওপৰত প্ৰভাৱ পেলায়। কাৰণ শিক্ষাৰ নীতি নিৰ্ধাৰণ আৰু ৰূপায়ণৰ ব্যৱস্থা ৰাজনৈতিক পৰ্য্যায়তহে কৰা হয়। এতেকে সুস্থ ৰাজনৈতিক অৱস্থাতহে সুস্থ আৰু অনুকূল শৈক্ষিক পৰিবেশ গঢ় লৈ উঠে। কিন্তু বৰ্তমান অসমৰ উত্তপ্ত ৰাজনৈতিক পৰিস্থিতিত শিক্ষানুষ্ঠানৰ শৈক্ষিক পৰিবেশ কোন পথে— সেই কথা অনুভৱশীল সকলে সহজে বুজিব।

আজিৰ ছাত্ৰসমাজৰ মাজত এক উশৃংখল মানসিকতাই গা-কৰি উঠিছে। আজিৰ ছাত্ৰ সমাজে 'ছাত্ৰানাং অধ্যয়নং তপঃ'— এই নীতি-বাক্যশাৰীক মানি চলাৰ বিপৰীতে তপঃ হিচাপে গ্ৰহণ কৰিছে। বিভিন্ন আপত্তিকৰ কাৰ্য্যকলাপত লিপ্ত হোৱাটোকে আজিৰ ছাত্ৰসমাজৰ একাংশ লিপ্ত হৈ পৰিছে শিক্ষানুষ্ঠানৰ বেৰত নাইবা প্ৰস্ৰাৱ ঘৰৰ বেৰত বিভিন্ন অশ্লীল শব্দ লিখনত। লিপ্ত হৈ পৰিছে শিক্ষানুষ্ঠানৰ বেঞ্চ-ডেক্স ভঙা, চুইচ-বৰ্ড ভঙা, শিক্ষানুষ্ঠানৰ বেৰ ভঙা ইত্যাদি প্ৰতিযোগিতাত। ইয়াৰ উপৰিও দেখা যায় যে বিদ্যালয় বা মহাবিদ্যালয় সমূহত 'ছাত্ৰ একতা সভা'খন গঠন কৰিবলৈ যি নিৰ্ব্বাচন অনুষ্ঠিত কৰা হয়— সেই অনুষ্ঠানে যে শৈক্ষিক পৰিবেশ বিনষ্ট কৰে— তাক প্ৰচাৰ মাধ্যমসমূহলৈ দৃষ্টি নিক্ষেপ কৰিলেই বুজা যায়।

এতিয়া এনে এটা যুগ সন্ধিক্ষণত প্ৰত্যেকেই আত্ম বিশ্লেষণৰ পথ লোৱাটোৱেই সকলোৰে পক্ষে মঙ্গলজনক হ'ব। বৰ্তমান শিক্ষাৰ পৰিবেশ বিনষ্ট হোৱাৰ বাবে এজনে আনজনক হকে-বিহকে দোষাৰোপ কৰি থকাতকৈ প্ৰত্যেকেই আত্মবিশ্লেষাণাত্মক দৃষ্টিভঙ্গীৰে নিজৰ দোষ-গুণবোৰ বাছি উলিয়াই দোষবোৰ পৰিত্যাগ কৰিবলৈ চেষ্টা কৰিলেহে এক সুস্থ শৈক্ষিক বাতাবৰণৰ সৃষ্টি হ'ব বুলি আশা কৰিব পাৰি। অন্যথাই পৰিস্থিতিয়ে আৰু বেছি বেয়ালৈহে গতি কৰিব।

এই ক্ষেত্ৰত "আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজক সমালোচনা কৰা। নিজে পৱিত্ৰ হলেহে আনৰ বিষয়ে মতামত দিব পাৰিবা।"— মহান দাৰ্শনিক চক্ৰেটিছৰ এই মহান বাক্যশাৰী আমাৰ সকলোৰে বাবে গ্ৰহণযোগ্য। ■

আঠু কাঢ়ি থকা এজন ভদ্ৰলোকতকৈ নিজৰ ভৰিৰ ওপৰত থিয় হৈ থকা এজন চহা, হোজা মানুহ অধিক শ্ৰদ্ধাৰ যোগ্য

—বেঞ্জামিন ফ্ৰেংকলিন

# নতুন প্ৰতিভাৰ সন্ধানত যুৱ-মহোৎসৱ

ৰফিক মহম্মদ হুছেইন
ডিগবৈ মহাবিদ্যালয়

এদিন আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাত একালৰ মোৰেই মৰমৰ ছাত্ৰ আৰু বৰ্ত্তমানৰ সহকৰ্মী আৰু তেতিয়াৰ সঙ্গীত বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীমহেন্দ্ৰ ভৰালী বৰুৱাই বৰ আগ্ৰহেৰে উত্থাপন কৰিছিল এটি প্ৰস্তাৱ। প্ৰস্তাৱৰ মৰ্ম এয়ে যে নতুন প্ৰতিভাৰ সন্ধানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ১৯৯২ চনৰ পৰা পাতি অহা যুৱ মহোৎসৱ আমাৰ মহাবিদ্যালয়তো অনুষ্ঠিত কৰিব লাগে। অনুষ্ঠিত কৰিব লাগে এইবাবেই যে উজনি অসমৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ লগত আমাৰ মহাবিদ্যালয়ৰ চা-চিনাকী হ'ব লাগে আৰু লগতে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বুজি পাব লাগে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আনবোৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সঙ্গীত আৰু নাটকৰ চিন্তা-চৰ্চা আৰু অনুশীলনৰ ঢাল কিমান উন্নত। কথাষাৰ বহুতে ভাল পালে-ময়ো মনতে পুহি থলোঁ। ছাত্ৰ একতা সভায়ো প্ৰস্তাৱটো ভাল পালে আৰু সেই মৰ্মে প্ৰস্তাৱ গ্ৰহণ কৰি বিশ্ববিদ্যালয়লৈ প্ৰেৰণ কৰিলে।

বিষয়টো ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ Sports Board অৰ সভাত মই উত্থাপন কৰিলোঁ। মোৰ লগতে কেন্দ্ৰীয় মহাবিদ্যালয়ে যুৱ মহোৎসৱ পতাৰ প্ৰস্তাৱ আগবঢ়াইছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য মাননীয় শ্ৰীমুকুন্দ মাধৱ শৰ্মা চাৰে জনালে যে এইবাৰ ডিগবৈ মহাবিদ্যালয়ত যুৱ মহোৎসৱ পতা যাওঁক—অহা বছৰলৈ কেন্দ্ৰীয় মহাবিদ্যালয়ত পতা যাব। সকলোৱে তাতে হয়-ভৰ দিলে আৰু তেনেকৈয়ে ডিগবৈ মহাবিদ্যালয়ত যুৱ মহোৎসৱ পতাতো থিৰাং হ'ল।

১৯৯৫ চনৰ ১০, ১১ আৰু ১২ নবেম্বৰ তাৰিখে তিনিদিনীয়াকৈ যুৱ-মহোৎসৱ পতাৰ প্ৰস্তুতিৰ বাবে আমাৰ ভিতৰতে চিন্তা-চৰ্চা হবলৈ ধৰিলে। আৰ্থিক দিশত দুৰ্বল হলেও আমাৰ মহাবিদ্যালয়ৰ সহকৰ্মী শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ ঐকান্তিক সহযোগিতাকে অৱলম্বন হিচাবে লৈ যুৱ-মহোৎসৱ পতাৰ সিদ্ধান্ত বাস্তৱত ৰূপান্তৰিত কৰাৰ মানসেৰে আমি প্ৰস্তুতি আৰম্ভ কৰিলোঁ। অগাপিছাকৈ আমাৰ মহাবিদ্যালয়ে উৎযাপন কৰি অহা মহাবিদ্যালয় ৰূপালী জয়ন্তী, আৰু অসম কলেজ শিক্ষক সংস্থাৰ অধিবেশন কৃতকাৰ্য্যতাৰে পালন কৰিব পৰাৰ স্মৃতিয়ে আমাক উদগণি দিবলৈ ধৰিলে। বিশ্ববিদ্যালয়ৰ পক্ষৰ পৰা আমাক দিহা-পৰামৰ্শ দিবলৈ আগবাঢ়ি আহিল শ্ৰীবিজন দত্ত আৰু শ্ৰীথানেশ্বৰ শইকীয়াদেৱে। এখেতসকলৰ সহযোগত গঠন কৰা হ'ল— এখনি যুৱ মহোৎসৱ পালন সমিতি। ছাত্ৰ-ছাত্ৰীক আহ্বায়ক হিচাবে লৈ গঠন হল খাদ্য, পৰিবহন, সঙ্গীত, নাটক, ব্যৱস্থাপনা আদিৰ বিভিন্ন সমিতিসমূহ। সকলো ক্ষেত্ৰতে আমাৰ শিক্ষকসকল জড়িত হৈ পৰিল। সম্পাদক নিৰ্বাচিত হ'ল শ্ৰীসমৰেন্দ্ৰ ভাগৱতী এনেবোৰ কামত প্ৰথম অৱস্থাত আৰ্থিক চিন্তাই আমাক চিন্তান্বিত কৰিছিল। ডিব্ৰুগড় Sports Board এ ত্ৰিশ হেজাৰ টকা দিবলৈ গাত ললে। "যুৱতৰঙ্গ" নাম দি এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ পৰিকল্পনা হাতত লোৱা হ'ল— আৰু সচৰাচৰ হোৱাৰ দৰেই স্মৃতিগ্ৰন্থত বিজ্ঞাপন সংগ্ৰহ কৰি পুঁজি সংগ্ৰহৰ উপায় উলিওৱা হ'ল। অসম তেল নিগম আৰু মাৰ্ঘেৰিটা প্লাই বোৰ্ড ফেক্টৰীৰ কাষ চপা হ'ল— স্থানীয় ৰাইজেও সহায়ৰ হাত আগবঢ়ালে— এনেদৰে লাগতিয়াল পুঁজি গঠন কৰি আমাৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে হাতে-কামে লাগি মহোৎসৱ পালনৰ দিহা সম্পূৰ্ণ কৰি তুলিলে।

৯ নবেম্বৰৰ পৰাই বিভিন্ন মহাবিদ্যালয়ৰ পৰা প্ৰতিযোগীসকল আহিবলৈ ধৰিলে। ৩৫খন মহাবিদ্যালয়ৰ ৩৫৪ জন ছাত্ৰ আৰু ১৮৫ গৰাকী ছাত্ৰী আৰু ভাৰপ্ৰাপ্ত অধ্যাপক অধ্যাপিকাসকলে যোগ দিলেহি। আমি ভবাতকৈ প্ৰতিযোগীৰ সংখ্যা কিছু

অধিক হ'ল— কিছুমানৰ কিছু কিছু অসুবিধাও হ'ল যদিও কোনেও একো নকলে— হাঁহি হাঁহি সুখৰ দুখৰ সমভাগী হৈ তিনিদিন বৰ্ত্তিলে।

প্ৰতিযোগীতাও ভাগে ভাগে দুখন মঞ্চত সমান্তৰাল ভাৱে আৰম্ভ হ'ল। বিচাৰকসকল আহিল, আলহী-অতিথি আহিল মুঠতে উদুলি মুদুলি ভাব। প্ৰতিযোগীসকলে লগতে লৈ আহিল অবিৰাম বৰষুণ আৰু বৰষুণ। বাট-পথ পিছল হ'ল কিন্তু বিজুলীৰ গাজনি আৰু অবিশ্ৰাম বৰষুণ নেওচিও দিনে নিশাই দৰ্শকৰ ভীৰ প্ৰেক্ষাগৃহত কমা দেখা নাপালোঁ।

ব্যৱস্থাপনাত ব্যস্ত থাকিবলগীয়া হোৱা হেতুকে মই প্ৰতিযোগীতাসমূহ ভালদৰে নেদেখিলোঁ—। কিন্তু যি কেইদিন চালো তাৰপৰাই অনুভৱ কৰিব পাৰিলোঁ আমাৰ দেশত উঠি অহা ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা আছে অনুশীলনো আছে মাথোন যোগ্যতাৰ স্বীকৃতি সকলো ক্ষেত্ৰতে নাই। অন্ততঃ এই মহোৎসৱ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলৰ প্ৰতিভাৰ স্বাক্ষৰ বুলি মই অনুভৱ কৰোঁ— আৰু সেই ক্ষেত্ৰত দূৰ-দৰ্শন বা অনাতাঁৰ বিভাগৰ পৰা কিছুমান অনুষ্ঠান বানীবদ্ধ বা কেমেৰাবদ্ধ কৰি নিলে ছাত্ৰ-ছাত্ৰীসকলৰ উদিত প্ৰতিভাৰ কিছু স্বীকৃতি দিয়া হলহেঁতেন। আমাৰ পক্ষৰ পৰা দূৰদৰ্শনৰ লগত যোগাযোগ কৰিবলৈ চেষ্টা কৰা হৈছিল— কিন্তু কথাটো নহলগৈ—পলম হ'ল বুলি জনালে।

নাটকৰ প্ৰতিযোগীতাত সৰ্বশ্ৰেষ্ঠ বুলি বিবেচিত নাটক হ'ল— ডি. কে. ডি. কলেজৰ "এজন পুলিচ বিষয়া অহাৰ পিছত।" এইখন নাটকৰ পৰিচালক শ্ৰীশৰৎ বৰুৱাই শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰে। বছৰৰ সৰ্বশ্ৰেষ্ঠ নাটক তিনিচুকীয়া কলেজৰ শ্ৰীশ্যাম সুন্দৰ খাউণ্ড আৰু শ্ৰেষ্ঠা অভিনেত্ৰী মৰিয়নী কলেজৰ "গ্ৰহণ" নাটকৰ শ্ৰীমতী দীপিকা দত্ত।

যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ তনুশ্ৰী দাসে বছৰৰ শ্ৰেষ্ঠ গায়িকাৰ সন্মান লাভ কৰে। আমাৰ মহাবিদ্যালয়ৰ শ্ৰীমতী জিণ্টি দাস, সৰ্বানী ব্ৰহ্মচাৰী আৰু জেষ্টোজিত পুৰকায়স্থ বিশেষ কৃতিত্ব অৰ্জন কৰে আৰু গাইগুটীয়া পুৰস্কাৰ লাভ কৰে। আমাৰ মহাবিদ্যালয়ে সঙ্গীত বিভাগত শ্ৰেষ্ঠ দল হিচাবে পৰিগণিত হয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠ ছাত্ৰ সন্থাৰ সন্মানো আমাৰ মহাবিদ্যালয়ে লাভ কৰে। তবলা-বেহেলা খোল আদি বাদ্য যন্ত্ৰৰ প্ৰতিযোগীতাও উচ্চ মানৰ হৈছিল।

আমাৰ মহাবিদ্যালয় খনিক লৈ মই সদায়ে গৰ্ব অনুভৱ কৰোঁ— এবছৰৰ পিছত অৱসৰ লোৱাৰ দিনটোৰ পিছটো এই মহাবিদ্যালয়ৰ প্ৰতি মোৰ যি গৰ্ব ভাৱ সি যেন অক্ষুণ্ণ থাকে তাকে কামনা কৰো। ■

---

তুমি অসমীয়া ডেকা। মই কেনেকৈ জানিম ?
তোমাৰ পোছাকত অসমীয়া ডেকাৰ চিন নাই।
তোমাৰ চলন-ফুৰণত অসমীয়া ভংগী নাই
আৰু তুমি শুদ্ধকৈ অসমীয়া ক'ব পৰা নাই।
তেন্তে তুমি অসমীয়া বুলি কিয় চিনাকি দিয়া।
আনক অসমীয়া হোৱাৰ চিন্তা কৰাৰ
আগতে নিজে অসমীয়া হোৱাৰ চিন্তা কৰা।

—বসৰাজ

# ৰঘুনাথ চৌধাৰীৰ প্ৰকৃতি প্ৰেম

শ্ৰীপবিত্ৰ বৰগোহাঁই
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক (কলা)

ৰোমাণ্টিক কবি, বিহগী কবি আৰু প্ৰকৃতি কবি হিচাপে বিখ্যাত ৰঘুনাথ চৌধাৰী অসমৰ কাব্য-সাহিত্যৰ ধ্ৰুৱতৰা সদৃশ। কবিৰ কাব্য গ্ৰন্থৰ সংখ্যা যদিও বেছি নহয়, তথাপি যি কেইখন ৰচনা কৰিছিল সেইকেইখনৰ মাজেদিয়েই কবিৰ কাব্য প্ৰতিভা অতি উজ্বল ভাৱে বিকশিত হৈ পৰিছে। চৌধাৰী দেৱৰ প্ৰথম কবিতা পুথি হ'ল "সাদৰী" ১৯১০ চনত প্ৰকাশিত হয়। ইয়াৰ পিছত ক্ৰমে 'দহিকতৰা' (১৯১৮), নৱমল্লিকা (১৯১৮) কাৰবালা (১৯২৩) কেতেকী (১৯৩৮) আদি বিভিন্ন কবিতা পুথি ছপা হৈ ওলায়। এই সমগ্ৰ কবিতা সমূহৰ মাজেদি কবিৰ বিচিত্ৰ আৰু অনুভূতিৰ ভাৱ প্ৰতিফলন হোৱা দেখিবলৈ পোৱা যায়।

কবি চৌধাৰী প্ৰকৃতিপ্ৰিয়। প্ৰকৃতিৰ ৰূপসুধা পান কৰি কৰিয়েই যেন তেখেত বিয়াকুল। কবিয়ে প্ৰকৃতিৰ বুকুতেই যেন তেওঁৰ সৃষ্টিৰ সমল বিচাৰি পাইছিল। প্ৰকৃতিৰ বিষয়ে তেখেতে এইদৰে কৈছিল— "যুগ যুগ ধৰি অনুসন্ধিৎসু মানৱ জাতিয়ে শিল্প, কলা আৰু বিজ্ঞানৰ অমূল্য সম্পদ ৰাজি প্ৰকৃতিৰ পৰাই আহৰণ কৰি লবলৈ সমৰ্থ হৈছে। প্ৰকৃতিক বাদ দি বাস্তৱ সাহিত্য সৃষ্টি হ'ব নোৱাৰে। মানৱ জীৱনৰ লগত প্ৰকৃতি আৰু সাহিত্যৰ এক নিবিড় সম্বন্ধ আছে।" চৌধাৰী দেৱৰ কবিতা সমূহৰ মাজেদি নিগৰি ওলোৱা প্ৰকৃতি প্ৰেমৰ মৌ ৰস পান কৰিবলৈ যোৱাৰ আগতে আমি মন কৰিব লাগিব যে প্ৰকৃতি বিষয়ক কবিতাক সাধাৰণতে দুটা ভাগত ভাগ কৰিব পাৰি। এটি হ'ল প্ৰকৃতিৰ বিভিন্ন সম্ভাৰক লৈ ৰচনা কৰা কবিতা আৰু আনটো চৰাই জীৱনক লৈ ৰচনা কৰা কবিতা।

এই দুয়োটা দিশৰ মাজেদি কবিয়ে সাহিত্যপ্ৰেমীৰ মাজত প্ৰেম মন্দাকিনীৰ সোঁত বোৱাবলৈ সমৰ্থ হ'ব পাৰিছে। কবিৰ প্ৰকৃতি বিষয়ক কবিতাসমূহৰ ভিতৰত বশিষ্ঠাশ্ৰম, গিৰিমল্লিকা আদি আৰু চৰাই কবিতা সমূহৰ ভিতৰত মৰমৰ পখী, দহিকতৰা, গোৱা হে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী ইত্যাদি। ফল আৰু চৰাই চৌধাৰী কবিতাৰ প্ৰাণ। সৰুৰে পৰাই প্ৰকৃতিৰ প্ৰতি কবিৰ এক অহেতুক আকৰ্ষণ আছিল। সংবেদনশীল চৌধাৰীদেৱক প্ৰকৃতিৰ দৃশ্যৰাজিয়ে কেতিয়াবা হঠাতে এনেদৰে আকৰ্ষিত কৰে যে কবিয়ে তাক ছন্দোবদ্ধ ভাৱে প্ৰকাশ নকৰাকৈ শান্তি নাপায়। পূৱাৰ এটি অপৰূপ সৌন্দৰ্য্যই কবিক আনন্দময় কৰি তোলে। যাক তেওঁ কবিতাৰ মাজেৰে কুসুম মালাৰূপে ৰচনা কৰিলে।

প্ৰতি গছে গছে          লতাই লতাই
নবীন মাধুৰী খেলে
অব্যক্ত আৰাৱ          শুনি বিহঙ্গঁৰ
নাচে প্ৰাণ তালে তালে।
শেৱালি বকুল          ৰাশি ৰাশি ফুল
ফুলিছে কানন ভৰি
প্ৰেম আলিঙ্গন          কৰিছে ধৰাক
দুবৰি বনত পৰি।

"আৱাহন" *(সাদৰী)*

সেইদৰে কেতেকীৰ আগমনত—

নানা তৰহৰ          সুগন্ধি কুসুম
সুৰঞ্জিত কৰি বন।
জনাইছে কাক          গুপ্ত হৃদয়ৰ
প্ৰীতিভৰা সম্ভাষন।

সেইদৰে কোনো এক প্ৰভাতত প্ৰকৃতি দেৱী কবিৰ সন্মুখত অনন্যাৰূপে ধৰা দিলে।

শোভে শ্যামকুঞ্জে          কুঞ্জে ফুল্ল কুসুমত
হিমানীৰ ধৱল কিৰীটি
দেৱ দিব্যাঙ্গনা সৱে          পুষ্পপাত্ৰ লৈ
কৰিছেহি মংগল আৰতি!

তৰু-তৃণ-লতিকাৰ পল্লৱে পল্লৱে
মুঞ্জৰিল কুসুম স্তৱক,
প্ৰমোদ বনতো আহা স্নিগ্ধ পৰিমল
বিতাৰিছে কুন্দ কুৰ্বক।

চৌধাৰীৰ নিপুন হাতত প্ৰকৃতি জীৱন্ত হৈ পৰিছে। আকৌ "গোলাপ" নামৰ কবিতাত লিখিছে—

কাৰ পৰশত ফুলিলি বান্ধৈ
অ' মোৰ সাদৰী ফুলাম পাহি
শ্যামলী পাতৰ ওৰণি গুচাই
কাৰ ফালে চাই মাৰিলি হাঁহি।

তেনেদৰে "শ্যাম কুঞ্জছায়াৰে পৰিকৃত ৰঙ্গমঞ্চৰ পৰা সুৰাগী কেতেকী পাহিটিয়েও এবাৰ ওৰণিখন আঁতৰাই কেৰাহিক চাই ললে।" চন্দ্ৰমল্লিকা (নৰমল্লিকা)

আকৌ প্ৰকৃতিৰ বৰ্ণনাৰ আন এটি অনুপম উদাহৰণ—

লুইতৰ কাণে কাণে কহুৱাৰ ফুল
বতাহত হালি জালি
টৌৱে টৌৱে টৌ খেলি
তুষাৰ ধৱল কান্তি ধৰিছে বিপুল
যেন সুৰ তৰঙ্গিণী পুলকে আকুল।

মুঠতে বাণীকান্ত কাকতিদেৱে কবৰ দৰে কবিৰ— "প্ৰত্যেকটো প্ৰাকৃতিক বৰ্ণনাই প্ৰাণৰ বহুকলীয়া সঞ্চিত অনুভূতিৰ ৰূপহ বিকাশ।"

বসন্তক "ঋতুৰাজ" আখ্যা দিয়া হয়। শংকৰদেৱৰ বৰ্ণনাত আছে—

ছয়ঋতু এককালে বসন্ত উদয়
ভ্ৰমৰে গুঞ্জৰে কুলি পঞ্চম পুৰয়।

বসন্ত কালত গছে-বনে ফুলে-ফলে জাতিষ্কাৰ হৈ পৰে। প্ৰকৃতিদেৱীয়ে ন-সাজত সাজোন কাজ। প্ৰকৃতিৰ অনুপম সৌন্দৰ্য্যত কবিসকল অভিভূত হৈ পৰে।

বসন্ত আহিল, আমে মলিয়ালে,
কঠালে পেলালে মুচি
মদাপলি কুলি তোকে চাবলৈ
আহিছে মুৰটো চুচি।

চৌধাৰীৰ কবিতাত প্ৰকৃতি জীৱন্ত, প্ৰকৃতি অনুভূতি সম্পন্ন ৰূপে বৰ্ণিত হৈছে।

জড় জগতত জীৱ জগতত
পাঁত সকলোতে দেখা
মহাবিশ্বজুৰি বিৰঙিছে যেন
আনন্দৰ পূৰ্ণ ৰেখা।

প্ৰকৃতিৰ সৌন্দৰ্য্য ৰাশিয়ে মানৱ মনত আনন্দৰ জোৱাৰ তুলি যাতে জ্ঞান দিব পাৰে তাক কবিয়ে বাঞ্ছা কৰিছে আৰু লিখিছে—

শিকোৱা ধৰম নীতি কৰিছো গোহাৰি
হৃদয়ত লভো দিব্য জ্ঞান। (ভেটকলি)

"বৈচিত্ৰ্য পূৰ্ণ মানৱজগতখনৰ মানসিক দুৰ্বলতা, অসংযত চিত্তৰ ব্যাকুলতাক তোমাৰ দীপ্তিৰ মহিয়সী শক্তিয়ে সংযতভাৱে চলিবলৈ যি দিব্যজ্ঞান দিছে, সি চিন্তাৰ অতীত।"—ফুল (নৰমল্লিকা)

ৰঘুনাথ চৌধাৰীদেৱে চৰাইক কেন্দ্ৰ কৰি ভালেমান কবিতা ৰচনা কৰা বাবে 'বিহগী কবি' হিচাপে তেওঁ অসম প্ৰখ্যাত। তেওঁ কবিতা সঙ্কলন "সাদৰীত" প্ৰিয় বিহঙ্গিনী" 'কেতেকী চৰাই', আৰু 'মৰমৰ পক্ষী' নামৰ তিনিটি চুটি চৰাই কবিতা প্ৰকাশ কৰে।

অকণমান চৰাইটি কবিৰ বাবে কোমলতা পৱিত্ৰতাৰ উজ্বল স্বাক্ষৰ। কবিয়ে ইয়াৰ মাজেদি মানৱ মনৰ কোমলতা পৱিত্ৰতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। চৰাই প্ৰতি থকা কবিৰ আনন্দ উচ্ছাসৰ লগতে পাঠকো তন্ময় হয়। দহিকতৰাৰ মাতত যেন জগতত বিমল আনন্দৰ ধাৰা ছুটিয়াই দিলে—

কোনেনো পঠালে তোক কলকণ্ঠি কৰি
পূবে দিলে ধলফাট
মাতিলি সুৱদি মাত
শীতলী মলয়া বাবে দিলে পাল তৰি
প্ৰকৃতিৰ নিস্তব্ধতা গ'ল ভেদ কৰি।

"কেতেকী" কাব্য কবিৰ নিপুণ ভাৱ অনুভূতি আৰু কাব্য ৰীতিৰ মণিকাঞ্চন গঢ়ি উঠা কাব্য। কেতেকীৰ মাতত কবিৰ ভাৱ সাগৰতে একমাত্ৰ টৌ উঠা নাই, জগত ভৰি ফুলে-ফলে জাতিষ্কাৰ হৈ পৰিছে।

কেতেকীৰ সুৰৰ মূৰ্চ্চনাত ৰূপ আৰু গন্ধৰ জগত বিকশি কবিৰ প্ৰাণত অফুৰন্ত আনন্দই দেখা দিলে। আনকি তেওঁ নিজেই কৈছে— "বাস্তৱতে কেতেকীৰ এই মাতে মোক যি ধৰণে চঞ্চল কৰি তোলে আন

একোৱে তেনে কবিব নোৱাৰে।"

কেতেকীক কবিয়ে মিলনৰ প্ৰতীক ৰূপে বৰ্ণনা কৰিছে। কবিৰ অন্তৰত একমাত্ৰ কেতেকীয়েহে শান্তি দিব পাৰিছিল। বেদনা পূৰ্ণ জীৱনত কেতেকী সাধনাৰ ধন। এয়েইহে মোৰ জীৱনৰ লগৰী আদি বাসনাৰ ধন। ওৱৰ্ডছৱৰ্থৰ কুলি চৰাইৰ দৰে চৌধাৰীদেৱে বাস্তৱ জীৱনত যদিও কেতেকীক বন্দী কৰি ৰাখিব পৰা নাই তথাপি তাৰ ললিত সুৰে পৰমজনক সন্ধান দিয়ে।

এই কেতেকীৰ বিষয়ে লক্ষ্মীনাথ বেজবৰুৱাই বাঁহীত এইদৰে লিখিছিল— "যদি অসমীয়াই বিশ্ব সাহিত্যৰ মন্দিৰলৈ যাব খোজে তেন্তে এই কেতেকীফুল পাহিকে লৈ যাব পাৰে।"

চৌধাৰীদেৱে মনৰ ক্ষুধা নিবাৰণৰ বাবে কল্পনাৰ কোঁহে কোঁহে ভাৱ-অনুভূতিৰ মাপকাঠি ফুল আৰু চৰাইক লৈ অমৰ কাব্যৰাজি ৰচনা কৰাৰ উপৰিও তেখেতে প্ৰকৃতিক জীয়া অৱদানেৰে সৃষ্টি কৰিছিল নানা সামগ্ৰী। তাৰেই উজ্জ্বল চানেকি চৌধাৰীদেৱৰ বীৰকুছিৰ কৃষিপাম। চৌধাৰীদেৱে বীৰকুছিত এখন সুন্দৰ কৃষিপাম খুলিছিল।

তেখেতৰ কৃষিপাম চাই গোপীনাথ বৰদলৈ এইদৰে কৈছিল— "আপোনাৰ পামলৈ গৈ বুজিলো আপুনি অকল কবিতাকে নিলিখে কবিতা সৃষ্টি কৰে।"

গতিকে বৰদলৈ দেৱৰ লগতে আমি সুৰ মিলাই ক'ব খোজো—

সংসাৰ মৰুত তুমি
আছিলা উমলি
ৰিক্ত হিয়াৰ মাজেৰে
কবিতা মালা গাঁঠি গাঁঠি।
যদিওৱা, কালৰ সোঁতত তুমি
গ'লা উটি ভাহি।
তথাপি তোমাৰ সেই
অম্লান স্মৃতি
সাহিত্য প্ৰেমীৰ মাজত
থাকিব জিলিকি। ■

---

✧ ✧ ✧

শিক্ষাৰ শিপাডাল বৰ তিতা কিন্তু ইয়াৰ ফলবোৰ বৰ মিঠা

—এৰিষ্টটল

✧ ✧ ✧

# সেউজ বিপ্লৱ আৰু আমাৰ ভৱিষ্যত

অপূৰ্ব হাজৰিকা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

*Green Revolution is our blood, our life, our only festival—*

"মানুহবোৰে যদি ৰুটি খাব পোৱা নাই তেন্তে সিহঁতে কেক নাখায় কিয়? প্ৰশ্ন কৰিছিল ফৰাচী সম্ৰাজ্ঞী আতনিয়েটে। ফ্ৰান্সৰ ক্ষুধিত জনতাই সেই প্ৰশ্নৰ উত্তৰ দিছিল নৰৰক্ত পান কৰি। আজি অসমতো খাদ্য সংকটে তীব্ৰ ৰূপ ধাৰণ কৰিছে। খাদ্যৰ অভাৱত মানুহে অখাদ্য ভক্ষণ কৰিছে। খাদ্যৰ এই সংকটৰ পৰা ৰক্ষা পোৱাৰ একমাত্ৰ উপায় "সেউজ বিপ্লৱ"। বিপ্লৱ মানে ৰূপান্তৰ। খাদ্যশস্যৰ ক্ষেত্ৰত এনে এক ৰূপান্তৰ অসমত ঘটাব লাগিব, যাৰ ফলশ্ৰুতিত অসম তথা ভাৰতবৰ্ষৰ সেউজ বুকু শস্যৰ প্ৰাচুৰ্য্যতাৰে ভৰি পৰিব।

সেউজ বিপ্লৱ আজিৰ যুগৰ এক পৰিচিত শব্দ। জন বিস্ফোৰণৰ ফলত সৃষ্টি হোৱা বিপুলাতয়ন জনসংখ্যাক খাদ্য যোগাবলৈ বিজ্ঞান সম্মতভাৱে উন্নত সঁচৰ খেতি কৰাৰ প্ৰচেষ্টাই হৈছে সেউজ বিপ্লৱ। ষাঠি দশকৰ মাজ ভাগত গঢ়ি উঠা সেউজ বিপ্লৱ আচলতে উন্নত বীজ, ৰাসায়নিক সাৰ, কীটনাশক দ্ৰব্য আদিৰ সমাবেশত গঢ়ি উঠা কৃষিৰ এক নতুন কৌশল। পৃথিৱীৰ প্ৰায় আধাতকৈও বেছি মানুহে ভাত খাই জীৱন ধাৰণ কৰে। কিন্তু আৱশ্যকীয় পৰিমাণে ধানৰ উৎপাদন নোহোৱাত ইয়াৰ বিকল্প হিচাপে ঘেঁহু, যৱ আদিৰ খেতি কৰিব লগীয়াত পৰিল। যাৰ ফলত পৃথিৱীত খাদ্যাভাৱ আঁতৰি গ'ল। এই ঘেঁহুৰ প্ৰৱৰ্ত্তনে পৃথিৱীত এক নতুন পথৰ সন্ধান দিয়ে।

ষাঠি দশকৰ মাজভাগত আমেৰিকাৰ কৃষি বিজ্ঞানী ডঃ নৰ্মান ব'ৰলাগে অধিক ফচলশীল ঘেঁহু উৎপাদনৰ কৌশল উলিয়াইছিল। সেই সময়ত ভাৰতত একেৰাহে শস্যৰ উৎপাদন কেইবাবছৰো ধৰি কমি গৈছিল। সেয়ে ভাৰতত কৃষি বিজ্ঞানী ড° এম. এচ. স্বামীনাথনে শস্যৰ উৎপাদন বঢ়োৱাৰ চেষ্টা কৰি, তেওঁৰ উদ্যোগতে ভাৰত চৰকাৰৰ সহযোগত ১৯৬২ চনত ডঃ ব'ৰলাগক ভাৰতলৈ নিমন্ত্ৰণ কৰি আনিলে।

ভাৰতলৈ মেক্সিকৰ পৰা উন্নত জাতৰ ঘেঁহুৰ জাৰ্মপ্লাজম আনি পৰীক্ষামূলক ভাবে ঘেঁহুৰ সংকৰণৰ কাম আৰম্ভ কৰা হয়। তাৰ ফলতেই ১৯৬৪ চনত লাৰ্মা ৰ'জ- 64ৰ A আৰু সোণাৰা 64 ৰ বীজ ভাৰত চৰকাৰে কৃষকক দিব পাৰিলে। আকৌ নতুন জাত উলিয়ালে জয়া, পদ্মা আদি। ধানৰ সংকৰণৰ বাবেও প্ৰচেষ্টা চলাই পুছা ২-২১ আৰু সবৰমতী নামে দুবিধ ধান উলিয়াই। পুছা ২-২১ৰ খেতি প্ৰায় ৩ মাহত উঠে। সবৰমতী ধানৰ বাছমতীৰ দৰে এবিধ সুগন্ধ আছে দুয়োবিধ ধানেই চুটি, অধিক উৎপাদনক্ষম আৰু সাৰ সুগ্ৰাহী। সেউজ বিপ্লৱৰ পৰা খাদ্য শস্যৰ পৰিমান ১৯৫০-৫১ চনৰ ৬০ নিযুত টনৰ পৰা ১৯৮৪ চনৰ ভিতৰত ১৫০ নিযুত টনলৈ বৃদ্ধি পায়। এই বৃদ্ধিৰ ফলত ভাৰত চৰকাৰে খাদ্য শস্যৰ ক্ষেত্ৰত স্বাৱলম্বিতা অৰ্জন কৰিব পাৰিছে যদিও দেশৰ বেছিভাগ ঠাইৰ পৰা ভোক আৰু পুষ্টিহীনতা গুছাব পৰা নাই। এই সময়ছোৱাত কৃষি মাটিৰ পৰিমাণ বাঢ়ে শতকৰা ২৫ ভাগ। প্ৰতি হেক্টৰত খাদ্যৰ পৰিমাণ দুগুণতকৈ বৃদ্ধি পায় প্ৰায় ১৯৭১ চনৰ পৰা ১৯৮১ চনৰ ভিতৰত বৈদ্যুতিক মটৰৰ সংখ্যা বাঢ়ে ১৮৮% ডিজেল ইঞ্জিনৰ সংখ্যা বাঢ়ে ১৭৫% টেক্টৰৰ পৰিমাণ বাঢ়ে ২৭২%। তদুপৰি উন্নত বীজ ব্যৱহৃত মাটিৰ সংখ্যা বাঢ়ে ২১২%। সাৰৰ প্ৰয়োগ বাঢ়ে ১৫৫%।

তেল, কয়লা, চাহ আদি অজস্ৰ খনিজ সম্পদৰ প্ৰয়োভৰ থকা সত্বেও অসমৰ অৰ্থনীতিমূলক কৃষিভিত্তিক। অসমৰ মুঠ জনসংখ্যাৰ শতকৰা ৭০ ভাগ লোক গাঁৱত বাস কৰে। এওঁলোকৰ প্ৰায় ৫৫ ভাগেই গ্ৰামীন কৃষি পদ্ধতিৰ দ্বাৰা খেতি কৰে।

অসমৰ মুঠ মাটি কালিৰ ৭৮ লাখ ৫২ হাজাৰ হেক্টৰৰ ভিতৰত ২৭ লাখ ৬ হাজাৰ হেক্টৰ মাটিতহে শুদ্ধ খেতি কৰা হয়। ইয়াৰে আকৌ ৭ লাখ ৫৪ হাজাৰ হেক্টৰ মাটিতহে এবাৰতকৈ বেছি খেতি কৰা হয়।

অসমৰ জনমূৰি ৩৭০ গ্ৰামকৈ ধৰি ললে অসমক ১৯৯০-৯১ চনত প্ৰয়োজন হৈছিল ৩৬ লাখ খাদ্য শস্যৰ। কিন্তু তাতকৈ বহু কম খাদ্য শস্যৰ উৎপাদন হৈছিল। এইদৰে প্ৰতিবছৰে অসমখনলৈ ১৫০০ৰ পৰা ১৮০০ কৌটি টকাৰ খাদ্যশস্য আমদানী কৰিবলগীয়া হয়। কেৱল খাদ্যৰ বাবেই ইমান টকা ওলাই যাবলগীয়া হোৱাত অসমৰ অৰ্থনীতিত ই গভীৰ প্ৰভাৱ পেলাইছে। স্বাধীনতাৰ পিছত অসমত ১৯৫০-৫১ চনৰপৰা ১৯৯০-৯১ চনলৈ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ ২.২%ৰপৰা ২.৭% আনহাতে এই সময়ছোৱাত খাদ্য শস্যৰ উৎপাদন ২.৯%ৰ পৰা ২.২%লৈ হ্ৰাস পাইছে। আকৌ ৰাজনৈতিক পুনৰ গঠনৰ ফলত ভৌগলিক আয়তন ৪৪% হ্ৰাস পালে। কিন্তু জনসংখ্যা কমিল মাত্ৰ ১১%। কৃষিৰ নিম্ন মানৰ উৎপাদনেই অসমৰ অৰ্থনীতিত গভীৰ প্ৰভাৱ পেলাইছে। লগে লগে স্বাভাৱিক ভাৱেই অসমৰ জীৱন ধাৰণৰ মানদণ্ডতো প্ৰভাৱ পৰিছে। সৰ্বভাৰতীয় মানদণ্ডৰ তুলনাত অসমৰ অৰ্থনৈতিক মানদণ্ড আটাইতকৈ নিম্নমানৰ তাক পৰিসংখ্যাটোৰ পৰাই জানিব পাৰি। ভাৰতীয় অৰ্থনীতি বিষয়ক মৌলিক পৰিসংখ্যা মতে ১৯৮৮-৮৯ চনত অসমৰ জনমূৰি আয় আছিল ১৫৫৪ টকা। সৰ্বভাৰতীয় ২০৮২ টকা আৰু পঞ্জাৱত ৩৫৫২ টকা। ভাৰতৰ আটাইতকৈ সমৃদ্ধিশালী ৰাজ্য পঞ্জাৱৰ অৰ্থনীতি কৃষিভিত্তিকহে। পঞ্জাৱে অকল কৃষি ক্ষেত্ৰতে বিপুল উন্নতি সাধন কৰি সেউজ বিপ্লৱ ঘটাই অৰ্থনীতিত প্ৰভূত বৰঙণি যোগাবলৈ সক্ষম হৈছে।

আমাৰ দেশত ঘেঁহু আৰু ধানৰ উৎপাদন কিছু বাঢ়িছে যদিও সেয়া সৰ্বসাধাৰণৰ বাবে পৰ্য্যাপ্ত নহয়। আমাৰ দেশ এতিয়াও বহু পিছ পৰি আছে। মাহজাতীয় আৰু তেলজাতীয় শস্য দেশৰ চাহিদা মতে উৎপন্ন কৰিব নোৱাৰাত মাহ আৰু খোৱা তেলৰ দাম ক্ৰমাৎ বাঢ়িব লাগিছে। ভাৰতবৰ্ষৰ মাত্ৰ কেইখনমান ঠাইত যেনে, পঞ্জাৱ, হাৰিয়ানা, উত্তৰ প্ৰদেশৰ একাংশ, তামিলনাডু আৰু পশ্চিম বংগত সেউজ বিপ্লৱ সীমাৱদ্ধ হৈ থকাত ভাৰতৰ সেউজ বিপ্লৱৰ ফলাফল আন দেশৰ তুলনাত বহু কম।

আমাৰ অসমখনক সমৃদ্ধিশালী কৰি তুলিবলৈ জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড উন্নীত কৰিবলৈ হলে কৃষি বিপ্লৱৰ যোগেদিহে সম্ভৱ হ'ব। ইয়াৰ বিকল্প আৰু নাই। প্ৰকৃততে বনজ সম্পদ খনিজ সম্পদৰ প্ৰাচুৰ্য্যতা আৰু এইবোৰৰ ওপৰত গঢ়ি উঠা উদ্যোগ সমূহেই অসমৰ অৰ্থনীতি সলনি কৰি দিব পাৰিলেহেঁতেন। কিন্তু অসম চৰকাৰৰ ঔপনিবেশিক শোষণ নীতিয়েই ইয়াক বাধা দি আছে আৰু থাকিব।

সেউজ বিপ্লৱৰ ভৱিষ্যতৰ বিষয়ে ক'বলৈ গৈ মই আগতে দি অহা বিৱৰণীৰ পৰা এইটো স্পষ্ট যে, অন্যান্য দেশৰ তুলনাত আমাৰ দেশত সেউজ বিপ্লৱে সন্তোষজনক ফল দেখুৱাব পৰা নাই। ইয়াৰ কাৰণ ভাৰত চৰকাৰে অসমৰ প্ৰতি নিক্ষেপ কৰা মাহী আইৰ দৃষ্টি আৰু ঔপনিবেশিক শোষণ। অসমৰ জনসাধাৰণৰ আজি যি স্তৰত বসবাস কৰিছে, সেই স্তৰত থকালৈকে অসমত কৃষি বিপ্লৱৰ সপোন দেখাতো দুৰাশাহে মাথোন। আমি আজি যি পৰ্য্যায় বা স্তৰত বাস কৰিছো, তাৰ পৰা হঠাতে ওলাই অহাটো সম্ভৱ নহয়। ইয়াক লাহে লাহে পৰ্য্যায়ক্ৰমে নিৰ্দিষ্ট আঁচনিৰ দ্বাৰা ভাঙিব লাগিব। কাৰণ দেশৰ লাখ লাখ শ্ৰমজীৱি মানুহে যেতিয়া তেওঁলোকৰ ন্যায়সংগত দাবী কৰে তেতিয়া শাসকবৰ্গই বিচ্ছিন্নতাবাদৰ ভূত দেখে "Kill all burn all destroy all" —এই নীতিৰেই শাসকবৰ্গই যেতিয়া নুন্যতম সকলোধৰণৰ গণতান্ত্ৰিক ৰীতি নীতিক ভৰিৰে গচকি জপিয়াই পৰে জনগণৰ ওপৰত। অসমৰ ৰাজনীতিক অৰ্থনীতিয়ে নিয়ন্ত্ৰণ কৰে। সেয়ে কৃষিৰ ক্ষেত্ৰত অসম স্বাৱলম্বী হৈ অহাৰ লগে লগে আমাৰ ৰাজনীতি নিয়ন্ত্ৰণ কৰা এক বৃহৎ সংখ্যক পুঁজিপতি গোষ্ঠীৰ মূৰত মাধমাৰ পৰিব আৰু এইবাবেই ন্যস্ত স্বাৰ্থৰ এচাম শোষকে অসমত সেউজ বিপ্লৱৰ যোগেদি কৃষিৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন হোৱাতো বাঞ্ছা নকৰে আৰু তাৰ বাবেই আমাৰ দেশত এই স্থবিৰতা।

সেউজ বিপ্লৱ সফল কৰিবলৈ হলে, কৃষিৰ লগেত শিল্প আৰু বাণিজ্যতো সমানে বিকাশ সাধন কৰিব

লাগিব যাতে দেশৰ সমস্ত জন শক্তিৰ হেঁচা খেতিৰ মাটি কেইডৰাৰ ওপৰতে সীমাৱদ্ধ হৈ নাথাকে। উদ্যোগ আৰু বাণিজ্যত দেশৰ সৰহখিনি মানুহ নিয়োগ হলে মাটিখিনিত সমূহীয়াকৈ উন্নত সৰ্জুলি, সাৰ, বীজ আদি ব্যৱহাৰ কৰিলে শস্য উৎপাদনৰ হাৰ বৃদ্ধি পাব। সেউজ বিপ্লৱৰ পৰা উত্তম ফল পাবলৈ হলে, দেশৰ জনসংখ্যা বৃদ্ধিৰ হাৰ দ্ৰুতভাৱে কমাব লাগিব। নহলে খাদ্য শস্যৰ উৎপাদন পৰ্য্যাপ্ত হলেও দেশৰ খাদ্য সংকটে সদায়েই অচলাৱস্থাৰ সৃষ্টি কৰিব, অসমভূমি শস্য শ্যামলা কৰিবলৈ এক পৰিবৰ্ত্তন আৰু প্ৰগতিশীল মনোবৃত্তিৰে সমাজৰ যুৱক আৰু বিজ্ঞ সকল ওলাই আহিব লাগিব নৈতিকতা আৰু সততাৰে পৰিপুষ্ট অসমৰ নতুন পুৰুষ চামে তাহানিৰ সেই সামন্তযুগীয়, মধ্যযুগীয় কৃষিকৰ্ম, আৰু ধ্যাণ-ধাৰণা বাদ দি উন্নত আৰু বৈজ্ঞানিক পদ্ধতিৰে কৃষি কৰ্মত মনোনিৱেশ কৰিলেই অসমৰ প্ৰগতি সম্ভৱ হ'ব। আজিৰ নতুন পুৰুষে সেউজ বিপ্লৱৰ যোগেদি আমূল পৰিৱৰ্ত্তন ঘটাই অসমভূমিক বিশ্বৰ দৰবাৰত অধিষ্ঠিত কৰিব।

"এতিয়া বিপ্লৱৰ অংকুৰ
উদগমনৰ সময়,
আৰু এই বিপ্লৱৰ প্ৰাৰম্ভত
মোৰ কবিতাৰ তেজাল উমেৰে
মোৰ দেশৰ প্ৰত্যেকজন যুৱকেই
একোজন ধনঞ্জয়।"

( ৰাজেন শৰ্মা )

---

❖ ❖ ❖

কামৰ ওপৰতে মানুহৰ ভবিষ্যত নিৰ্ভৰ কৰে। চেষ্টাৰ অবিহনে মানুহৰ দৈহিক, মানসিক উন্নতি সম্ভৱ নহয়, আৰু চেষ্টা মানেই কাম।
কাম কেতিয়াও অভিশাপ নহয়।
ই হ'ল বুদ্ধিৰ অধিকাৰ।
মনুষ্যত্ব লাভৰ একমাত্ৰ পথ আৰু সততাৰ তুলাচনী।

—কেলভিন বাৰ্লিজ

❖ ❖ ❖

# এইড্‌ছ অথবা শূ'পয়জন

শ্ৰীদুষ্মন্ত বৰা

প্ৰত্যেক প্ৰাণীৰে বংশানুক্ৰমে সৰুৱেপৰা লব্ধ ৰোগ প্ৰতিৰোধ ক্ষমতা থাকে। মানব দেহৰো নিজৰ ৰোগ প্ৰতিৰোধ ক্ষমতা আছে। এই ক্ষমতাই শৰীৰত কোনো বীজাণু সোমালেও তাক ই ধ্বংস কৰি দিয়ে। কিন্তু এই প্ৰতিৰোধ ক্ষমতাক এক ধৰণৰ বীজাণুৱে ধ্বংস কৰি দিয়ে। ইয়াক মানব প্ৰতিৰোধ ক্ষমতা বিধ্বংসকাৰী জীবাণু বোলে (Human Immuno-deficiency Virus)। সংক্ষেপে HIV। এনে বীজাণু সোমোৱাৰ পাছত হোৱা ৰোগবিধকেই AIDS (Acquired Immunodeficiency Syndrom) বোলে।

**ইতিহাস ঃ** ১৯৮১ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ লচ এঞ্জেলচত চাৰিজন সমকামী পুৰুষৰ মাজত অস্বাভাৱিক ৰোগৰ লক্ষণ প্ৰকাশ পায়। সেই বছৰেই যুক্তৰাষ্ট্ৰত থকা ৰোগ নিয়ন্ত্ৰণ কেন্দ্ৰই (Centre for Discase Control) লব্ধ প্ৰতিৰোধ ক্ষমতাৰ অভাৱী বা একুৱাৰ্ড ইমোন'ডেফিছিয়েঞ্চি (AIDS) বুলি চিনাক্ত কৰে। ১৯৮৩ চনত ফ্ৰান্সৰ পেষ্টিউৰ (Pasture) ইনষ্টিটিউটৰ বিজ্ঞানীসকলে ড° লাক মণ্টেগনিয়াৰ (Dr. Luc Montagnier)ৰ নেতৃত্বত লিম্ফ এডিন'পেথি এছ'ছিয়েটেড ভাইৰাছ (Lymphoadinopathy Associated Virus) সংক্ষেপে "LAV" নামে আবিষ্কাৰ কৰে। ১৯৮৪ চনত আমেৰিকাৰ National Cancer Instituteৰ বিজ্ঞানী ড° ৰবাৰ্ট গ্যালোৰ নেতৃত্বতো বীজাণু আবিষ্কৃত হয়। তেওঁলোকে ইয়াৰ নাম হিউমেন-টি-লিম্ফ'ট্ৰেফিক ভাইৰাছ–৩ (Human T-Lymphotrohic Virus III) সংক্ষেপে HTLV III দিয়ে। ১৯৮৬ চনত আন্তৰ্জাতিক বীজাণু নামকৰণ কমিটিয়ে এই বীজাণুক পুণৰ HIV (Human Immunodeficiency Virus) নামে নামকৰণ কৰে।

**শূ'পয়জন নামৰ কাৰণ ঃ** মানব শৰীৰত HIV কেনেবাকৈ সোমালে ৰক্ষা নাই। মৃত্যু আহিবই আৰু এই মৃত্যু ৬ মাহৰপৰা ১০ বছৰৰ ভিতৰত। মৃত্যু বৰ ধীৰ গতিৰে আহে। আটাইতকৈ দুখৰ কথা যে ৰোগীয়ে চিকিৎসাৰ অভাৱত মৰিবলগীয়া হয়। কাৰণ এতিয়ালৈকে ইয়াক নিৰাময় কৰিব পৰা ঔষধ পৃথিবীৰ কতো আবিষ্কৃত হোৱা নাই। কিন্তু আশাৰ বিষয় এই যে বহুতো পৰীক্ষা-নিৰীক্ষা চলি আছে।

**HIVৰ আক্ৰমন ঃ** আমাৰ শৰীৰৰ তেজৰ শ্বেতকণিকাত থকা T লিম্ফছাইট নামৰ কোষবোৰে শৰীৰত প্ৰবেশ কৰা বীজাণু ধ্বংস কৰি আমাক ৰক্ষা কৰে। শ্বেতকণিকাত থকা B লিম্ফছাইট নামৰ কোষে এণ্টিবডি প্ৰস্তুত কৰি প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰে। T4 কোষৰ বাহিৰৰ আবৰণ CD4 নামৰ এটা এণ্টিজেন পৰমাণু থাকে। এই CD4 site টোৱে এইডছ ভাইৰাছ বা HIV ৰ বাহিৰৰ আবৰণত থকা GP120 নামৰ প্ৰটিন আবৰণৰ সংস্পৰ্শলৈ আহিলে ভাইৰাছটো সহজে ভিতৰলৈ সোমাব পাৰে। কোষৰ ভিতৰত সোমাই HIV য়ে তাৰ জিন সম্বন্ধীয় বাৰ্তা RNA ক DNA লৈ পৰিবৰ্তন কৰি নিজকে কোষটোৰ এক অংশ কৰি লয়। লগে লগে টি সহায়কাৰী কোষৰ সংখ্যা কমি আহে আৰু প্ৰতিৰোধ ক্ষমতাত বাধা পৰে। HIVৰ DNA ই কোষৰ জিনৰ লগত স্থায়ীভাৱে আঘাট কৰে। আক্ৰান্ত কোষ যিমানে বিভাজিত হয় সিমানে ৰোগৰ বীজাণু বৃদ্ধি হৈ গৈ থাকে। যিহেতু ই শৰীৰৰ কোষৰ জিনৰ লগত লগলাগি স্থায়ীভাৱে আঘাট কৰে সেয়ে ঔষধ প্ৰস্তুত কৰাত বাধা আহি পৰে।

**আক্ৰান্ত হোৱাৰ পাছত ঃ**

HIVৰ দ্বাৰা আক্ৰান্ত হোৱাৰ পাছত এজন ব্যক্তি সু-স্বাস্থ্যৰে ৬ মাহৰপৰা ১০ বছৰ পৰ্যন্ত জীয়াই থাকিব পাৰে। আক্ৰান্ত ব্যক্তিজনক নানা ধৰণৰ বেমাৰৰ বীজাণুৱে আক্ৰমণ কৰে। সাধাৰণ বেমাৰৰ বীজাণুৱে

আক্ৰমণ কৰিবলৈ বাধা নাইকিয়া হৈ পৰে। আক্ৰান্ত হোৱাৰ পাছত কেতিয়াবা জ্বৰ, কাঁহ, ছালৰ কৰ্কট, মুখৰ ঘাঁহ আদি লক্ষণে দেখা দিয়ে।

লক্ষণ ঃ

১. দেহৰ গাঁঠি বা লিম্প'গ্ৰন্থি ফুলি উঠা।
২. তিনিমাহতকৈ অধিক জ্বৰ হোৱা।
৩. মুখত কেণ্ডিডিয়াছিছ (Condidiasis) হোৱা।
৪. সৰ্বশৰীৰ ব্যাপি কপেছিছ ছাৰকোমা (Caposis Sarcoma) হোৱা ইত্যাদি।

সংক্ৰমণ ঃ HIV এনেয়ে এজন মানুহৰ শৰীৰলৈ সংক্ৰমিত নহয়। সংক্ৰমনৰ কেইটামান কাৰণ আছে। কাৰণ সমূহ হ'ল—

১. আক্ৰান্ত ব্যক্তিৰ লগত যৌন সম্পৰ্ক ৰখা
২. আক্ৰান্ত ব্যক্তিৰ ৰক্ত গ্ৰহণ
৩. আক্ৰান্ত ব্যক্তিয়ে ব্যৱহাৰ কৰা ৰেজৰ, খুৰ আদি ব্যৱহাৰ কৰিলে
৪. বিশুদ্ধ নকৰাকৈ বেজী ব্যৱহাৰ কৰিলে
৫. বেজীৰে শৰীৰত ড্ৰাগচ সোমোৱালে।

উক্ত কাৰণসমূহৰ লগত জড়িত হলেহে HIVৰ দ্বাৰা আক্ৰান্ত হ'ব পাৰে।

### ১. যৌন সম্পৰ্কৰ দ্বাৰা ঃ

HIV বীজাণু অন্যান্য যৌন ৰোগৰ দৰে বহুগামী পুৰুষৰ পৰা সঙ্গী মহিলালৈ বা তেনে মহিলাৰ পৰা পুৰুষলৈ যাব পাৰে। বেশ্যা বা ব্যৱসায়ীক যৌন কৰ্মীসকলৰ গাঁলৈ সহজে এই ৰোগ সংক্ৰমণ হয়। গতিকে বেশ্যা আদিৰ লগত সম্পৰ্ক ৰখা অনুচিত। একমাত্ৰ কনডমৰ ব্যৱহাৰে ইয়াক বহু পৰিমাণে ৰোধ কৰে বুলি প্ৰমাণ পোৱা গৈছে। হ'লেও কনডমে নিৰাপত্তাৰ সৰ্বোচ্চ সীমা নিৰ্দ্ধাৰণ কৰিব নোৱাৰে।

### ২. ৰক্ত গ্ৰহণ ঃ

আক্ৰান্ত ব্যক্তিৰ ৰক্ত গ্ৰহণ কৰা অনুচিত। ৰক্ত গ্ৰহণৰ সময়ত তেজৰ HIV antibody টেষ্ট কৰাব লাগে। বীজাণুমুক্ত বুলি প্ৰমাণিত হ'লেহে ৰক্ত ল'ব লাগে। ব্যৱসায়িক ৰক্ত দাতাৰ বেছিভাগৰ যৌন কৰ্মীৰ লগত সম্পৰ্ক থাকে আৰু শৰীৰত Drugs সোমোৱাবলৈ ৰক্ত বিক্ৰি কৰে।

### ৩. ৰেজৰ, ক্ষুৰ আদিৰ দ্বাৰা ঃ

ৰেজৰ, ক্ষুৰ আদিৰ দ্বাৰাও HIV সংক্ৰমণ ঘটিব পাৰে। কাৰণ ৰেজৰে কটাৰ পাছত বা ক্ষুৰ ব্যৱহাৰ কৰাৰ পাছত বিশুদ্ধ কৰা নহয়। সেয়ে উমৈহতীয়া ক্ষুৰ ব্যৱহাৰ কৰা অনুচিত।

### ৪. বেজীৰ দ্বাৰা ঃ

এবাৰ বেজি দিয়াৰ পাছত বেজীটো বিশুদ্ধ নকৰিলে HIVৰ সংক্ৰমণ ঘটিব পাৰে। আজিকালি হস্পিটেলত বেজি লওতে বেজিটো ষ্টেবিলাইজ কৰাব লাগে। একেলগে বেজিৰ দ্বাৰা ড্ৰাগ ব্যৱহাৰ কৰা মানুহৰ সেয়ে এই ৰোগ হয়।

### ৫. আক্ৰান্ত মাতৃৰ পৰা সন্তানলৈ ঃ

আক্ৰান্ত মাতৃৰপৰা সন্তানলৈ এই ৰোগ সংক্ৰমিত হ'ব পাৰে। সেয়ে আক্ৰান্ত মাতৃয়ে সন্তান জন্ম দিব নালাগে। মাকৰ দুগ্ধ পানৰ ফলত সন্তানলৈ এই ৰোগ বিয়পিব পাৰে।

গতিকে দেখা গ'ল যে HIVৰ সংক্ৰমণ কেইটামান কাৰণৰ পৰা হয়। উক্ত কাৰণসমূহৰ পৰা বিৰত থাকিলে এই মাৰাত্মক বেমাৰৰ পৰা হাত সাৰিব পাৰি। মনত ৰখা দৰকাৰ যে এজন ব্যক্তিক HIVৰ দ্বাৰা আক্ৰান্ত বুলি গম পালে তেওঁক আমি একাষৰীয়া কৰিব নালাগে। বৰং সহায়হে কৰিব লাগে। এই ৰোগ একেলগে খোৱা, শোৱা, কাপোৰ, বাচন-বৰ্তন আদিৰ দ্বাৰা সংক্ৰমিত নহয়। তেওঁক আমাৰ মাজৰে এজন বুলি লব লাগে। আমি এতিয়া নুবুজা সকলক বুজাব লাগে যে এইডচ (AIDS) কি ? সৰহভাগ ভাৰতীয়ই এই বিষয়ে অজ্ঞ। যৌন কৰ্মীসকল নিজৰ জীৱনৰ প্ৰতি যাতে জ্ঞাত হয় তাৰ ওপৰত চকু দিব লাগে। আমি ইচ্ছা কৰিলে সকলোৱে লগ লাগি এই ৰোগ প্ৰতিৰোধ কৰিব পাৰিম। ■

# কবিতার পাথার

কবিতা যৌবনের দূত, নীলিমার অমল
স্পর্শ আকুল
মোর স্মিত উজ্জ্বলে তুমি প্রতিদিনে এক্যো
একটি ফুল

শীর্ষ ভট্টাচার্য



## অন্তঃ-বহ্নি


ছৈয়দা আকেলা খানম


এপাহি ফুল, সৰি পৰা শাৰদী পুৱাৰ
নিয়ৰ-তিতা দুৱৰী গছকি
বুটলিম বুলি মই হাত মেলোঁতেই
পিছ পিনৰ এজাৰ গছৰ আঁৰত থকা
সৰু ঘৰটোৰ
মেল খালে
এখনি দুৱাৰ
আৰু মই থমকি ৰ'লো।
লাজ আৰু শঙ্কাৰে উভটি আহিলোঁ।
যেন মই পলাই যাম
দূৰলৈ-বহুত দূৰলৈ
সীমাৰ সিপাৰে থকা নেদেখা দেশৰ
বতাহ সেৱণ কৰি জীয়াই থাকিম।।

সিপাৰৰ খিড়িকীত
মদাৰ ফুলৰ জুই.......
কোনোবা যুগৰ
চিনি পাওঁ চিনি পাওঁ চিনি পাওঁ।
চিনি পাওঁ বুলি মই কোৱাৰ সময়-
পাৰ হৈ যোৱাৰ পিছত
আজি মই কবই লাগিব-
তুমি চিৰ অচিনাকী বুলি।

## মোক যিশুৰ দৰে ক্ৰুছবিদ্ধ নকৰিবা

*(উৎসৰ্গা—আদৰ্শবান, বিবেকবান, হৃদয়বান সকলৰ হাতত)*


দীপেন কুমাৰ
প্ৰাক্তন ছাত্ৰ


মোক যিশুৰ দৰে ক্ৰুছবিদ্ধ নকৰিবা
বৰ আক্ৰোশেৰে চাগে মোক হত্যা কৰিব বিচৰা হৈছে
প্ৰতিমুহূৰ্ত্তত যেন মোৰেই হত্যাৰ পৰিকল্পনা
অথচ, আত্মবিশ্বাসেৰে মই এতিয়াও জীয়াই আছো—

মই বিশ্বাস কৰো,
পৃথিবীৰ ভাল মানুহবোৰৰ মাজত ময়ো এজন
মইতো কাহানিও উন্মাদ হোৱা নাই
বিকৃত ৰুচিবোধৰ যুৱকজনৰ সতে
মইতো মাতাল হোৱা নাই
স্খলিত মানসিকতাৰ লগত
গভীৰ আস্থাৰ মাজত মই এতিয়াও নিমজ্জিত।

তথাপিতো,
মোক বাৰে বাৰে অপৰাধী কৰা হৈছে,
মোৰ পবিত্ৰতাক অস্বীকাৰ কৰা হৈছে,
অশান্ত অনুভৱবোৰ বুকুত ভৰাই লৈ
মই জীয়াই আছো
অভিজ্ঞ মোৰ দুখৰ সতে।

এতিয়া, সংগোপনে চুক্তি কৰিছো আত্মাৰ সতে
আত্মাত উবুৰিয়াই দিছো নিৰন্তৰ প্ৰেম
স্বাধীন অনুভূতিবোৰ...............

মোক যিশুৰ দৰে ক্ৰুছবিদ্ধ নকৰিবা
পৃথিবীৰ ভাল মানুহবোৰৰ সতে ময়োতো
জীয়াই থাকিব খোজো.........।



# প্ৰত্যাশা ঃ বৈধ্যভূমিৰ পৰা ক্ৰমশঃ!!

*(মাতৃভূমিৰ বাবে প্ৰাণ আহুতি দিয়া ছহিদসকলৰ স্মৃতিত)*

শ্ৰী অপূৰ্ব হাজৰিকা
স্নাতক ২য় বাৰ্ষিক
(কলা বিভাগ)

.........." shall I be able on this unrest field to set up for you a tent of my own hands."

উদভ্ৰান্ত প্ৰেমিকৰ কলিজাত গথা
এখন শীৰ্ণ হাত— তেজত লেটিওৱা
এমুঠি উচ্ছিষ্ট আহাৰ, আৰু
কেইটামান স্বতন্ত্ৰ শব্দ।

মোৰ দেশৰ সময়ৰ আগচালিত বহি
শুকুলা ঘোঁৰাৰ পিঠিত পঠিয়াই দিয়া
টোপধ্বনি আৰু,
বিজাতীয় শব্দৰ চিৎকাৰত
হেন্দুলিত হয়, গণতন্ত্ৰৰ সকলো সংজ্ঞা
সাব্যস্ত কৰিব বিচাৰিছো মই,
এটুকুৰা ৰুটি আৰু এডোখৰ
সততা, আবাদী ভূমিৰ স্থায়িত্ব।
মোৰ বুকুৰ সেউজ উপত্যকাত
মই ফুলাৰ খোজো..........
সংহতি আৰু ক্ষুধাৰ মুঠি মুঠি ফচল।
প্ৰান্তৰৰ পৰা প্ৰান্তিকলৈ
চৌদিশে মাথোঁ ৰুটি পোৰা গোন্ধ।

নিশ্বাসত ফুলি উঠা একোপাহি
ৰক্তজবাৰ পাপৰিৰ দৰেই,
মোৰ এই ৰক্তবৰ্ণ প্ৰতিজ্ঞা।
শীতৰ নিশাৰ নিৰৱতাত
আকুঁহি বতৰা শুনি মই এতিয়া
প্ৰতীক্ষিত মধ্যৰাত্ৰিৰ শংখধ্বনিলৈ।
বনকৰা খনীয়া কাপোৰৰ
প্ৰতিটো নিশ্বাসত সৰি পৰা
শেৱালি ঘ্ৰাণত
মোৰ দুচকুত ফুলি উঠে
সূৰ্য্যোদয়ৰ চিকমিকনি।
আৰু আছে—
জোনাক ভৰা শুভেচ্ছাৰে
হাজাৰটা মুষ্টিবদ্ধ হাতৰ ফাকত বৈ যোৱা
ৰক্তিম অভিবাদন।

এতিয়াও সময় আছে
গাখীৰ ধানে গেঁৰেহি মেলিবলৈ।
এতিয়া বিপ্লৱ উদগমনৰ সময়।
আৰু বিপ্লৱৰ এই পুঁৱতি নিশাত
মোৰ কবিতাৰ তেজাল উমেৰে মই
সৃষ্টি কৰো.... একোখন সেউজ পথাৰ।
সুৰৰ দেউলত বন্ধা,
চিকমিকিয়া পতাকাখনি এতিয়া
উৰিছে নিশব্দে; স্বাধীনতা আৰু
ঘাম সিক্ত গোন্ধত মতলীয়া।
দৃষ্টিত তাৰ আদিগন্ত স্বপ্নৰ
সেউজ প্ৰত্যাশা!!

*(সদৌ অসম ভিত্তিত আয়োজিত কবিতা ৰচনা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত)*

যদিহে অক্ষৰ নুবুজা / নিঃসংগতাৰ পৰা উৰি আহা কোলাহললৈ
যদিহে বিপ্লৱ নুবুজা / পথৰ পৰা উৰি আহা / উত্তাল সংঘৰ্ষলৈ
—বাজেন শৰ্মা

# জিহ্বাৰীকা

শ্ৰীবীতশোক শৰ্মা
৩য় বাৰ্ষিক কলা

(জয়সাগৰ ঃ তুমি হোৱা মহাসাগৰ)

ঢউ পাৰত ঠেকা খাই বিয়পিছে—
বিস্তীৰ্ণতাৰ অলংকৃত কোলাহল
বতাহত আহিছে বিয়পি
দূৰণি দেশৰ

অথবা
বুৰঞ্জী পাতৰ
এটি সেমেকা সুবাস

তুমিয়েই জাতিস্মৰ
প্ৰাণৰ চিৰন্তন প্ৰকাশ

মাথো ভাবো
এই শূন্য আকাশৰ বুকুত
আছে কোনো নিৰিবিলি নক্ষত্ৰ ধ্ৰুৱ।

নাইবা চানেকি বহুল বৰ্ণিল সমাজত
সহস্ৰ প্ৰতিশোধৰ গৰ্ভত
তুমিয়েই জনৈক ক্ষান্ত ৰুদ্ৰ

তুমিয়েই মহাকালৰ ভাস্কৰ্য্য
গতিশীলতাৰ ছন্দত বোৱা
মহাবাহু ব্ৰহ্মপুত্ৰ

জানো ! জীৱনৰ উদ্‌ভ্ৰান্ত ছন্দৰ তালে
উতলা কৰিছে মোক
জানো, মোৰ গতি নাই গতিৰ বাহিৰে
কিন্তু যাত্ৰাৰ শেষত ক'ত মুকলি দুৱাৰ ?

—দেৱকান্ত বৰুৱা

# হেৰুৱা জোনাক

জুৱেল গাৰ্গ
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)

মোৰ জীৱন
জ্বলে আজি
বিষাদৰ তৰা হৈ
চকুলো ভৰা নিশা
দুকুল উপচি।
অকলে অকলে
আহিলো পৃথিৱীলৈ
এতিয়া যে আৰু
দুখৰ বোজা
সহিব নোৱাৰো
বুকু ভৰি, দুখ আহে
মাথো গভীৰ ৰাতি।
মোৰ জীৱন
জ্বলে আজি
বিষাদৰ তৰাহৈ
চকুলো ভৰা নিশা
দুকুল উপচি।
অকলে অকলে
গোপনে লিখিলো
কবিতাৰে
ভগা জীৱনৰ বহুতো কথা।
আৱেগ ভৰা
গীতবোৰও বিলালো
এতিয়া যে দুখৰ ভাগৰত
নিৰৱে উচুপে তাৰেই
সুৰে আজি।

## এতিয়া ক্ৰমশঃ

অমূল্য শইকীয়া
স্নাতক ৩য় বাৰ্ষিক (কলা)

মোক এটা ৰবাৰ টেঙাৰ বল দিয়া
য'ত মই শৈশৱক ঘূৰাই পাম,
সময়ৰ ধূলিয়ে ধুসৰিত কৰিব খোজা
বহুতো মিঠা সোঁৱৰণী।

বাটৰ কাঁইটে বিন্ধি
থকা সৰকা কৰিব খোজা
এতিয়া মাথোন শুকান বতাহ।

জোনাকৰ আৱেগখিনি
চুই চাব খোজোতেই
আৱৰিছে মোক বিষাক্ত বতাহে।

অতল গহ্বৰলৈ পিছলি পৰিছো ক্ৰমশঃ
চাওঁ, মোক তুলি ধৰা,
পাৰিলে এখন ৰঙীন কাগজ দিয়া
তাৰে নাওঁ সাজিম, তুমি সাৰথি হ'বা
উটুৱাই দিম ভ'ৰা বাৰিষাৰ উতলা নদীত

## যন্ত্ৰণা

শ্ৰীআনন্দ গগৈ
উঃ মাঃ প্ৰথম বৰ্ষ (কলা)

বৃদ্ধ ভিক্ষাৰীটোৰ তপামূৰ,
উদং দেহত জিলিকিছে প্ৰতিডাল কামিহাড়
শীতৰ সন্ধিয়া সি জিৰাইছিল পথৰ দাঁতিত—
জাৰে ভোকে অথিৰ শৰীৰ।
উমাল সাজেৰে মই গৈছিলোঁ ৰেষ্টুৰেণ্টলৈ
সুস্বাদু আহাৰৰ জুতি লবলৈ।
উভতি আহোঁতে দেখোঁ—
তাৰ অসহায় কাতৰ চাৱনি
বুজি পালোঁ অন্তৰৰ কৰুণ বিননি
মোৰো যে হাতত নাই একো নিচুকণি।

## বোমক্ষক

শ্ৰীসুনীল গুৰুং

জীৱনৰ বাট বুলি কোনোবা খিনি পালোঁহি
এতিয়া
এপলক উভতি চোৱাৰ
হেঁপাহ........

চাইছো—
ভালে ভালে জঁপিয়াই পুৱাৰ বেলিটো
পাতৰ সেউজীয়া ৰং সমস্ত গাতে ছটিয়াই,
স্পৰ্শ কৰিছোঁ দুয়োহাত প্ৰসাৰি
ফেৰেঙনিত লাগি থকা নীল বৰণৰ
মেঘ।

অৰ্জুন গছৰ তল আৰু নৈ গৰাৰ ধূলি ধোঁৱাত মোৰ
সেউজীয়া ল'ৰালি। তিৰবিৰায় এসঁফুৰা স্মৃতি কথা
এবুকু পানীত ডুব মাৰি লুকা-ভাকু খেলা,
আহাৰৰ ভৰ বেলা সোঁতত উঠি উঠি যোৱা...
চুলীয়াৰ ওলোটা খৰ মাৰি
ওখ পুলটোৰ পৰা।

আৰু এনেকৈয়ে...............
এনেকৈয়ে কেতিয়াবা হঠাৎ আকাশখন গোমা হ'লেই
মই বৰ বিষণ্ণ হৈ পৰো
আগলতি হিয়া
কঁপে দুৰু দুৰু!....

## "কমৰেড"

জিতেন দত্ত

কমৰেড ৰয়া
ধৈৰ্য্য ধৰা
তুমি যাক তোমাৰ তৰোৱালখন
সমৰ্পণ কৰিব বিচাৰিছা
সি তোমাৰ শুভাকাংক্ষী হব নোৱাৰে
সি এটা নীলা শিয়াল
সি এটা প্ৰতাৰণাৰ শীৰ্ষ স্থানত
অৱতীৰ্ণ হোৱা নৰৰক্ত পিপাসু।।

এই তৰোৱাল খনৰ জৰিয়তে
জনগণৰ মুক্তিৰ সপোন ৰচোঁতা তুমি
তোমাৰ সপোনক সপোন হৈ থাকিবলৈ নিদিবা।

তুমি কি বিচাৰিছা কমৰেড?
তোমাৰ ভনীৰ দেহক অপবিত্ৰ কৰা
তোমাৰ ভাইৰ দেহক গুলীৰে থকা-সৰকা কৰা
তোমাৰ সহকৰ্মীৰ তেজেৰে ফাকু খেলা
সেই দানৱৰ ওচৰত!

নহয় কমৰেড্
কত হাবি-বন, পৰ্বত-পাহাৰ অতিক্ৰম কৰি
তোমাৰ সপোনক বাস্তৱত ৰূপ দিবলৈ
কঢ়িয়াই অনা তৰোৱাল খন
তুমি তাৰ ওচৰত সমৰ্পন নকৰিবা
পুনৰ বাৰ কৈছোঁ কমৰেড্
ধৈৰ্য্য ধৰা
আৰু,
সেই নৰৰক্ত লোভী পিশাচটোক
বধ কৰিবৰ বাবে
জনগণৰ মুক্তিৰ আকাংক্ষাক
বাস্তৱত ৰূপ দিবলৈ
সেই তৰোৱাল খন
দুই হাতেৰে খামুচি ধৰা।

মোক ৰাতিটোৰ বাবে
ওভোটাই দিয়া মোৰ ন'ৰালি
আইৰ কোলাত আকৌ এবেলি শুম,
লাই হালে জালে আবেলি বতাহে...।
মোৰ সোঁৱৰণি গুমৰি উঠে
নিৰন্ন হৃদয়ৰ সুগন্ধ তেজৰ প্ৰবাহে প্ৰবাহে।

হীৰেন ভট্টাচাৰ্য

## সিহঁত আহিছিল

(প্ৰয়াত জাতীয়বীৰ প্ৰভাত শইকীয়ালৈ উচৰ্গিত।)

শ্ৰীজয়ন্ত গগৈ

সিহঁত আকৌ আহিছিল
পদ শব্দত ধৰণী কপাঁই।
নিশাবোৰ চৌ-চিৰ হৈছিল
থুনুকা কাচৰ দৰে
দুখৰ ৰাতিবোৰ ভাগি পৰিছিল,
ভগ্ন হৃদয়ৰ দৰে।
ক'ৰবাত নিউ নিউ ফেঁচাৰ মাত।
সিহঁত আকৌ আহিছিল
দুৰ্বাৰ বিভীষিকাৰে,
নিশাৰ নিৰবতাক থান বান কৰি।
দানৱৰ হুংকাৰ চৌদিশে বিয়পি পৰিছিল
এজাক ৰাং কুকুৰৰ দৰে
সিহঁত আকৌ আহিছিল
...................... তেতিয়াই ওলাই
যোৱা সোণ কণহঁত বা ক'ত?



# এক জীৱনৰ সন্ধানত

জয়ন্ত শৰ্মা
স্নাতক তৃতীয় বৰ্ষ (কলা)

সেই লুংলুঙীয়া ৰাস্তাটোৰ ফালেই সীমান্তহঁতৰ ঘৰলৈ যায়। ভাবিবও নোৱাৰি সেইফালেও যে এখন বিশাল গাওঁ আছে। বাটৰ দুয়োকাষে ডাঠ হাবি, আৰু দিনতে অন্ধকাৰ কৰি ৰখা, সেই বাঁহনি ডৰা। ডাঙৰ ডাঙৰ ঔ টেঙা গছ কেইজোপাৰ তলেৰে ৰাতি যাওঁতে সংশয়ত সময় অতিবাহিত কৰিব লগা হয় আৰু সেই বাঁহনি ডৰাৰ অদৃশ্য মূৰ্ত্তিবোৰ কেটেৰাই উঠিলে সৰ্বাংগ কম্পমান হৈ উঠাকৈ। ৰাস্তাটোৰ সোঁকাষে বৈ গৈছে এখনি নদী। যাৰ নাম তথা উৎপত্তিৰ বিষয়ে সীমান্তহঁতৰ আজিলৈকে শ্ৰুতিগোচৰ হোৱা নাই। সৰু সৰু নাঙঠ-পিঙঠ ল'ৰা-ছোৱালীবোৰ সময়-অসময় নোহোৱাকৈ তাত সদায় সাঁতুৰি-নাদুৰি এই পৃথিৱীৰ বংবোৰৰ সতে নিজকে বিলাই, সৃষ্টি কৰে এক অনুপম বক্ষধৰণী।

একেবাৰে নগ্ন পৰিবেশ। পুৱা, দুপৰীয়া, গধূলি ল'ৰাবোৰ গছৰ তলত বা সেই বীৰেণৰ দোকাণৰ কাষত তাচ খেলে। ওচৰৰে সীমান্তহঁতৰ স্কুলখনিৰ ফিল্ডখনত সৰু সৰু ল'ৰা-ছোৱালীবোৰে হুলস্থুল কৰি দৌৰা-দৌৰি কৰি ফুৰে। অন্য এটা পথেৰে সিহঁতৰ গাঁৱলৈ কেতিয়াবা গাড়ী মটৰ আহে। মাত শুনাৰ লগে লগে ওলাই আহে এজাক ল'ৰা-ছোৱালী। প্ৰায়বোৰেই নাঙঠ। তাৰেই ডাঙৰবোৰে গাড়ীৰ পিছফালে উঠাৰ উচ্ছাসত দৌৰা-দৌৰি। কি এটা পৰিবেশ—!!

সীমান্তহঁতৰ স্কুলখন মাথো ঘৰ কৰি ৰাখিছে গাঁৱৰ ৰাইজে টকা তুলি পকা কৰা সেই খুটাকেইটাই। দুযোৰ চকী টেবুল, ডেস্ক-বেঞ্চ নাই। হাতত ল'ৰা-ছোৱালীবোৰে কিতাপৰ সতে এটা বস্তা নাইবা একোখন কঠ লৈ দৌৰি যায় স্কুললৈ আকৌ চিঞৰ-বাখৰ কৰি ঘুৰি আহে স্কুল চুটি হোৱাৰ পিছত।

এনেদৰেই ডাঙৰ-দীঘল হৈছিল সীমান্ত আৰু ভায়েক ভনীয়েক তিনিটাৰ সতে। দেউতাকে ভগ্ন স্বাস্থ্যৰে প্ৰতিপাল কৰাত খুবেই যে কষ্ট হৈছে, সেই কথাষাৰ সীমান্তই বাৰুকৈ বুজিছিল। দেউতাকে তাক কিতাপ-ফলি বা কাপোৰ এসাজো আজি পৰ্য্যন্ত দিব পৰা নাই। বহুদিনৰ আগতে মোমায়েকৰ ঘৰৰ পৰা দি পঠিওৱা ডাঙৰ পেন্টবোৰকে ওঁচৰৰ কুম দদাইৰ ওচৰত চিলাই কৰি পিন্ধিছিল। ঘৰখনৰ অভাৱ-অনাটনবোৰে, নিৰন্ন দিনবোৰ সীমান্তই চকুলো বোৱাৰ বাহিৰে অন্য কোনো উপায় নাছিল। পুহমাহৰ সেই উম্মত্ত ঠাণ্ডাত মাকে গাত জাপি দিছিল সেই ডাঙৰ ডাঙৰ বস্তাবোৰ। বাৰিষাৰ ডবাপিটা বৰষুণজাকে সিহঁতৰ ঘৰৰ চাল পাৰ হৈ সমগ্ৰ শৰীৰটোতে শিহৰণ জগাই তুলিছিল সহস্ৰ চুমাৰে। সেইকেইদিন তাৰ চকুলোৰেও সেই বাঁহৰ বিচনাখন তিতি যোৱাত সহায় কৰিছিল। তথাপিও নিজ ঘৰখনত সপোন দেখিছিল অনাগত দিনবোৰৰ— আশাৰ সপোন।

ওচৰৰে সেই অভিমানী ছোৱালীজনী—, যদিও তাই সৰুৰে পৰাই গৰ্বভাৱ আছে তথাপিও তাই সৰুৰে পৰাই সীমান্তৰ একমাত্ৰ বান্ধৱী। তাই ওচৰৰে বাগানৰ মালিকৰ জীয়াৰী। লাকী। জন্ম হোৱাৰ পিছত তাইৰ নামত লটাৰীত মটৰ চাইকেলখন পোৱাৰ বাবেই তাইৰ নাম লাকী ৰাখিলে হেনো।

সৰুৰে পৰাই, তথা চিনাকী দিনৰ পৰাই ভগৱানে অজানিতে সিহঁতক দিলে অকৃত্ৰিম মৰম, স্বৰ্গীয় প্ৰেম। কিন্তু সেয়া সিহঁত কাৰোৰেই বোধগম্য নহয়। সিহঁত দুয়ো লৰি ঢাপৰি ফুৰে সেই নদীৰ পাৰবোৰত, বালিঘৰ সাজে। যেতিয়া সিহঁতৰ বালিঘৰ ক্ষন্তেকতে চুৰমাৰ হৈছিল সিহঁত হতাশাত ভাগি পৰিছিল। ওচৰতে দেও দি দি ফুৰা শালিকাটো একান্তচিত্তে জ্ঞানমগ্ন বগলীকেইটা খেদি সিহঁতৰ যি স্ফূৰ্ত্তি—। ইয়েই যেন সিহঁতৰ সুন্দৰতম জীৱন ! সীমান্ত খুবেই চিন্তাশীল তথা ধৈৰ্য্যশীল আছিল। প্ৰতিটো মুহূৰ্তত স্ফুৰিত শেতা মুখখনিত মাথো চাঞ্চল্যৰ ঢৌ। নিৰ্বিবাদে গ্ৰহণ কৰিছে দৰিদ্ৰতাৰ অস্ত্ৰাঘাত। সি কাপুৰুষ নহয়, স্থিতপ্ৰজ্ঞ সি নিজৰ সিদ্ধান্তত, জীৱনৰ ছত্ৰে ছত্ৰে বাধাৰ প্ৰাচীৰ। দৰিদ্ৰতাক সি প্ৰত্যাহ্বান জনাই আগবাঢ়িব এক মধুৰ জীৱনৰ সন্ধানত। অৱশ্যে সেই সাহস তথা প্ৰেৰণাৰ অংশীদাৰ-সি অকলে নহয়, লাকীও।

সেই অভিজাত বংশৰ একমাত্ৰ ছোৱালীৰ লগত

দৰিদ্ৰ ঘৰ সীমান্তৰ বন্ধুত্ব লাকীৰ মাকে পচন্দ কৰা নাছিল। যিহেতু ধৰ্ম বা বৰ্ণত উচ্চ হ'লেও তেওঁলোকৰ দৰে ঐশ্বৰ্য্য বিভূতি সীমান্তহঁতৰ নাই, নাই কোনো সামাজিক সন্মান তথা মৰ্যাদা। তদুপৰি সিহঁতৰ ঘৰখনতটো লাইট, ফেন, ফ্ৰিজ, গড়ৰেজ, গাড়ী, মটৰ চাইকেল নাই, আলপৈচান ধৰিবলৈটো কোনো চাকৰ-বাকৰ নাই। গতিকে পুতৌৰ পাত্ৰ সিহঁত। মাকৰ দৃষ্টিত, সৰু মানুহৰ লগত ঘনিষ্ঠতাই মৰ্যাদা হানি কৰে। কিন্তু সেই নিষ্পাপ শিশু দুটিয়ে কি জানে সেই ফোপোলা আভিজাত্যৰ কথা, মাথো জানে সঁচা মৰমকণক। যাক কাঢ়ি নিয়াৰ শক্তি কাৰো নাই।

সময়ৰ নিষ্ঠুৰ আহ্বানত, সিহঁতৰ বাল্যকালে কিশোৰত ভৰি দিলে। পৃথিৱীখন কিবা অপূৰ্ব সুন্দৰ যেন লগা হ'ল যিখন নেকি সিহঁতৰ যোল্ল বছৰীয়া স্বৰ্ণপুৰী। যেন সেই স্বৰ্ণপুৰীত লাকীয়েই একমাত্ৰ ৰূপশ্ৰী পৰী। কল্পনাৰ সাগৰত সীমান্তৰ সেই ৰমণীৰ ৰূপ যৌৱনে কঢ়িয়াই আনিছিল প্ৰচণ্ড জোৱাৰ। কিন্তু তাত মাথো অংকিত হৈছিল তেওঁলোক বাল্যকালৰ সঁচা কৰাৰ সাহস কাৰো হোৱা নাছিল। এইদৰেই এদিন তেওঁলোকৰ জীৱন পঞ্জাটিত টোকৰ মাৰিলে হাইস্কুল শেষান্ত পৰীক্ষাটিয়ে। সীমাহীন জল্পনা-কল্পনা সীমান্তৰ। এই পৰীক্ষা পাছ কৰিলেই নিজৰ জীৱনটোক সি বাস্তৱতাৰ লগত যুঁজ কৰাব পাৰিব আৰু এদিন জীৱনটো সুশৃংখলভাৱে স্থাপন কৰাৰ উচ্চতম শীৰ্ষত। লগে লগে ওৰ পৰিব তাৰ নিৰন্ন দিনৰ নিয়ত দুখ। কিতাপ-পত্ৰৰ অভাৱ যদিও, লাকীয়ে সেই অভাৱ পূৰণ কৰিলে। প্ৰতিটো অধ্যায় লাকীয়ে শেষ কৰাৰ পাছতেই সেই অধ্যায় হৈ পৰে সীমান্তৰ। লাকীয়ে টিউচন কৰি শেষ কৰা পাঠবোৰ সীমান্তই অতি মনোযোগেৰে শেষ কৰে। যিহেতু তাৰ ঘৰুৱা টিউচন লবলৈ অৰ্থৰ প্ৰচুৰ অভাৱ। সেই টকাৰে সিহঁতৰ ঘৰখন কেইবা দিনো চলিব পাৰে। এনে প্ৰস্তুতিৰে এদিন পৰীক্ষা শেষ হ'ল আৰু কালিলৈ ৰিজাল্টও দিব বুলি সীমান্তই অহুকাণে পহুকাণে শুনিছে।

পৰীক্ষাৰ ফলাফল সীমান্তই আনিব লগা নহ'ল। ওচৰৰে গোঁহাই চাৰে সি অংক, ইংৰাজীত লেটাৰ মাৰ্ক আৰু প্ৰথম বিভাগৰ ফলাফলটো লৈ আহিল। লাকীয়ে কিন্তু দ্বিতীয় বিভাগতহে পাছ কৰিলে। ঘৰখন হৈ পৰিল হাঁহিমুখৰ। মাকে খুড়ীয়েকক ৰিজাল্টটো চিঞৰি চিঞৰি জনালে। মাক-দেউতাক, খুড়াক-খুড়ীয়েক, ভায়েক-ভনীয়েকহঁতৰ মুখত হাঁহিৰ কল্লোল। বহু বছৰৰ মূৰত তেওঁলোকে প্ৰাণখুলি হাঁহিব পাৰিছে, একমাত্ৰ সীমান্তৰ বাবে। সৰু ভায়েকে মাংস খাম বুলি পুখুৰীত চৰি থকা হাঁহকেইটা খেদিবলৈ গলেই— কিন্তু সীমান্ত ??

মাথো নিস্তেজ মুখখনিত নিঃসৃত কেইটোপালমান চকুলো। সি কিংকৰ্তব্যবিমূঢ়। কি হ'ল আজি তাৰ ? আনকালেটো সি কল্পনাৰ সাগৰত গভীৰৰ পৰা গভীৰতমলৈ সাতুৰি নাদুৰি ফুৰিছিল, কিন্তু আজি?? সেই শীতল মস্তিষ্কটিত কিলকিলাবলৈ ধৰিলে তাৰ অনাগত দিনৰ নিষ্প্ৰভ কাঁটানুবোৰে। কেনেকৈ সি উচ্চ শিক্ষা লব ? কেনেকৈ মাক-দেউতাকে তাৰ পঢ়াৰ খোৰাক যোগাব ? অন্যহাতে, ইমান সা-সুবিধা, তথা কষ্টৰে পঢ়া লাকীৰ ৰিজাল্ট কিয় এনে হ'ল ? দুয়োটো একে সমানে তথা বাজী মাৰি পঢ়িছিল ৰাতি দুটা, তিনিটালৈকে। মনত পৰিল, এদিন ওচৰৰে কমলহঁতৰ আইতাকে কৈছিল, "ধনৰ চহকী সদায় ধনৰ হে চহকী হয়, শিক্ষাৰ ধনী হব নোৱাৰে। হলেও ই অস্থায়ী। কিন্তু শিক্ষাৰ ধনী স্থায়ী। বেছি সা-সুবিধাপ্ৰাপ্ত ল'ৰা-ছোৱালীৰ হেনো মগজুৰ বিকাৰ ঘটে।" আইতাৰ এই কথাষাৰৰ সাৰমৰ্ম আজি সীমান্ত অলপ হলেও উপলব্ধি কৰিলে।

এইবাৰ সীমান্তই ডিব্ৰুগড়ৰ দদায়েক সম্বন্ধীয় এঘৰত থাকি পঢ়িবলৈ ললে। এডমিচনৰ বাবে মাকে তেওঁৰ বিয়াত জোৰোণত দিয়া সোণৰ চেইনডাল লাকীৰ মাকৰ ওচৰত বন্ধকত ৰাখিলে আশাৰ প্ৰদীপ সীমান্তৰ কাৰণে। কিন্তু এই কথাষাৰ মাকে সীমান্তৰ তথা লাকীৰ কৰ্ণগোচৰ হবলৈ নিদিলে আনকি লাকীৰ সেই ফোপোলা আভিজাত্য বিলীন হৈ যোৱা মাকেও দুখৰ শিলাস্তৰত জীৱনৰ পম খেদা পৰিয়ালটিক অকণমান সহায় কৰিব নোৱাৰিলে, বিচাৰিলে প্ৰতিদান ৰূপে মাকৰ একমাত্ৰ সোণৰ চেইনডাল।

সীমান্ত বৰ্তমান কানৈ কলেজৰ কলা শাখাৰ ছাত্ৰ। যদিও বহুতে তাক বিজ্ঞানৰ শাখাত নাম ভৰ্ত্তিৰ বাবে কৈছিল কিন্তু তাৰ দৃষ্টিভংগী তথা জীৱনৰ উদ্দেশ্য ডাক্তৰ, ইঞ্জিনিয়াৰ নাছিল, আছিল প্ৰকৃত 'মানুহ'

হোৱাৰ। ঠিক সেইদৰে একে উদ্দেশ্যে লাকীয়েও গুৱাহাটীৰ কটন কলেজত নাম ভৰ্ত্তি কৰিলে কলা শাখাত। এইদৰেই এদিন দুয়ো মৰমৰ বান্ধোন ছিঙি আঁতৰি আহিছিল দুয়ো দুয়োৰে পৰা। কিন্তু চিৰদিনৰ বাবে নহয়। অন্যহাতে সীমান্তৰ আৰম্ভ হৈছিল জীৱন সংগ্ৰাম। এটা সুস্থ জীৱনৰ সন্ধানত। কলেজৰ বন্ধু-বান্ধৱ বৰ বেছি নাছিল তাৰ। যিহেতু আজিৰ সেই সাজ-পোছাকৰ দ্বাৰা চিহ্নিত ৰঙীণ সমাজখনক সি ঘৃণা কৰিছিল। যিহেতু সি প্ৰমাণ পাইছে। হাৱাই চেণ্ডেল পিন্ধি যোৱা সীমান্তৰ লগত বহুতে বন্ধু পাতিব নোখোজে। কিজানি সেই মাক দেউতাকৰ ছত্ৰ ছায়াত গৰ্ব কৰা ল'ৰাহঁতৰ মৰ্যাদা হানি হয়। কিন্তু সীমান্তই কোনো দিন নিজকে হীনমন্যতা জ্ঞান কৰা নাছিল। সেয়ে সি বিচাৰিছিল এজন সঁচা বন্ধু। কিন্তু— ক'তা ? যৌৱনৰ দুৱাৰডলিত অজ্ঞাতেই অনুভৱ কৰিছিল সি নিসঙ্গতা। অভাৱ অনুভৱ কৰিছিল এগৰাকী বান্ধৱীৰ। মনত পৰে প্ৰাণৰ বান্ধবী লাকীজনীৰ কথা। তাই যে কিমান দূৰলৈ আঁতৰি গ'ল। এতিয়া মাথো সি নিজকে শান্তনা দিয়াৰ বাহিৰে অন্য একো কৰিব নোৱাৰে। কলেজ বাৰান্দাত, গছৰ তলত, কেনটিনত সেই পৰিচিত-অপৰিচিত যুৱক-যুৱতীহঁতক দেখি তাৰ ভয় হয়। নিজক লৈ কিজানিবা ? কেতিয়াবা মন যায় পিঠিত পাখি লগাই সুন্দৰ পৃথিৱীখন উপভোগ কৰিবলৈ। মৌমাখিৰ দৰে সতেজ ফুলপাহৰ মধুৰে সিক্ত কৰিবলৈ মন প্ৰাণ। নাই নোৱাৰি। ঘৰখনৰ প্ৰতিটো কাৰ্যই তাক আমনি কৰে, মাক-দেউতাকৰ কষ্ট ও সেই সপোনবোৰে। সি সেই কষ্টৰ অৰ্থ দিবলৈ চেষ্টা কৰিব লাগিব। ঘৰখনত সি আশাৰ অপূৰ্ব নীহাৰিকা আৰু সীমাহীন উজ্বল ভাস্কৰ। তাৰ ওপৰতেই গোটেই ঘৰখনৰ দায়িত্ব। এই উদ্দেশ্যেই এদিন সি ঘৰখনৰ পৰা, মাক-দেউতাকক সেৱা জনাই বিদায় মাগিছিল। ভনীয়েকৰ কপালত আঁকি দিছিল এটি চুমা। তেতিয়াও তাই দুৱাৰৰ চুকত ফেকুৰি ফেকুৰি কান্দিয়েই আছিল। দেউতাকে আশাৰে বিদায় দিছিল— 'যা, সোণ, তই যেন 'সোণ' হৈ ঘূৰি আহ।' আকৌ সেই পাখিলগা মনটো বাধা দিয়ে মাকৰ সেই সাৰুৱা কথাষাৰে— 'বগা কাপোৰত দাগ লাগিলে কেতিয়াও নুগুচে, সেয়ে সকলো শেষ হলেও চৰিত্ৰক নিঃশেষ হবলৈ নিদিবি সোণ।' পুনৰ ঘূৰি যায় সি বোবা হৈ সেই দিনবোৰলৈ। যিবোৰ দিনত মাক-দেউতাকে সংগ্ৰাম কৰিছিল, অন্ন, বস্ত্ৰ, বাসস্থানৰ সতে।

আজৰি সময় উলিয়াই সীমান্তই চাৰিটামান টিউচন গোটাই লৈ তাৰ খৰচ উলিয়াবলৈ ধৰিলে। মাজে মাজে ফাষ্ট ক্লাছ কনট্ৰেকটৰ বৰুৱা দাদাৰ মহৰী ৰূপেই কাম-কাজ কৰিবলৈ ধৰিলে। লগে লগে তাৰ স্বাধীন মনা মনটোৱে ঠন ধৰি উঠিব ধৰিলে। এনেবোৰ ক্ষেত্ৰত কেতিয়াবা বহুতৰ লগত মানসিক দ্বন্দও গঢ়ি উঠিল। কিন্তু সীমান্তই পৰিস্থিতিৰ লগত নিজকে থিতাপি লগাব জানিছিল।

অশেষ কষ্টৰে সীমান্তই হায়াৰ চেকেণ্ডাৰী, বি, এ, আৰু কলিকতাৰ পৰা মেনেজমেণ্ট ক'ৰ্চ প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ পাছ কৰিলে। সীমান্তৰ ফলাফল তথা ফটো বাতৰি কাগজত ওলাল। সীমান্তৰ জীৱনটো সাৰ্থক হোৱা যেন লাগিল। কিন্তু ক'তা ? এতিয়াওটো বহুত বাকী। অন্যহাতে লাকীয়েও এম, এ পাছ কৰিলে সুখ্যাতিৰে। বৰ্তমান তাই যোৰহাট জগন্নাথ বৰুৱা কলেজৰ ইংৰাজী বিভাগৰ প্ৰবক্তা। এয়া হয়তো দুয়োৰে চৰম সফলতা। যাৰবাবেই দুয়ো এদিন শপত খাইছিল 'মানুহ' হোৱাৰ। কিন্তু সেই দিন ধৰি সিহঁতৰ লগ পোৱাৰ সৌভাগ্য হোৱা নাই। মাজে মাজে সেই অভিমানী ছোৱালীজনীৰ চিঠি পত্ৰ পায় সি। তাইৰ আদৰ্শ, ব্যৱহাৰ আৰু ইমান সম্ভ্ৰান্ত পৰিয়ালৰ ছোৱালী হৈও বাহ্যিক সম্পত্তিৰ প্ৰতি অনিহা আদি চৰিত্ৰটোৱে তাক খুবেই আকৃষ্ট কৰে। কেতিয়াও নিজকে তুচ্ছ নকৰা ছোৱালীজনীৰ কিন্তু আছে এখন পবিত্ৰ হৃদয়। যিখন হৃদয়ৰ অসীম অভাৱ কিবা-কিবিৰ, কিন্তু তাক প্ৰকাশ কৰিলেও দুৰ্বলতা প্ৰকাশ পাববুলি ভাবিয়েই সি অপ্ৰকাশ্য হৈ ৰ'ল। ঘপহ কৈ মনত পৰিল তাৰ এদিন সৰু ঘটনা এটা তাহানি গাঁৱৰ ৰমেনে সৰুভনীক পলোৱাই নি মন্দিৰত বিয়া পতাৰ কথা শুনি সীমান্তই তাইক ধেমালিতে সুধি পেলাইছিল, 'ঐ তই বাৰু মোৰ লগত পলাই যাবিনে?' তাই তৎ মুহূৰ্ত্ততে অভিমানৰ সুৰত কৈ পেলাইছিল, 'তোৰ লগত বিয়া হোৱাতকৈ বিক্সাৱালা এটালৈ যোৱাই ভাল।' কিন্তু জানো এই কথাষাৰে আজি সীমান্তৰ সৰ্ব শৰীৰত এজাক পছোৱাই স্পৰ্শ কৰি গ'ল। ইয়েই চাগে প্ৰেম।

যৌৱন ছন্দোময় প্ৰভাত উৎসুক্য অথবা ৰৌদ্ৰদীপ্ত পৃথিৱীৰ স্ফুৰিত সজলতাৰ প্ৰতি আকৃষ্ট হোৱা ই প্ৰেম নহয়। ই সিহঁতৰ প্ৰকৃত তথা পবিত্ৰ প্ৰেম। যাক কোনো কলঙ্কৰে অলংকিত কৰিব নোৱাৰি। কিন্তু আজিলৈকেটো কোনোও কাকো প্ৰকাশ কৰিব পৰা নাই?

সীমান্তৰ চিন্তাৰ সোঁ বৈ গ'ল তৎমুহূৰ্ত্ততে অন্য এক দিশলৈ। অশ্ৰুভৰা জীৱনটোত সি পুনৰ আত্মদন্দত ডুব গ'ল গভীৰ পৰা গভীৰতমলৈ। যিহেতু তাৰ চাকৰি এতিয়াও হোৱাই নাই। কণ্টকাকীৰ্ণ জীৱন তথা কলুষ-কালিমাৰে পূৰ্ণ সমাজ ব্যৱস্থাই তাক বিৰক্তি জন্মাইছে। যোৱা মাহত দিয়া ইনটাৰভিউটোৰ ৰিজাল্ট ওলাল। কোনো এজন সম্ৰান্ত পৰিয়ালৰ লৰাই এক লাখ টকাৰে চাকৰিটো কিনি ল'লে হেনো। এই শাসন ব্যৱস্থা, পৰীক্ষাৰ নামত প্ৰহসন, টকাৰে জীৱন তুলা-চালনীত জোখা মানুহবোৰৰ কথা চিন্তা কৰিলে তাৰ পুতৌ জন্মে, ঘৃণা জন্মে, যিবোৰে ধ্বংস স্তুপ তৈয়াৰ কৰিছে মহাত্মাৰ দেশখন। এই ৰহস্যাত্মক পৃথিৱীত যাক ধন চাকৰি লাগে, সি লাভ কৰা সৌভাগ্য নঘটে, যাক নালাগে, তাৰ পিছে পিছে ভাগ্যও বৰ্তমানে দৌৰা দৌৰি কৰে। কেতিয়াবা তাৰ এই সুন্দৰ চাৰ্টিফিকেটবোৰ পুৰি পেলাবলৈ মন যায়। সেই সময়ত, এই অৰ্থহীন চাৰ্টিফিকেটবোৰৰ বিষয়ে জনা গ'লে মাথো ধনকে ঘটিলে হেতেন চাকৰিৰ বাবে। তাৰ নিশ্চল জীৱনটোৰ কথা ভাবি স্ফুৰিত হৈ উঠিছে অশ্ৰুদীপ্ত গাল দুখনি।

সৌ পশ্চিম আকাশৰ বেলিটো ডুব যাবলৈ এতিয়াও বিন্দু সময় বাকী। নীলিম আকাশৰ তেজোদীপ্ত সুৰুজটিৰ আভাই মহাসাগৰৰ ঔদ্ধৰ্ত্য বক্ষত মাল্যবৰণ কৰিছে। বগলী লানিটোৱে অফুৰন্ত উল্লাসে উভতিছে আপোন বতৰালৈ নিজ পঁজাটিলৈ। ইটোৱে সিটোৰ ডিঙিত আলিঙ্গনৰ চেষ্টাত অগ্ৰসৰ, যেন তৃষ্ণাতুৰত মৰীচিকা খেদি ফুৰা কান্ত পথিকে পিয়াহ পলোৱাব বিচাৰিছে সেই দুচলুৰ। সীমান্তই সেই দৃশ্যবোৰ চাই তন্ময় হৈ ৰ'ল। অজানিতে হৃদয়খন আশাৰ সঞ্চাৰে পূৰঠ কৰিলে; যেন সেইজাক বগলীৰ ভিতৰত সি এক। ইমান দিনে বেলেগ কিবা এটা যেন অনুভৱ হোৱা পৃথিৱীখনৰ ৰংবোৰৰ লগত নিজক বিলীন কৰি দিবলৈ মন গ'ল। ইয়াতেই পাব যেন সি এক নতুন জীৱন, তথা জীৱনৰ ন ন সংবাদ।

এনেতে ঘৰলৈ মানুহ এজন গেট খুলি সোমাই আহিল। অস্পষ্ট ভাৱে কি এটা কৈ হাত এখন আগবঢ়াই দিলে। তাৰ বুজিবলৈ বাকী নাথাকিল, যে তাৰ কিবা বতৰা আহিছে। দুয়োখন একেলগে কালি দেখে যে তাৰ 'ভাৰতীয় তেল নিগমত চাকৰি হৈছে। আনখন? লাকী। লাকীৰ চিঠি। সীমান্ত আনন্দত আত্মহাৰা হৈ উঠিল যেন সি তললৈ জাপ মাৰিহে দিব! সি এপইনমেন্ট লেটাৰখন নপঢ়াকৈ লাকীৰ চিঠিখন অন্তিম বাক্যকেইটা, সোণ গুটি যেন হৈ স্পষ্ট ভাবে থকা আখৰকেইটাত চকু পৰিলগৈ 'সীমান্ত আমাৰ বালিঘৰটি, বালিঘৰ হৈয়ে থাকিবলৈ দিবা নেকি? কিমান দিন প্ৰতীক্ষা কৰি মই মোৰ হৃদয় উৰুখা পঁজাটিত সজাই তুলিবানে ছন্দোময় মানসকুঞ্জ মোৰ, তোমাৰ জীৱন তুলিকাৰে??

(ৰহস্য গল্প)

# স্মৃতিৰ স্মৃতি

জয়ন্তদীপ দত্ত

দীঘলীৰ পাৰৰ ছোৱালী হোষ্টেল। বন্ধৰ দিনৰ আনন্দ মুখৰ আবেলি.......... হঠাতে হোষ্টেলৰ সম্মুখত এখন মাৰুতি ৰ'লহি। ..........গাড়ীৰ পৰা নামিল এনীশা বৰুৱা বিয়াৰ পিছত এনীশা শইকীয়া হৈ উভতি আহিছিল হোষ্টেললৈ। ..........নিশা এনীশাই হোষ্টেলত এটা ভোজ দিলে। তাৰ পিছত সকলোবোৰ শুবলৈ গ'ল— কিন্তু মাজনিশা হঠাতে এনীশাৰ কি হ'ল, প্ৰায় উন্মাদৰ দৰে আৰ্তনাদ কৰি উঠিল 'আঃ মৰিলোঁ মৰিলোঁ......' এক অশৰীৰিয়ে এনীশাক যেন হত্যা কৰিব খুজিছে।

ত্ৰিবেণীৰ ভাল টোপনি অহা নাছিল। তাতে বিছনাখন ঠেক, দুজনী ভালদৰে নাটে। তাতে তাই অলপ শকত। পুৱা পুহৰি পুহৰি হওঁতে তাই উঠি আহিল। এক নম্বৰ ৰুমৰ চুকটোতে থিয় হৈ তাই ফুলনিখনলৈ চকু ফুৰালে, নিশা নিয়ৰ পৰিছিল।

পাতল কুঁৱলীৰ মাজেৰে দীঘলী পাৰৰ নিয়ন লাইট কেইটা বৰ ভাল লাগিলে তাইৰ। হোষ্টেলৰ বোধকৰো কোনো উঠা নাই। অ' নহয়, সেইয়া অৰুণিমা হ'ব পায়। শেৱালি এজোপাৰ তলত বহি ফুল বুটলিছে। এইৰ আকৌ শেৱালি ফুল বোটলাৰ খুব চখ। কালি ৰাতিয়ে ঘটনাটো ঘটি গ'ল। ত্ৰিবেণীৰ যোৱা নিশালৈ মনত পৰিল। অৰুণিমা খুব সৰু কালতে বিধবা হৈছিল।

কিন্তু অৰুণিমাইটো বগা কাপোৰ নিপিন্ধে? চাটকৈ তাইৰ মনত কথাটো খেলাই গ'ল। অ' অৰুণিমা নহয়। সেয়া অপৰাজিতা। অপৰাজিতা আজি ইমান পুৱাতে উঠিলিনে?

ত্ৰিবেনীয়ে আকৌ আহিছিল। ত্ৰিবেনীই ফুল বুটলি থকা অপৰাজিতালৈ একেথৰে চাই চায়েই ক'লে— 'টোপনি নহ'ল অ' ত্ৰিবেণী।' ফুল বুটলি থকাৰ পৰা ছোৱালীজনীয়ে মূৰ তুলি চালে। আৰু, আৰু.... আচৰিত....কৰি কবিতা আৰু ত্ৰিবেণীয়ে নিজৰ চকুকেই বিশ্বাস কৰিবলৈ টান পালে........ছোৱালীজনী.......ফুল বুটলি থকা ছোৱালীজনী......শেৱালী জোপাৰ তলতে দুয়োবো আগতে কুঁৱলীৰ সৈতে মিলি নেদেখা হৈ গ'ল।

"অ' মা মৰিলোঁ।" বুলি দুয়ো একেজাপে কোঠাৰ ভিতৰ পালেহি। পুৱা গোটেই হোষ্টেলতে হুলস্থুল। চব ছোৱালীয়ে পঢ়া শুনা বাদ দি গোটেই পুৱাটো যোৱা নিশাৰ ঘটনাটো লৈয়েই আলোচনা কৰিবলৈ ধৰিলে।

বাইদেউ আহি প্ৰথমেই সুধিলে, "কোনোবা দুষ্ট ল'ৰাই ভয় দেখুৱা নাইটো?" নহয় হ'ব নোৱাৰে। ইমান কেইজনী ছোৱালী কান্দোন শুনিছে। ফটোখন পৰি যোৱা দেখিছে। আৰু ত্ৰিবেণী কবিতাইতো নিজ চকুৰে ফুল বুটলি......ঔ আই, কথাটো ভাবিলেই দিনতো গাটো জিকাৰ খাই উঠে।

এনীশাৰ অৱস্থা চাব নোৱাৰা হ'ল। তাই এনেই ধুনীয়া। বিয়াৰ পাছত উভতি আহোঁতে তাইৰ সৌন্দৰ্য্য দুগুনে চৰিছিল।

সেইজনী এনীশাৰ বয়স যেন একে দিনাই পঁচিশ বছৰ বাঢ়ি গ'ল। দুয়ো চকুৰ গুৰিত স্পষ্ট ক'লা দাগ।

কলেজতো সেইদিনা ভূতৰ কথাই মুখ্য হৈ পৰিল। ভূত, ভূত, ভূত। হোষ্টেলত ভূত ওলাইছে সকলোৰে মুখত কেৱল ভূতৰ কথা।

সন্ধিয়া হওঁ হওঁ। দীঘলী পাৰত ব্যস্ততা। ৰূপৰ মেলা ৰচকী আইদেউসকল নিজ নিজ ঠাইলৈ যাবলৈ ধৰিলে। ল'ৰাৰ সংখ্যা পাতলি যাবলৈ ধৰিলে।

লাহে লাহে সন্ধ্যা লাগি ভাগিল। এক সম্ভাব্য বিপদলৈ অপেক্ষা কৰি মৌন হৈ ৰ'ল এনীশা।

অকল এনীশাই নহয়। হোষ্টেলৰ বাকীবোৰ ছোৱালীবো ভয় লাগিছিল। সন্ধিয়া হোৱাৰ লগে লগে তলৰ মহলাৰ ছোৱালীবোৰ আহি চাৰি নম্বৰ ৰুমত গোট খালেহি। এনীশাও দিনতে বাইদেউহঁতে ঠিক কৰিছিল যে ৰামশীষ নামৰ চকীদাৰ এজনে ওপৰ মহলাত পহৰা দিব।

চাৰি নম্বৰ কোঠাৰ ভিতৰত এনীশাক ঘেৰি এজাক ছোৱালী। প্ৰত্যেকৰে বুকুত কঁপনি। মাথোন দুৱাৰ

মুখতে খুকুৰি লৈ থিয় হৈ থকা ৰামশীষৰ সাহসতেই কোনোমতে আছে। হোষ্টেলৰ বাকী কেইটা ঘৰতো জুম পাতি ছোৱালীবোৰ বৈ আছে। আশংকাত কি ঘটে বুলি। সকলোৱে লাইট জ্বলি আছে।

সকলো ছোৱালী নিশ্চুপ। কোনেও কথা কোৱা নাই। যেন কথা কলেই ভূতে তাইকহে প্ৰথমে ধৰিবহি।

ৰামশীষে অভয় দিলে, "একো ভয় কৰিব নেলাগে। মই আছোঁ নহয়।"

ৰামশীষৰ কথা শেষ হ'বলৈ নেপালেই। দুই নম্বৰ ৰুমত ঘৰ ঘৰাই চকী-মেজ-বিছনা টানি লৈ ফুৰা শব্দ হ'ল। কোন? কোন? বুলি খুকুৰি জোকাৰি ৰামশীষ দুই নম্বৰ ৰুম পালেহি। লগে লগে তিনি নম্বৰ ৰুমত চকী মেজ টনা শব্দ আৰম্ভ হ'ল। চাৰি নম্বৰ ৰুমত থকা ছোৱালীবোৰে ভয়তে চিঞৰি উঠিল।

চকীদাৰ দৌৰি আহিল চাৰি নং ৰুমলৈ। তাৰ পৰাই সি চিঞৰি দিলে বাকী দুটা চকীদাৰক, "শালগ্ৰাম, মতি....।"

হঠাৎ গোটেই হোষ্টেলটো ঘৰংকৈ কঁপি উঠিল। তাৰ পিছত নূপুৰ পিন্ধি যেন কোনোবাই দুই নম্বৰ ৰুমত নাচিবলৈ ধৰিলে......... ৰুণজুন.......ৰুণজুন....... লগে লগে বেল গছ জোপাৰ পৰা ভয় লগা হাঁহি ......... খিক্ খিক্ খিক্ খিক্ হঁহাৰ বিৰাম নাই। নচাৰ বিৰাম নাই.........ছোৱালী জাকৰ অঠ-কণ্ঠ ভয়ত শুকাই গৈছে। ৰামশীষে ক'লে, "আপোনালোক ইয়াত নথকা ভাল, ব'লক সেই ঘৰলৈ যাওঁ।"

ছোৱালীবিলাকে ভয়ত জাঁপমাৰি বাহিৰলৈ ওলাই আহিল। কিন্তু চিৰি পাৰ হবলৈ কোনেও সাহ নকৰিলে। ৰামশীষৰ কথামতে মতি আৰু শালগ্ৰাম আগে আগে গ'ল। ছোৱালীকেইজনী দৌৰি ওলাই তলৰ মহলাৰ বাৰান্দা পালেহি। পিছে পিছে ওলাই আহিল ৰামশীষ।

এনীশাৰ যে কি অৱস্থা। তাই ইফালে সিফালে চাই বাৰান্দাৰ এচুকত ওলমি থকা কিবা এটা বস্তু চকু থিৰ হৈ ৰ'ল। আৰে, আৰে মকৰা জালখন দীঘল হৈ পৰিল দেখোন— তললৈ নামি আহিল— এখন হাতৰ দৰে হ'ল— হাতখন ছোৱালীজাকৰ ফালে আগবাঢ়ি আহিল— আৰু আগবাঢ়িল— তেনেই ওচৰ পাওঁ পাওঁ হ'ল— এই এনীশাক চুলেহি— দীঘল হাতখন— দীঘল দীঘল নখ স্পষ্ট, একেবাৰে সুস্পষ্ট— এনীশাৰ ফালে হাতখন আগবাঢ়ি গ'ল। এই এনীশাক ধৰো ধৰো—।

এনীশাই এটা বিকৎ চিঞৰ মাৰি অজ্ঞান হৈ পৰি গ'ল। মুখেৰে বগা ফেন ওলাল।

বহু সময় শুশ্ৰুষা কৰাৰ পাছত এনীশায়ে জ্ঞান পালে। তাই চিঞৰি কান্দিবলৈ ধৰিলে....... "মোক এতিয়াই ঘৰলৈ পঠিয়াই দিয়ক বাইদেউ, ইয়াত নহ'লে তাই মোক মাৰি পেলাব"। কোন ? কোন তাই? কোন সেই অশৰীৰি ছোৱালী? ছোৱালী জনীক বাইদেউৱে দেখিছিল, ছোৱালী বিলাকেও দেখিছিল আৰু দেখিছিল ৰামশীষে। সি লগে লগে বাইদেউক ক'লে, "মই ভূতটোক চিনি পাঁলো বাইদেউ।" "কি?" "হয়। চিমিতি বৰুৱা। মই ঠিক চিনিছোঁ।" স্মৃতি বৰুৱা। বাইদেউৰ মন উভতি গ'ল পুৰণি দিনলৈ। হঠাৎ এটা উচুপনিৰ শব্দ কংক্ৰিটৰ ঘৰটোৰ পৰা ভাহি আহিল। বুকু ভৰা বেদনাত যেন কোনো এক গাভৰুৱে উচুপিছে........। হ'ব পাৰে সেয়া স্মৃতিৰ। কিন্তু স্মৃতিৰ ইমান আক্ৰোশ কিয় এনীশাৰ প্ৰতি? তাকো তাইৰ বিয়াৰ পাছত?

স্মৃতি কোন জানিবলৈ হলে কলেজৰ পুৰণি হোষ্টেলৰ আটাইতকৈ পুৰণি চকীদাৰ ৰামশীষৰ ওচৰ চাপিব লাগিব। স্মৃতিৰ সম্পৰ্কে বহুতো কথাই ৰামশীষে ক'ব পাৰিব।

স্মৃতিৰ কথা জানিবলৈ আমি ৰামশীষৰ লগতে চাৰি বছৰ অতীতলৈ যাব লাগিব। স্মৃতি বৰুৱা আছিল সেই হোষ্টেলৰ ছাত্ৰী। তাইৰ কাহিনীৰ প্ৰতিটি শব্দৰ আঁৰত লুকাই আছে বিষন্নতা প্ৰতিটো বাক্যৰ আঁৰত লুকাই আছে নোপোৱাৰ। পাই হেৰুৱাৰ বেদনা। লুকাই আছে গভীৰ প্ৰেম; আন্তৰিকতা হৃদয়ৰ ৰঙীন স্বপ্ন। লুকাই আছে বিশ্বাসঘাটকতা, স্বপ্ন ভঙ্গৰ কৰুণ ইতিহাস।

আন দহজনী ছোৱালীৰ দৰে স্মৃতি বৰুৱাও এদিন অনেক স্বপ্ন, অনেক আশা লৈ পঢ়িবলৈ আহিছিল গুৱাহাটীৰ এইখন কলেজলৈ। বগাপানীৰ চাহ বাগিছা এখনৰ মালিকৰ জীয়েক স্মৃতিৰ মন তেতিয়া ৰং আৰু ৰঙেৰে ভৰা। হোষ্টেলৰ ছোৱালীজাকৰ মাজত বহুতো কিবা পোৱাৰ আনন্দত মতলীয়া। স্মৃতিয়ে নাচিছিল। দেহৰ ভাজে ভাজে গপোন সৃষ্টি কৰি নূপুৰৰ ৰুণ-

জুনেবে সকলোকে চমক লগাই স্মৃতিয়ে নাচিছিল।

ফাগুন আহিল দেহলৈ, ফাগুন আহিল মনলৈ। ফাগুনৰ আবিৰেৰে ৰাঙলী এনে এটি ক্ষণতেই স্মৃতিৰ চিনাকি বিদ্যুত বৰুৱাৰ সৈতে, বিদ্যুতে তবলা বজাইছিল তাইৰ নাচত কোনো এক অনুষ্ঠানত।

দিন পাৰ হোৱাৰ লগে লগে বিদ্যুত আৰু স্মৃতি নামৰ দুটি হৃদয় প্ৰেমৰ বান্ধোনেৰ এক হ'ল। মনৰ কথা দিলে; ল'লে। বহুতো গধূলি সুখৰ কৰি তুলিলে বিদ্যুত-স্মৃতিৰ কথাই।

বিদ্যুত বৰুৱাই বি-এছ-চি পাছ কৰিলে। তাৰ পিছত বিশ্ববিদ্যালয়ৰ পৰা এম-এচ-ছি। বিশ্ববিদ্যালয়ত থকাৰ দিনতো বিদ্যুত-স্মৃতিৰ সোণালী দিনবোৰ যুগমীয়া কৰি ৰাখিলে দীঘলীৰ পাৰে। দীঘলী পুখুৰী পাৰত থকা কৃষ্ণচূড়া, সোণাৰু কেইজোপাই দুয়োৰে হৃদয়ৰ গোপন বতৰা সাঁচি ৰাখিলে।

এদিন বিদ্যুতে স্মৃতিৰ হাত এখন তাৰো দুয়ো হাতৰ মাজত মুঠি মাৰি আবেগ-বিহ্বল কণ্ঠেৰে কৈছিল 'স্মৃতি তোমাক মই যুগ-যুগান্তৰ ধৰি মনৰ মণিকোঠাত উজ্বলাই ৰাখিম। তোমাক মোৰ মোৰ কাষতেই ৰাখিম চিৰদিন......।

স্মৃতিয়ে মাথোঁ কৈছিল, "তেনেহ'লে কথা দিয়া।"

"কথা দিলোঁ। এই দীঘলী পুখুৰী সাক্ষী ৰ'ল।" সেই দিনা বিদ্যুতৰ কথাত অভিভূত হৈ স্মৃতিয়ে মেলি লৈছিল ডায়েৰিখন, বহুতো কথাই লিখিম বুলি। নোৱাৰিলে, তীব্ৰ মনৰ আনন্দত তাই একোৱেই লিখিব নোৱাৰিলে। বহু সময় ভাবি ভাবি নিশা শুবলৈ যোৱাৰ আগতে তাই মাথোঁ একেটি বাক্যই সিদিনাৰ পাতখিলাত লিখিলে ঃ কথা দিলো দীঘলী পুখুৰী সাক্ষী ৰ'ল।

কিন্তু সেই প্ৰেমৰ মৰ্যাদা বিদ্যুতে ৰাখিব নোৱাৰিলে। চাকৰিত সোমাই স্মৃতি নামৰ হৃদয়খনৰ কথা সি পাহৰি পেলালে। যেন দীঘলীয়া বাছৰ যাত্ৰাৰ কাষতে বহা, তাতেই সাধাৰণভাৱে চিনাকি হোৱা এজনী ছোৱালী স্মৃতি।

স্মৃতিয়ে সেইবাৰ বি-এ ফাইনেল দিব। তাই বিদ্যুতলৈ বহুতো চিঠি লিখিলে কিন্তু সেই নিষ্ঠুৰ বিদ্যুতে তাইৰ হৃদয়ৰ বুজি নেপালে আৰু এখনো চিঠি নিদিলে।

কাৰোবাৰ কোনোবাৰ মুখে স্মৃতিয়ে শুনিছিল বিদ্যুতৰ কথা। ছাত্ৰ-জীৱনত আহৰি সময়কন কটাবলৈ এজনী ছোৱালীৰ সতে কৰা প্ৰেম যুগমীয়া কৰি ৰখাৰ পক্ষপাতি নহয়। স্মৃতিয়ে উচুপিছিল। যি বিদ্যুতক তাই সৰ্বস্ব দি ভাল পাইছিল সিয়েই—। তথাপি তাই ভাবিছিল, তাইৰ বিদ্যুত এদিন আকৌ উভতি আহিব। দীঘলী পুখুৰী সাক্ষী.........।

এদিন হঠাৎ বিদ্যুতক লগ পালে স্মৃতিয়ে। দুয়ো একেখন চিনেমা চাইছিল। হিয়াত হেজাৰ আশালৈ তাই বিদ্যুতক লগ ধৰিলে আৰু বিদ্যুত? সিতো স্মৃতিৰ সৈতে কথাই পাতিব নোখোজে। স্মৃতিৰ সৈতে তাৰ চিনাকি সাধাৰণভাৱে আন বহু কেইজনী ছোৱালীৰ দৰে। স্মৃতি স্তব্ধ হৈছিল তাৰ কথা শুনি। কৈছিল সেই সন্ধিয়াৰ কথা। সি যে কৈছিল— কথা দিলো।

বিদ্যুতে হাঁহি দিলে। কিমান ছোৱালীক সি কিমান কথা দিলে। সেইবোৰ সি নিজেও মনত ৰখা নাই। ছোৱালীবোৰেও মনত ৰখা নাই। কোনোবা এটা মুহূৰ্ত্তত হয়তো সি কথা দিছিল তাইক। দিব পাৰে, সেইটো একো ডাঙৰ কথা নহয়। কিন্তু দিয়া কথা ৰাখিব বুলিতো বিদ্যুতে স্মৃতিক কোৱা নাছিল। বিদ্যুতে এইবাৰ তাইক উপদেশ 'বুজিছা স্মৃতি। তুমিতো ভাল নাচা। কিন্তু তাতোকৈ ভাল নচুৱাব জানা.......। সেই কেইবছৰ মোক কম লটি ঘটি কৰিলানে? পাছলৈতো মোৰ পৰীক্ষা দিবলৈ ভয় লগা হৈছিল— কেৱল তোমাৰ বাবে। এতিয়াও সময় উকলি যোৱা নাই। ডাঙৰ চাই অফিচাৰ দুজনমানক নচুৱাবলৈ ধৰা, এজনতো জালত পৰিবই.............।

বিদ্যুতে আৰু কি কি কৈছিল শুনাৰ ধৈৰ্য্য নহ'ল। হিয়া ভাগি যোৱাৰ বেদনাত সেইদিনা স্মৃতিয়ে কাৰো বুজনি নামানিলে। তাইক বিদ্যুতে কিয় প্ৰতাৰণা কৰিলে? কিয় অপমান কৰিলে? স্মৃতিৰ সত্বাক, স্মৃতিৰ হৃদয়ক, স্মৃতিৰ প্ৰেমক বিদ্যুতে কিয় নিষ্ঠুৰভাৱে গছকি থৈ গ'ল? কিয়? কিয়??

দুদিন স্মৃতিয়ে একো নেখালে। লগৰ ছোৱালীয়ে আহি বহুতো বুজালে। বহুজনীয়ে নিজৰ ভগ্ন হৃদয়ৰ কাহিনী শুনালে। স্মৃতিয়ে মাথোঁ শুনি গ'ল। একোকে নক'লে।

স্মৃতিয়ে যুগমীয়া কৰি ৰাখিলে তাইৰ বিমল প্ৰেম।

প্ৰেমক স্বৰ্গীয় কৰি ৰাখিবৰ বাবেই তাই সেই চৰম পন্থাটোকেই বিচাৰি ললে। আৰু এদিন পুৱা দেখা গ'ল— স্মৃতিৰ নিথৰ দেহ বিছনাত শুই আছে চিৰদিনৰ বাবে। আৰু পৰি ৰ'ল বহু পাতৰ বহু কাহিনীৰ মাজত এটা বাক্য কথা দিলোঁ ঃ দীঘলী পুখুৰী সাক্ষী ৰ'ল।

ৰামশীষে কৈছিল— স্মৃতিয়ে আত্মহত্যা কৰাৰ পিছ দিনাৰে পৰা হোষ্টেলত অলপ অলপ উৎপাত আৰম্ভ হৈছিল। ঠিক উৎপাত নহয়। কিন্তু তেতিয়াৰ ছোৱালীবিলাকে বৰ ভয় খাইছিল।

স্মৃতিৰ কোঠা আছিল এক নম্বৰ। এক নম্বৰ কোঠাতো বাদেই। গোটেই ওপৰ মহলাতে প্ৰায় তিনিমাহমানলৈকে কোনো নেথাকিছিল। হোষ্টেলৰ অ'ত ত'ত বহুতেই ছয়া-ময়াকৈ স্মৃতিক দেখিছে। সকলোৱেই স্মৃতিৰ নূপুৰৰ ৰুণজুন শব্দ শুনিছে। আৰু শুনিছে ভগ্ন হৃদয়ৰ উচুপনি।

তেতিয়া চুপাৰ বাইদেৱে ছোৱালীবিলাকক সকীয়াই দিছিল— অকলে নুফুৰিবলৈ, নেথাকিবলৈ, পুৱা বেলি নৌ ওলাওঁতেই শুই নুঠিবলৈ।

সেয়া চাৰি বছৰ আগৰ কথা। লাহে লাহে সেই বিলাক নোহোৱা হৈ আহিল। স্মৃতি বৰুৱাৰ কথা লাহে লাহে সকলোৱে পাহৰি পেলালে। নতুন ছোৱালী কলেজলৈ আহিল হোষ্টেলত কেইটামান বছৰ।

এইটো হোষ্টেলৰ ছোৱালী এনীশাক বিদ্যুতে বিয়া কৰালে। হ'ব পাৰে, এনীশাৰ প্ৰতি স্মৃতিৰ আক্ৰোশ সেই বাবেই সি প্ৰেমৰ মৰ্যাদা ৰাখিবৰ বাবে স্মৃতিয়ে এই ৰং ভৰা পৃথিৱীৰ পৰা আঁতৰি গ'ল, সেইজন বিদ্যুত; যাক ঘৃণা কৰোঁ বুলিও স্মৃতিয়ে নোৱাৰিলে। সেই বিদ্যুতক দেহ আৰু মন সৰ্বস্ব দি ভাল পাব আন এজনী গাভৰুৱে? কিয়? তাইৰ বিদ্যুতক এনীশায়ে কাঢ়ি লৈ যাব কিয়???

হয়তো স্মৃতিৰ আত্মাই ইমানদিনে বিদ্যুতক পাহৰিব পৰা নাই। পাহৰিব পৰা নাই বিদ্যুতৰ প্ৰতি তাইৰ নিভাঁজ প্ৰেমক। আৰু হয়তো সেই বাবেই সহ্য হোৱা নাই এনীশাক। এক অক্ষম বেদনাত স্মৃতিয়ে হয়তো উচুপিছে। সেই উচুপনি নোপোৱাৰ বেদনাৰ; পাই হেৰুৱাৰ বেদনা। হয়তো এনীশাৰ বিদ্যুতৰ ওপৰত যিকণ অধিকাৰ সেইকণ স্মৃতিয়ে মুঠতে সহিব পৰা নাই।

সৌৱা, স্মৃতিৰ বুকুভঙা কান্দোন এতিয়াও শুনা গৈছে বিল্ডিঙটোৰ ওপৰ মহলাৰ পৰা। বাইদেৱে কৈছে ৰাতিপুৱালেই তেখেতে এনীশাক যোৰহাটৰ ঘৰলৈ পঠিয়াই দিব।

স্মৃতিয়ে হয়তো পাহৰা নাই মৰমৰ এই হোষ্টেলটো। পাহৰা নাই কৃষ্ণচূড়া, সোণাৰুৰে ভৰা দীঘলী পুখুৰীৰ পাৰ। পাহৰা নাই স্বপ্নমন্দিৰ সেই দিনবোৰলৈ আৰু হয়তো পাহৰা নাই বিদ্যুতৰ সেই কথাষাৰ— যিষাৰ কথা পৰম প্ৰত্যয় পৰম আন্তৰিকতাৰে স্মৃতিয়ে প্ৰেমৰ পবিত্ৰ স্মৃতি হিচাপে লিখি থৈছিল ডায়েৰিৰ পাতত— কথা দিলোঁ ঃ দীঘলী পুখুৰী সাক্ষী ৰ'ল। ■

# আকৌ বানপানী হ'ব

শ্ৰীলবিন মেধি

প্ৰণীতাই ভবা নাছিল যে তাই এদিন বিষণ্ন বদনে ৰাজপথলৈ ভিক্ষাৰ জোলোঙা লৈ ওলাই আহিব লাগিব। ভৰদুপৰীয়া ইঘৰৰ পৰা সিঘৰলৈ ঘুৰি ফুৰিব লাগিব। বোকোচাত এবছৰীয়া শিশু দিগন্তৰ মুখখন ৰ'দত কমলা টেঙাৰ দৰে ৰঙচুৱা হৈছিল। ঘৰৰপৰা ওলাই অহা আজি তিনিদিন হ'ল। কোনোবাই যদি মৰম কৈ দিছে খাইছে নহলে গোটেই দিনটো লঘোণে-ভোকে আছে। মাকৰ আহাৰ খাই জীৱন ধাৰণ কৰা শিশুটোৱে মাকে খাবলৈ নাপালে সি খাব ক'ৰপৰা ? প্ৰণীতাই ৰাষ্টাৰে গৈ থাকোঁতে সেই ভয়াবহ বানপানীৰ তাণ্ডৱ নৃত্যৰ কথা চকুৰ আগত ভাঁহি উঠিছিল।

পাঁচ বছৰৰ মূৰে মূৰে নিৰ্বাচন আহে বানপানীৰ দৰে টকাবোৰ চতিয়াই। প্ৰণীতাহঁতৰ দৰে বহুতো পুৰুষ-মহিলাই ভোট দিয়ে। সকলোৰে মাথোন একেটাই কথা নিৰ্বাচনত জিকিলে ইটো কৰি দিব সিটো কৰি দিব ইত্যাদি ইত্যাদি। ৰাইজক কৰি নিদিয়ে কি ? দলীয় ইস্তাহাৰত লিখি দিয়ে "আমাৰ নেতাক ভোট দিয়ক। আমি চৰকাৰ গঠন কৰাৰ সুবিধা পালে আমি অসমৰ নানা জ্বলন্ত সমস্যা সমাধান কৰাৰ বাবে উঠি পৰি লাগিম।" কিন্তু ! কিন্তু পাঁচ বছৰৰ মূৰে মূৰে গঠিত চৰকাৰে কি কৰিলে। অসমৰ সমস্যাবোৰ সমস্যা হৈয়েই ৰ'ল। অৱশেষত অসমীয়া ৰাইজে বানপানীৰ দৰে এক ভয়ঙ্কৰ সমস্যাৰ লগত মুখামুখী হব লগা হয়। বছৰে বছৰে হোৱা বানে বহুতো আলি-পদূলি দলং আদিৰ অনিষ্ট কৰে আৰু চৰকাৰে সেইবোৰ যুদ্ধকালীন গতিৰে মেৰামতি কৰি দিয়ে আৰু সিও স্থায়ী নহয়। আমাৰ দেশত উচ্চ শিক্ষাৰ দ্বাৰা শিক্ষিত এচ.ডি.অ', ইঞ্জিনীয়াৰ আছে। তেখেত সকলেই আমাৰ ভাগ্য নিয়ন্তা। দেশখনৰ প্ৰগতি বিশেষকৈ নিৰ্ভৰ কৰে ইঞ্জিনিয়াৰ আৰু ঠিকাদাৰৰ ওপৰত। এইবোৰ কথা চিন্তা কৰি থাকোতেই হঠাত মোৰ অলপ দূৰত থকা প্ৰণীতাৰ কথা মনত পৰিল। চকুৰে দুধাৰী তপত চকুলো বৈ আহিছিল। প্ৰণীতাৰ কথাৰ বুজ লবলৈ মোৰ বাৰুকৈয়ে মন গৈছিল। প্ৰণীতায়ো মোক দেখি সকলো বিৱৰি কোৱাৰ প্ৰয়াসেৰে আহি আহি মোৰ কাষ পালেহি। বহুদূৰ খোজকাঢ়ি আহি তাই ক্লান্ত, শ্ৰান্ত আৰু অৱস হৈ পৰিছিল। বোকোচাৰ কেঁচুৱাটি হোঁহকি যাব খোজে বাৰে বাৰে তুলি লয়। তাই চকুৰ পানীৰ টোপালবোৰ কথা কোৱাৰ প্ৰতিটো মুহূৰ্তে মুহূৰ্তে চাদৰৰ আচলৰে মচি উচুপিছিল। যেন এনে লাগিছিল তাইৰ অশ্ৰুত এক নতুন বানৰ সৃষ্টি হব। সঁচা কথা প্ৰণীতাহঁতৰ দৰে শত শত বোৱাৰীৰ বেদনাৰ কাতৰ চকুৰ পানীয়ে এক নতুন বানপানীৰ সৃষ্টি কৰিব নোৱাৰিলেও হাজাৰজনৰ অন্তৰত এক প্ৰতিবাদৰ নতুন সোঁত বোৱাই দিব পাৰিব। সেই চকুপানীয়ে ভণ্ড মুখা পিন্ধা নেতাসকলে ৰাজনৈতিক মঞ্চত উঠি ভণ্ড বক্তৃতাৰে জনমানসৰ বিভ্ৰান্তিৰ সৃষ্টি কৰাত বাধা দিব পাৰিব। প্ৰণীতাৰ আউলি বাউলী চুলিৰ সোঁমাজৰ শিৰত অস্তমিত আকাশক সেন্দূৰৰ সূৰুযটো ডুবাৰ ইঙ্গিত পোৱা গৈছে। তাই সকলো কথা কৈ গ'ল। সাতদিন একেৰাহে বৰষুণ। সিহঁতৰ ঘৰ চহৰৰ এখন পিছপৰা গাঁৱত। পাগলাদিয়াৰ নিচেই ওচৰৰ থকা মাথাউৰিৰ পশ্চিমফালে সিহঁতৰ ঘৰ। ৰাতি খাই বই আটায়ে শুই আছিল। বিয়া হোৱাৰ মাত্ৰ তিনিবছৰ হৈছে। দুটি ল'ৰা। যেতিয়া বাৰিষাৰ থৌকি বাথৌ টৌত পাগলাদিয়া ব্যাকুল হৈ সংহাৰ মূৰ্ত্তি ধৰি মথাউৰি ভাঙি ওলাই আহিছিল তেতিয়া সিহঁতৰ ঘৰত এবুকু পানী। এটা শব্দ হ'ল। বিকট চিঞৰ মাৰি ল'ৰাটো পৰিলে ঐ বুলি চিঞৰি দেউতাক পানীত জাপ মাৰি দিলে। দ্বিতীয়বাৰ আৰু মাত পোৱা নগ'ল। ঘোপ মৰা আন্ধাৰত প্ৰণীতাই পাৰে মানে কান্দিলে কিন্তু পানীৰ হো-হো শব্দ আৰু সেই শব্দৰ প্ৰতিধ্বনিত প্ৰণীতাৰ

কান্দোন অস্তমিত আকাশৰ ডুব্ব যোৱা সূৰুযটোৰ দৰে হৈছিল। প্ৰণীতাই হুমুনিয়াহ কাঢ়ি যাবলৈ উদ্যত হ'ল। প্ৰণীতাৰ কথাবোৰ শুনি মই অধৈয্য হৈ পৰিছিলো। প্ৰণীতা আজি বাটৰ ভিকহু। তাই সেহাই সেহাই আকৌ আৰম্ভ কৰিলে "চৰকাৰে সাহায্য দিয়া কথা কৈছিল, কিন্তু ক'তা আমিতো সেই সাহায্য নাপালো, সমাজৰ বৰ বৰ নেতা সকলে আমাৰ নাম লেখাই নিলে। শুনিলো চৰকাৰে হেনো প্ৰতিটো পৰিয়ালকে ঘৰ বনোৱাৰ টকা দিছে, কিন্তু ক'তা সেইবোৰতো আমাৰ ভাগ্যত নঘটিল।" প্ৰণীতাৰ এনেবোৰ কথা শুনি কোনো লোকে সুস্থ মগজুৰে থাকিব নোৱাৰে। প্ৰণীতাহঁতৰ এই অৱস্থাৰ বাবে দায়ী কোন ? বাৰে বাৰে মোৰ মনত এই প্ৰশ্নৰ উদয় হৈছিল। কিন্তু আবেগিক ভাৱে এই প্ৰশ্নৰ সমাধান পোৱা নেযায়। ধৈয্য ধৰি চিন্তা কৰিব লাগিব। প্ৰণীতাহঁতৰ দৰে বানপানীত উটি-ভাহি যাব খোজা পৰিয়াল এটা আমি বাহিৰলৈ উলিয়াই দিছো। প্ৰণীতা শিক্ষিত ছোৱালী। শিৰৰ সেন্দুৰ মোছ খাই বৈধব্যৰ যান্ত্ৰণাত কাতৰ মনত শান্তি লভিবৰ বাবে অকালতে এৰি থৈ যোৱা শিশুটিক ডাঙৰ দীঘল কৰি ডাঙৰ জ্ঞানী মানুহ কৰাৰ বৃহৎ সপোন দেখি তাই ৰাজপথত খুজি মাগি ফুৰিছিল। সমাজ ব্যৱস্থাই তাইক সকাহ দিব নোৱাৰিলেনে ? বানপানীত হেজাৰ হেজাৰ মানুহ গৃহহীন হৈছে কোনোৱে পিতৃহাৰা হৈছে কোনোৱে মাতৃক হেৰুৱাই ব্যাকুল হৈ পৰিছে। মই অসহায় হৈ পৰিছিলো কি পথেৰে প্ৰণীতাক সহায় কৰিম প্ৰণীতাক মই ঘৰলৈ আগবঢ়াই লৈ গলো।

ৰাটত লগ পালো জোচেফক। জোচেফ মোৰ শৈশৱৰ বন্ধু। এজন সমাজ সেৱক। সিও মোৰ লগত আগবাঢ়িল। আমি আলোচনা কৰিছিলো— অসমীয়া জাতি এটা এনেকৈয়ে নিঃশেষ হৈ যাব নেকি ? অসমীয়া লোকৰ বহুত সমস্যা— বানপানীৰ সমস্যা, বিদেশী নাগৰিকৰ সমস্যা, অৰ্থনৈতিক সমস্যা ইত্যাদি ইত্যাদি। আলোচনাৰ মাজত আমি নিজকে নিজে প্ৰশ্ন কৰিছিলো—এই সমস্যাবোৰ জানো কোনোবা অসমীয়াই সৃষ্টি কৰা নাই? এই সমস্যাবোৰ আঁতৰ কৰাৰ আমাৰ জানো নৈতিক অধিকাৰ নাই জোচেফে কৈছিল — "ভাৰতবৰ্ষত নৈতিক অধিকাৰ বোলা কথাষাৰ কচুপাতৰ পানী সদৃশ। ভাৰতবৰ্ষত আচাৰ আছে নীতি নাই।" আমি চিন্তা কৰিছিলো এটা জনজাগৰণ কৰিব লাগিব — এনে জনজাগৰণত বানপানীত নিপীড়িত, বিদেশী নাগৰিকৰ সমস্যাৰে জৰ্জৰিত অৰ্থনৈতিকভাৱে অৱহেলিত শ শ লোকৰ হাতত তুলি দিব লাগিব সংগ্ৰামৰ পতাকা।

কথাষাৰ কোৱাৰ লগে লগে মোৰ গাৰ নোমবোৰ ডাল ডাল হৈ পৰিছিল অসমীয়া জাতিয়ে কেতিয়া সংগ্ৰাম কৰা নাই। আজি অসমীয়াৰ পীৰাত শতৰুৱে বৰপীৰা পাৰি বহিছে। শংকৰ-মাধৱৰ এই দেশখনত অসমীয়াই শংকৰ-মাধৱক চিনি নেপায়। আমাৰ জাতীয় চৰকাৰে কোনখন চহৰত ৰবীন্দ্ৰ ভৱনৰ দৰে শংকৰ-মাধৱৰ সৌৰৱণত ভৱন অট্টালিকা আদি সাজিছে। কাৰণ অসমীয়া জাতি অকৃতজ্ঞ। মোৰ কথাবোৰ শুনি জোচেফৰ চকুহালি চলচলীয়া হৈ পৰিছিল। আজিৰ অসমীয়াসকল নিৰিহ নিহপালী হৈ আনৰদ্বাৰা পৰিচালিত হবলগীয়া হৈছে।

হঠাৎ আকাশখন আন্ধাৰে আৱৰি ধৰিলে। বিজুলী বেগেৰে ক'লা মেঘবোৰ ইফালৰ পৰা সিফালে দৌৰিব লাগিছে। চাওতে চাওতে কলা মেঘে আকাশখন চানি ধৰিছে বতাহে ৰাজপথৰ ধূলিবোৰ উৰুৱাই লৈ গৈছে।

প্ৰণীতাৰ বোকোচাত এটি শিশু, তাই দৌৰিব নোৱাৰিলে। ধীৰ স্থিৰভাৱে তাই গৈয়েই আছে মলিয়ন চাদৰখন এফালে উৰুৱাই নিছে। কোলাৰ শিশুটোৱে মাকৰ বক্ষযুগলত খামোচ মাৰি ধৰি বিকট চিঞৰ মাৰিছে। হয়তো অতীতৰ কথা মনত পেলাই। সকলোৰে কামনা বাসনা একেই, জীয়াই থকাৰ। গিৰগিৰকৈ বৰষুণ আহিল, আমি দৌৰি গৈ ৰাষ্টাৰ কাষত থকা জুপুৰী ঘৰৰ বাৰান্দা এখনত থিয় দিলো— ৰুমালেৰে পানীবোৰ মচি ললো। প্ৰণীতা বৰষুণত তিতি তিতিয়েই আহি থাকিল। বৰষুণৰ পানীয়ে তাইৰ সমস্ত দেহতো ধুৱাই পেলালে তিতা কাপোৰত তাইৰ সমস্ত দেহৰ অবয়ব পৰিস্ফুট হ'ল। আমি চিঞৰি চিঞৰি তাইক মাতিলো। তাই লাহে লাহেয়ে আহি থাকি চকুপানী টুকি টুকি মাথোন কলে "আকৌ বানপানী হ'ব।"

# প্ৰাণহীন দেহাটো

সুনীল বৰগোহাঁই

পশ্চিম আকাশত বেলিটো ডুব গৈছিল। লাহে লাহে গধূলি হৈ আহিব ধৰিলে উৎপলৰ ঘৰলৈ উভতি যাবলৈ মন ব্যাকুল হৈ পৰিছিল যদিও হেৰুৱা বগা ছাগলীজনী বিচাৰি নোপোৱাকৈ ঘৰলৈ গলে মাহীমাকৰ গালি আৰু দেউতাকৰ কোব খাব লাগিব বুলি ভাবি ভয় কৰি সি ঘৰলৈ নোযোৱাটোৱেই ঠিক কৰিলে। পথাৰখনৰ কাষত থকা ঔ গছজোপাৰ ওপৰত উঠি ৰাতিটো কটাই দিয়াৰ মানসেৰে সি সেই গছজোপাৰ তলত উপস্থিত হলগৈ। গোটেই দিনটো ছাগলীজনী বিচাৰি হাবিখন চলাথ কৰাৰ পিছত ভোক পিয়াহ আৰু ভাগৰত সি লেবেজান হৈ পৰিছিল। হেপাহ পলুৱাই পথাৰখনৰ কাষত থকা পুখুৰীটোৰপৰা পানী খাই পাৰৰ শিল এটাত বহি পৰিল। পশ্চিম দিগন্তত লহিয়াবলৈ ধৰা দিনমণি হেঙুলীয়া ৰহণত গীত গাই গাই আকাশৰ ওপৰেদি উৰি যোৱা চৰাইজাক দেখি তাৰ ইৰ্ষা জাগিছিল। উৎপলে ভাবিলে ভগৱানে যদি তাকো সিহঁতৰ সমানে স্বাধীন কৰি সৃজন কৰিলেহেঁতেন সিহঁতৰ দৰে সিও যদি নিৰ্ভয়ে ঘৰলৈ ঘূৰি যাব পাৰিলেহেঁতেন। মনে মনে সি ভাবিলে পলৰীয়া ছাগলীজনী ওপৰত তাৰ ভীষণ খং উঠিছিল। ইয়াৰ আগতেও ছাগলীজনীয়ে তাক অনেক বাৰ লটি-ঘটী কৰিছে। এবাৰ ছাগলীজনীয়ে ঘৰৰপৰা পলাই গৈ ওচৰৰ মানুহ এঘৰৰ বাৰীত সোমাই কঠিয়া খোৱাৰ বাবে গৃহস্থই আহি তাৰ দেউতাকক গোচৰ দিয়াত দেউতাকে তাক সৌকাৰে পিঠিত কপৌফুল বাচিছিল। হাবিয়ে বননীয়ে ছাগলীজনীক বিচাৰি ফুৰোতে কতবাৰ কাইটে তাৰ হাড়লৈকে বিন্ধিছিল বিছা চামচেৰোৱাই ডাকিছিল। উজুতি খাই ভৰিৰ নখ এৰাইছিল, আঠুৰ ছাল চিগিছিল তাৰ কোনো লেখ জোখ নাই। কিন্তু ছাগলীজনীয়ে তাৰ দুখ বুজিবলৈ কেতিয়াও চেষ্টা কৰা নাছিল। পলাবৰ দিনাখন ৰাতিপুৱা সি তাইক হাবিৰ মাজৰ মুকলি ঘাঁহনি এডৰাত চৰিবলৈ এৰি দি ওচৰতে থিয় হৈ আছিল। একান্ত মনেৰে ছাগলীজনীয়ে ঘাঁহ খোৱাত নিমগ্ন হোৱা দেখি নিচিন্ত হৈ সি কিছুসময়ৰ পিছত ওচৰৰ বগৰী জোপাৰপৰা বগৰী কেইটামান আনিবলৈ গুচি গৈছিল। লৰা-লৰিকৈ তলসৰা বগৰী দুটামান বুটলি লৈ ঘাঁহনি ডৰালৈ উভতি আহি ছাগলীজনীক নেদেখি তাৰ চুলি আগেদি জীৱ যোৱা যেন অৱস্থা হৈছিল। ভোক পিয়াহ সকলো পাহৰি গধূলি লৈকে হাবিখনৰ মাজে মাজে ঘূৰি পকি ছাগলীজন সুংসূত্ৰ উলিয়াব নোৱাৰাত সি বৰ অসহায় অনুভৱ কৰিছিল। ছাগলীজনী বিচাৰি উলিয়াব নোৱাৰিলে তাৰ অৱস্থা আৰু শোচনীয় হৈ পৰিব বুলি ভাবি আশঙ্কাৰে তাৰ মন ভৰি পৰিছিল।

লাহে লাহে পৃথিৱীৰ বুকলৈ আন্ধাৰ নামি আহিছিল। বহি থকা শিলটোৰ পৰা উঠিলৈ সি ঔটেঙা জোপাৰ ওপৰত আশ্ৰয় লৈছিল। গছত উঠি নিশাটো পাৰ কৰাতো যে অতি কষ্ট সাধ্য তাক সি গছত উঠিহে উপলব্ধি কৰিব পাৰিছিল। পূৰ্ণিমাৰ স্নিগ্ধ জোনাকত সি পানী খোৱা পুখুৰীটোৰ কাষৰ সৰু সৰু জোপোহাবোৰক সি ভূতৰ দৰে দেখা পাইছিল। গছজোপাৰ তলেদি লৰা ঢপৰা আৰম্ভ কৰি দিয়া শিয়াল মেছেকা হেপাহ, ফেউৰা আদিৰ বিকট চিঞৰত তাৰ অন্তৰ দুৰু দুৰুকৈ কপিবলৈ আৰম্ভ কৰিছিল। মাকলৈ তাৰ বৰ মনত পৰিছিল সি ভাবিছিল তাৰ মাক জীয়াই থকা হলে আজি হয়তো তাৰ এনে বিলাই নহলহেঁতেন মাকে তাক বিচাৰি নিশ্চয় এইখিনি পালেহিহেঁতেন। সি সঁচাই বৰ হতভগীয়া। এই দুখ যন্ত্ৰণাবোৰ সহি থাকিবলৈকে সৰুতেই মাকক হেৰুৱাই সি ইহ সংসাৰত জীয়াই আছে। এনেবোৰ কথা ভাবি ভাবি সি উচুপিবলৈ ধৰিলে। কিছু সময় অতিবাহিত হোৱাৰ পিছত পুখুৰীটোৰ কাষত পোহৰ দেখি তাৰ উচুপনি বন্ধ হল। হাতত লেম্প এটা লৈ এগৰাকী মাইকী মানুহ পুখুৰীটোৰ পাৰৰ ফালে যোৱা দেখি সি উৎফুল্লিত হৈ পৰিল মানুহজনী মাহীমাকৰ বাদে আন কোনো হব নোৱাৰে বুলি নিশ্চিন্ত হৈ সি গছজোপাৰ পৰাই চিঞৰি দিলে। তাৰ চিঞৰ শুনি মানুহজনী

থমকি বৈছিল আৰু ইফালে সিফালে চাবলৈ ধৰিছিল। গছত উঠি থকাৰ বাবে মাহীমাকে তাক দেখা পোৱা নাই বুলি। ভাবি সি গছজোপাৰ পৰা নামি একেলৰে মানুহজনী মুখখন স্পষ্টকৈ দেখাৰ পিছতহে তাৰ ভুল ভাঙিল। অচিনাকী মানুহজনীক ভূতনী বুলি ভাবি সি দুখোজমান পিছুৱাই গ'ল।

কোন তুমি? মানুহজনীয়ে উচপ খাই সুধিলে। উৎপলে উত্তৰ দিলে "ক্ষমা কৰিব। মই আপোনাক মোৰ আই বুলি ভাবিছিলো। সি তাৰ দোষ স্বীকাৰ কৰি কলে। তুমি থাকা কত। এই ৰাতি পুখুৰীপাৰত তুমি আয়েৰাক বিচাৰিছা কিয়? মানুহজনীয়ে কৌতুহলৰে তাক প্ৰশ্ন কৰিলে। উৎপলে উত্তৰ দিলে। "মোৰ ছাগলীজনী হেৰাল। দেউতাই মাৰিব বুলি ভাবি ভয়ত মই ঘৰলৈ নগৈ সৌ ঔটেঙা জোপাৰ ওপৰত উঠি আছিলো। আপোনাক দেখি আয়ে মোক বিচাৰি আহিছে বুলি মই ভাবিছিলো মানুহজনীক সি কলে। তেতিয়া মানুহজনীয়ে পুনৰ উৎপলক কলে— এইয়া তুমি উচিত কাম কৰা নাই। তোমাৰ বাবে আয়েৰাই চাগৈ ঘৰত চিন্তা কৰি আছে। তুমি এতিয়াই ঘৰলৈ উভতি যোৱা। দেউতাৰাই তোমাক নামাৰে। মানুহজনীয়ে তাক বুজাবলৈ চেষ্টা কৰিছিল। উৎপলে কলে মই ঘৰলৈ নাযাওঁ। ঘৰত মোৰ বাবে চিন্তা কৰোতা কোনো নাই। মোৰ আই সৰুতেই মৰিল। ঘৰত মোৰ মাহী আই আছে। তেওঁ মোক মৰম কৰাৰ সলনি গালিহে পাৰিব। মানুহজনীৰ অনুৰোধ উপেক্ষা কৰি সি কৈছিল। তেতিয়া মানুহজনীয়ে উৎপলক ক'লে— থিক আছে ঘৰলৈ নাযাওঁ বুলি কৈছা যেতিয়া তুমি ঘৰলৈ যাব নালাগে। সেই বুলি গছত উঠিও থাকিব নালাগে। আজি ৰাতিটো তুমি মোৰ লগতেই থাকিব পাৰিবা। সেইবুলি মোৰ নিজৰ ঘৰত নহয়। ইয়াৰ পৰা এক কিলোমিটাৰ মান দূৰত ধনী মহাজনৰ ঘৰত মই কাম কৰো। আমি মহাজনৰ ঘৰত ছজনী মানুহে কাম কৰো আমি তিনিজনীয়ে দিনত আৰু তিনিজনীয়ে ৰাতি কৰে। ৰবা, মই এতিয়া সেই পুখুৰীটোৰ পৰা আহো বুলি কৈ মানুহজনী পুখুৰীটোৰ পাৰলৈ গ'ল। গছৰ ওপৰত থকাতকৈ মানুহজনীৰ লগত থকাটোৱেই অধিক নিৰাপদ বুলি ভাবি উৎপলে মানুহজনীৰ প্ৰস্তাৱত সম্মতি জনালে। মানুহজনীয়ে পুখুৰীটোৰ পাৰত এচতা শিলত বহি মনে মনে কিবা ভাবিলে। তাৰ পাছত উঠি আহি তাক কলে বলা ভাইটি আমি এতিয়া যাওঁ। মানুহজনীৰ নিৰ্দেশমতে সি মানুহজনীৰ পিছে পিছে যাবলৈ ধৰিলে। এটা সৰু আন্ধাৰ বাষ্টাইদি গৈ গৈ এটা পকা ৰাস্তা পালেগৈ। আলিটো বাওঁফালে তিনিটা পকা ঘৰ এৰি এটা ডাঙৰ সুন্দৰ পকাঘৰ পালে। মানুহজনীয়ে গেটখন খুলি উৎপলক কলে—আহা ভাইটি মোৰ লগতেই আহা। উৎপলে মানুহজনীৰ পাছে পাছে গৈ এটা সৰু ৰুমত সোমালগৈ। ৰুমটো সৰু যদিও বৰ পৰিষ্কাৰ। এখন বিচনা এডাল আলনা আৰু এখন বেঞ্চ আছে। মানুহজনীয়ে উৎপলক বেঞ্চখনত বহিবলৈ দি বহুতো কথা সুধিছিল। মানুহজনীয়ে উৎপলক সুধিছিল- তোমাৰ নাম কি? উৎপলে উত্তৰ দিছিল মোৰ ঘৰত মতা নাম সোণটো, আচল নাম উৎপল।

উৎপলক মানুহজনীয়ে সুধিলে—'বাৰু তোমাৰ ঘৰত কোন কোন আছে।' দেউতা আছে, নহয়? উৎপলে উত্তৰ দিলে ঘৰত মোৰ দেউতা আৰু মাহী আই আছে। পৰিয়ালটোৰ ভিতৰত ময়েই একমাত্ৰ ল'ৰা। মাহী আইৰ কোনো ল'ৰা-ছোৱালী নাই। মই একেবাৰেই সৰু হৈ থাকোতেই আই মৰিল। একেৰাহে সি উত্তৰ দিলে। মানুহজনীয়ে উৎপলক পুনৰ সুধিলে— তুমি পঢ়া শুনা কৰিছানে? এইবছৰ ক্লাচ V পৰা VI লৈ প্ৰথম হৈ পাছ কৰিছো। পঢ়িব নোৱাৰিলে দেউতাই মোক খুউব মাৰে। তোমাৰ কুশল চিন্তিহে তেওঁলোকে তেনে কৰে। তুমি ভালদৰে পঢ়াশুনা কৰিলে দেউতাই আৰু মাহী আই খুউব মৰম কৰিব। লগে লগে উৎপলে উত্তৰ দিলে— মাহী আয়ে অৱশ্যে মৰম নকৰা নহয়। কথা হৈছে তেওঁ বৰ খঙাল আৰু কেতিয়াবা খং উঠিলে গালি পাৰে। মানুহজনীয়ে সুধিলে তোমাৰ দেউতাৰ নামনো কি? উৎপলে কলে মণ্টু বৰা। বাগানত চাকৰি কৰে। উৎপলে দেউতাকৰ নাম কোৱাৰ লগে লগে মানুহজনীয়ে উৎপলক গবা মাৰি ধৰি কান্দিবলৈ ধৰিলে। উৎপলে মানুহজনীক চকুপানী মুচি মুচি কলে— 'আপুনি আমাৰ দেউতাক চিনি পায় নেকি?

মানুহজনীয়ে উত্তৰ দিলে। ময়েই তোৰ আই বাচা। উৎপলে আচৰিত হৈ মানুহজনীক সুধিলে "কি

কৈছে!" আপুনি মোৰ আই। মই সৰুতে থাকোতেই মোৰ আই মৰিল। আপুনি মিছা কৈছে। মানুহজনীয়ে কান্দি কান্দি উৎপলক কৈছিল— দেউতাৰাই তোক চাগৈ সঁচা কথা কোৱা নাছিল সোণ। দেউতাৰাই মোকে মৰিলে বুলি কৈছিল। উৎপল আচৰিত হৈ মানুহজনীৰ পৰা সকলো কথা জানিব বিচাৰি মানুহজনীক সকলা কথা সুধিলে। আপুনি কিয় ঘৰৰ পৰা গুচি আহিলে। আপোনাক দেউতাৰাই খেদি দিছিল নে নিজ ইচ্ছাৰে গুচি আহিছিল। মানুহজনীয়ে প্ৰথমতে সকলো কথা কবলৈ অমান্তি হৈছিল। কিন্তু উৎপলে কবই লাগিব বুলি শুনিব বিচৰাত মানুহজনীয়ে উৎপলক সকলো কথা কৈ গৈছিল। তোক এইবিলাক কথা কবলৈ ইচ্ছা নাছিল। তথাপিও তই শুনিব খুজিছ যেতিয়া তোক কওঁ বাৰু। আজি প্ৰায় দহ বছৰমানৰ কথা। তেতিয়া তই তেনেই কেঁচুৱা দেউতাৰে বাগানত চাকৰি কৰি যি টকা পায় সেই টকাৰে আমাৰ ঘৰ চলিছিল। প্ৰথম অৱস্থাত আমি বৰ সুখেতে আছিলো। তোক লৈ সদায় সপোণ দেখিছিলো সোণালী সপোণ। কিন্তু তোৰ এবছৰ নহওতে তোৰ দেউতাই মোক বৰ লটি ঘটি কৰিছিল। মোক এৰি দেউতাৰাই অন্য এজনী ছোৱালী বিয়া পাতিব লৈছিল। মই কিন্তু প্ৰতিবাদ কৰিছিলো কিন্তু দেউতাৰে সেইবিলাক নামানি দ্বিতীয় বিয়া কৰাইছিল যিজনী এতিয়া তোৰ মাহী আই। দেউতাৰে মাহী আইক নি ঘৰত সোমোৱাওতে খুব কান্দিছিলো। তেতিয়া দেউতাই মোক দুখন গালত দুটা চৰ মাৰিছিল আৰু থাকিবলৈ মন নাই যদি ওলাই যা বুলি কৈছিল। মই সেইবিলাক সহ্য কৰিব নোৱাৰি ঘৰৰ পৰা ওলাই আহিলো। আহি মই তোক লগ পোৱা সেই পুখুৰীটোৰ পাৰ পালোহি। পুখুৰীটো পাৰত কান্দি কান্দি থাকোতেই মোক এজন মানুহে পালে। সেইজন হৈছে এই মই থকা ঘৰৰে মহাজন। তেওঁ মোক দেখি সকলো কথা সুধিলে। মই সকলো কথাকৈ মৰিবলৈ আহিছিলো বুলি কলো। তেতিয়া মানুহজনে মোক মৰিবলৈ নিদি ইয়ালৈ লৈ আহিল। আৰু থাকিবলৈ দিলে। কিন্তু মোৰ তথাপিও জীয়াই থকাৰ ইচ্ছা নোহোৱাত মই সদায় পুখুৰীটোৰ পাৰলৈ যাওঁ কিন্তু তোৰ কথা ভাবিয়েই মই আকৌ ঘূৰি আহো। কিজানি তোক মই কেতিয়াবা লগ পাম নেকি বুলি। ভাগ্য ভাল তোক মই আজি লগ পালো। ইমান দিনে মই তোৰেই অপেক্ষাত আছিলো। আজি মোৰ ইচ্ছা পূৰণ হল। তই কুশলে থাক বাচা। পঢ়ি শুনি ডাঙৰ মানুহ হ।

উৎপল আচৰিত হল আৰু মাকৰ কথা শুনি সি কান্দিব ধৰিলে। কান্দি কান্দি সি কলে মা মই আপোনাক কালিলৈ ৰাতিপুৱাতেই ঘৰলৈ লৈ যাম। বাচা। মই আৰু দেউতাৰৰ ওচৰলৈ নাযাওঁ সোণ। দেউতাৰে মাহীআইক বিয়া কৰোৱা কাৰণে মই বেয়া পোৱা নাই। দেউতাৰে সা-সম্পত্তিৰ কথা জানি মই বৰ সুখী হৈছো। দেউতাৰক সমাজৰ আগত হাঁহিয়াতৰ পাত্ৰ হোৱাটো মই বাঞ্ছা নকৰো সোণ। হঠাৎ এজন মানুহ সোমাই অহাত উৎপল আচৰিত হ'ল। মানুহজনে মাকক ভাত দিবলৈ আহিছিল। মানুহজন মহাজনৰ এজন ৰান্ধনি। মাকে সেই মানুহজনৰ পৰা ভাত পানী ল'লে। লগতে এখন পাত সেই মানুহজনৰ পৰাই খুজি ললে। মানুহজন ভাতপানী দি গুচি গ'ল। দুয়ো খাবলৈ বহিল। উৎপলৰ বৰ ভোক লাগিছিল। সেইবাবে সি ভাতখিনি খুব ভালদৰে খালে। ভাতপানী খাই উঠি উৎপল আৰু মাক শুই পৰিছিল। দিনটোৰ অত্যধিক ভাগৰৰ বাবে ৰাতি উৎপলৰ ভাল টোপনি আহিছিল। ৰাতিপুৱা খুব সোনকালে সাৰ পাই কাষত মাকক নেদেখি সি চিন্তিত হৈছিল। শোৱাপাটী এৰি সি বাহিৰলৈ ওলাওতে হঠাৎ সিহঁতৰ ছাগলীজনী দেখিলে। শিমলুজোপাৰ তলত ঘাঁহ পাগুলি থকা ছাগলীজনী দেখি তাৰ আনন্দৰ সীমা নোহোৱা হল। সি মাক গা ধুবলৈ গৈছে যেতিয়া উভতি আহোতে কিছু পলম হব বুলি ভাবি সি ছাগলীজনীক লৰালৰিকৈ ঘৰত থৈ অহাৰ মন মেলিলে। ছাগলীজনী নি সি ঘৰ পোৱালেগৈ। দোকমোকালিতেই ঘৰত বহু মানুহৰ সমাগম দেখি সি চিন্তিত হল। ছাগলীজনীক পাছফালে তামোল গছত বান্ধি থৈ পিছদুৱাৰেদি সি চুচুক-চামাককৈ ঘৰত সোমাল। তাক দেখি ৰাইজে বেৰি বেৰি ৰাতি সি কত আছিলে সুধিলে। সি ভয়ে ভয়ে মাহীমাকৰ ওচৰ চপাত মাহীমাকে কান্দি কান্দি তাক সুধিলে— সোণটো তই কলৈ গৈছিলি। মাহীমাকৰ কথা উত্তৰ দিব নেপাওঁতেই মাহীমাকৰ ওচৰত থিয় হৈ থকা দেউতাকে সুধিলে— তই সঁচাকৈ কচোন সোণটো

ইমান ৰাতিখন কলৈ গৈছিলি। তই ঘৰলৈ নহাত মাহীয়েৰে গোটেই ৰাতিটো কান্দি কান্দি কটালে। মানুহ-দুনুহ মাতি আনি মই ৰাতিয়েই তোক বিচাৰি গৈছিলো কিন্তু তোৰ একো সন্ধান নেপালো। ভাগ্য ভাল ভালে-কুশলে তই আহি ঘৰ পালিহি। দেউতাকৰ প্ৰশ্নৰ উত্তৰত সি ঘটনাৰ আদ্যো-পান্ত বিৱৰি কলে। দেউতাকে তৎক্ষণাত লগত গাওঁৰ ৰাইজৰ সৈতে উৎপলৰ মাক থকা ঠাইলৈ গৈছিল। কিন্তু সেই ঠাইত নাপায় তাৰ কথামতে পুখুৰীটোৰ কাষ পালেগৈ। কিন্তু তেতিয়া বহুত পলম হৈ গৈছিল। পুখুৰীৰ কাষৰ ঔটেঙা জোপাত মাকৰ প্ৰাণহীন দেহ ওলমি থকা সকলোৱে দেখিছিল। সমাজলৈ ভয় কৰি মাকে আত্মহত্যা কৰিলে। কপালত চপৰিয়াই চপৰিয়াই দেউতাকে হুৰাহুৰ কান্দিবলৈ ধৰিলে। মাহীমাকেও চকুপানী টুকিলে আৰু উৎপলে কান্দি কান্দি গোটেইটোৰ লেবেজান হৈ পৰিছিল। কিন্তু কান্দিলে সি পুনৰ মাকক পাব জানো? পুখুৰীটোৰ কাষতে থকা শিমলু এজোপাৰ তলতে মাকক খৰি দিয়া হৈছিল। মাকক যেতিয়া খৰি দিলে তেতিয়া উৎপলে অকলশৰীয়া অনুভৱ কৰিছিল। দেউতাক আৰু মাহীমাকে তাক খুব ভালদৰে বুজাইছিল। কিন্তু উৎপলে মাকক পাহৰিব নোৱাৰিছিল। উৎপলৰ মনত সদায় ভাহি থাকে মাকৰ সেই ঔটেঙা জোপাত ওলমি থকা প্ৰাণহীন দেহাটো। ◘

# প্ৰত্যুত্তৰ

শ্ৰীমতী জিণ্টী দাস
স্নাতক দ্বিতীয় বৰ্ষ

সি দিনা ৰিতাৰ মনটো খুউব বেয়া লাগিছিল। তাইক এটা কথাই দুৰ্বল কৰি পেলাইছিল। তাই পাগলৰ দৰে হৈ পৰিছিল সেই একেটা কথাই ভাবি ভাবি। তাই কিয় এনে কৰিলে বাৰু ?? যিয়ে আজিও তাইক ইমান দিনৰ পিচতো দহি দহি মাৰিছে। তাইৰ এটা ভুলৰ কাৰণেই বিননৰ দৰে এটা ল'ৰাই নিজকে শেষ কৰি দিলে।

ৰিতাই বিননক প্ৰথম লগ পাইছিল তিনিচুকীয়া মহাবিদ্যালয়ত। দুয়ো স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰ-ছাত্ৰী। পঢ়া-শুনাত বিনন আৰু ৰিতা দুয়ো ভাল। কলেজৰ আনবোৰ বন্ধুৰ দৰে বিননো ৰিতাৰ বন্ধু এজন হৈ পৰিল। কিন্তু লাহে লাহে ৰিতাৰ মনে বিননক বহু কাষত বিচাৰিবলৈ ধৰিলে। কলেজ চুটীৰ পাচত ৰিতা আৰু বিনন সদায় একেলগে ঘৰলৈ যায়। সেইদিনাও একেলগে গৈছে। বাটত—

ঃ বিনন, ঐ বিনন।

বিননৰ উত্তৰ ঃ ও। কিবা কবা নেকি ৰিতা।

ঃ অ' মই তোমাক এটা ডাঙৰ কথা কম বুলি ভাবিছো। কোৱা আক'। তুমি বেয়া নোপোৱাতো ?

ঃ নাপাও, কোৱানা ৰিতা। এনেকৈ ব'ৰ কৰিছা কেলৈ। কি ক'ব লগা আছে সোণকালে কৈ পেলোৱা। বিননে এনেকৈ কোৱা বাবে ৰিতাই একে উশাহতে কথাখিনি কৈ পেলাইছিল।

ঃ জানা বিনন মই তোমাক মনে প্ৰাণে ভাল পাই পেলাইছো। তুমি না নকৰিবা। নহলে মই জীয়াই থাকিব নোৱাৰিম। অ' বিনন মই জীয়াই থাকিব নোৱাৰিম।

বিনন প্ৰথমে আচৰিত হৈছিল যদিও তথাপি বিননে তাইক বুজাবলৈ চেষ্টা কৰিলে। চোৱা ৰিতা, তুমি এজনী ডাঙৰ মানুহৰ ছোৱালী। আৰু মই এটা সাধাৰণ খেতিয়কৰ ল'ৰা। এইয়া জানো সম্ভৱ হব ?

কিয় নহব বিনন। আমি ইয়াক সম্ভৱ কৰি দেখুৱাম। তুমি মাত্ৰ মোক ভাল পাওঁ বুলি কোৱা বিনন। তাৰ পাছত এইটো সম্ভৱৰ কথা মই চিন্তা কৰিম।

বিনন প্ৰথমে অমান্তি হৈছিল যদিও ৰিতাৰ মৰম লগা মুখখনে বিননক মান্তি হবলৈ বাধ্য কৰালে।

এনেকৈয়ে সিহঁতৰ ভাল পোৱাবোৰ অতিবাহিত হবলৈ ধৰিলে। দুয়োৰে জীৱন বাটত সুগন্ধি ফুল ফুলিবলৈ ধৰিলে। ইমান ভালপোৱাৰ মাজতো বিনন আৰু ৰিতাই পঢ়াৰ কামবোৰো ভালদৰে কৰি গৈছিল।

দুয়োৰে বি.এ. দিবলৈ সেই বছৰ সাজু হৈছে। মাত্ৰ এমাহ আছে পৰীক্ষালৈ। হঠাৎ বিননক ৰিতাৰ দেউতাকে মাতি পঠিওৱাত বিনন অলপ আচৰিত হ'ল। তথাপি যাবলৈ ওলাল।

বিনন গৈ পোৱাত দেউতাকে তাক আগফালৰ ৰুমত বহিবলৈ দিলে। সি ভয়ে ভয়ে বহিলে। তোমাৰ নাম বিনন। চক্ খাই উঠিল দেউতাকৰ গমগমীয়া মাতটো শুনি।

সি কোনোমতে সেপ গিলি ক'লে "বিনন মানে— বিনন বৰুৱা মোৰ নাম।"

বিনন বৰুৱা হ —দেউতাকে ভেকাহি মাৰি ক'লে। দেউতাৰাই কি কৰে।

খেতি কৰে বিননে লাহেকৈ উত্তৰ দিলে।

খেতি কৰে ! সামান্য খেতিয়কৰ ল'ৰা হৈ ইমান সাহস ক'ত পালা মোৰ ছোৱালীৰ লগত লীলা-খেলা কৰিবলৈ?

বিননৰ বুকুখন ঢপঢপাবলৈ ধৰিলে।

বিননে সাহস গোটাই কৈছিল— ময়ে অকল ভাল নাপাও আমি দুয়ো দুয়োকে ভাল পাওঁ।

কি কলি মোৰ মৰমৰ ৰিতাই তোক ভাল পায়।

দেউতাকৰ চকুৰ পৰা যেন কেঁচা তেজহে ওলাই আহিব এনে লাগিছিল বিনন।

ৰিতা, ৰিতা।

কি দেউতা ? ৰিতা ওলাই আহিল ভিতৰৰ পৰা।

বিননলৈ খঙেৰে চাই সুধিলে। তই এই খাবলৈ নোপোৱা ভিকহুটোক ভাল পাও হয়নে ?

বিননে প্ৰশ্নবোধক দৃষ্টিৰে ৰিতালৈ চালে। কি কব ৰীতাই। দেউতাকে পুণৰ সুধিলে নকৰ কেলেই।

ৰিতাই বিননলৈ চাই কৈছিল— দেউতা মই বিননক ভালদৰে চিনিয়েই নাপাওঁ।

বিননে ৰিতাৰ প্ৰত্যুত্তৰ পাই শিল পৰা কপৌবদৰে একে ঠাইতে থৰ হৈ পৰিল। তাৰ মুৰত কোনোবাই যেন হাতুৰিৰেহে কোবালে— এনে অনুভৱ কৰিলে বিননে।

ৰিতাৰ দেউতাকে তাক গতিয়াই গেটৰ বাহিৰ কৰি দিছিল আৰু ৰিতাই থৰ লাগি চাই আছিল।

সেইদিনা সি কোনোমতে ঘৰ পাইছিলহি। সি ভাবি নাপালে এইয়া কি হ'ল। লাজ অপমানত বিনন বলিয়াৰ দৰে হৈ পৰিছিল।

সি সেইদিনা একো নোখোৱা-নোবোৱাকৈ ৰুমত সোমাই থাকিল।

পিছদিনা ৰাতিপুৱা মাকে বিননক উঠাবলৈ আহিল। ৰুমৰ দুৱাৰখন ভিতৰৰ পৰা বন্ধ কৰা নাছিল কাৰণে মাকে একো চিন্তা নকৰাকৈ আগৰ দৰে সোমাই গৈছিল। কিন্তু!!! আজি এইয়া কি !! বিননে দেখোন এডাল ৰচিত উলমি আছে। মাক অবাক হৈ একে ঠাইতে বৈ গ'ল। তাৰমানে এইয়া কি ?? বিননে সকলোকে এৰি গুচি গ'ল ?? নে বিননে ৰিতাৰ ওপৰত প্ৰতিশোধ ল'লে ??? নে কাৰোবাক সকিয়াই গ'ল ভালপোৱা যে এটা খেল নহয় ??? অ' এইবোৰেই হয়তু বিননৰ আত্মহত্যাৰ উত্তৰ। অ' এইয়াই ৰিতাৰ দৰে ছোৱালীবোৰৰ বাবে প্ৰত্যুত্তৰ।

## গাধ কোন?

বিদ্যালয়ৰ ছাত্ৰ কেইজন খুব উৎপতিয়া। তেতিয়ালৈকে ক্লাচ আৰম্ভ হোৱা নাছিল, শিক্ষক আহি শ্ৰেণীত সোমাল। ছাত্ৰ কেইজনে জোকাবৰ কাৰণে বোৰ্ডৰ ওপৰত লিখি থলে— "শিক্ষক, গাধ"। শিক্ষক সোমায়েই সেই লিখনি বিলাক চালে কিন্তু কাকো একো নকলে। তাৰপাচত তেওঁ "গাধ" শব্দটোৰ পাচত "পিটি ঘোঁৰা কৰি দিয়ক" যোগ কৰি দিলে। ছাত্ৰ কেইজন মূৰ্খৰ নিচিনা এজনে আন এজনৰ ফালে চাই থাকিল।

## দুজন বন্ধুৰ কাজিয়া

দুজন বন্ধু আছিল খুব অন্তৰঙ্গ। হঠাৎ কিবা কাৰণে তেওঁলোকৰ মাজত মাতবোল নোহোৱা হল। আনকি এজনে আনজনৰ ফালে ঘুৰিও নেচায়। হঠাৎ এদিন এজন বন্ধুৰ পিতাক ঢুকালে কিন্তু তেওঁ তেওঁৰ বন্ধুজনক নিমন্ত্ৰণ নকৰিলে। সেই কাৰণে তেওঁৰ বন্ধুৱে তেওঁক উদ্দেশ্য কৰি কলে "ঠিক আছে তোমাৰ দেউতা ঢুকোৱাত নিমন্ত্ৰণ নিদিলা-মোৰও দেউতা ঢুকালে তোমাক নিমন্ত্ৰণ নিদিও।"

## নতুন ধৰণৰ জুলাপ

ৰাতি এজন মাতালক ৰাস্তাত ধৰে এক পহাড়াওৱালা। সি কোন মতেই থানালৈ যাব নিবিচৰা কাৰণে খঙতে পহাড়াওৱালাই তাৰ পেটত বুলেটেৰে খুচি দিয়ে। তৎক্ষণাৎ মাতালে 'মলত্যাগ' কৰি দিলে। লাজপোৱাতো দূৰৰ কথা, সি হাঁহি কলে— "নতুন ধৰণৰ জুলাপ বাৱেই একেই খোচতে পেট চাফ? আপুনি এই জুলাপ বজাৰত এৰিব ধৰিলে Castor oil ৰ বিক্ৰি বন্ধ হৈ যাব।"

# কালৰাত্রি

শ্রীনাৰায়ণ বৰদলৈ

হঠাতে গাড়ী এখন আহি জনশূন্য ঘৰ এটাৰ ওচৰত ৰ'লহি। চহৰৰ পৰা প্রায়ে সাত কিলোমিটাৰ দুৰত্ব। কলা আৱৰণে আবৰি থোৱা পৃথিবীখনৰ দুয়োকাষে হাবিৰ মাজেৰে গাড়ীখন গৈ জনশূন্য ঘৰ পাইগৈ। গাড়ীৰ ভিতৰত দুজন অচিনাকী যুৱকে এজন অপৰাধীক বন্দী কৰি জনশূন্য ঘৰটোত ভিতৰলৈ নিয়ে।

—আপোনালোকে মোক কিয় ইয়ালৈ আনিছে। মই এনে কি দোষ কৰিলো যাৰ বাবে মোক এনে শাস্তি দিছে।

— আপুনি কি দোষ কৰিছে সেই বিষয়ে আমি জনা নাই কিন্তু আপোনাৰ এনে প্রশ্নৰ উত্তৰ দিব আমাৰ চাৰে। আপুনি এতিয়াৰ পৰা ইয়াতে থাকিব লাগিব আৰু আপুনি পলাই যাবলৈ চেষ্টা নকৰিব।

এনেতে এটা প্রকাণ্ড চৰ মাৰিলত তেওঁ অচেতন হৈ মাটিত পৰিল।

কিৰিং কিৰিং শব্দ কৰিলে। দুয়োজনে হাতত থকা ঘড়ী চাবিটো পকাই হেল্লো; হেল্লো; কৰিলে।

—অ' চাৰ নেকি ?

—হয় মই চাৰে কৈছো।

—তোমালোকে মানুহজনক আনিলা নেকি ?

—হয় চাৰ। মানুহজন অচেতন হৈ মাটিত পৰি আছে।

—তেওঁক আৰু শাস্তি নিদিবা। খোৱা সময়ত আহাৰ দি থাকিবা। এতিয়া তোমালোকে অকণমান সময়ৰ কাৰণে ইয়ালৈ আহিবা। ধন্যবাদ।

আহ কি হ'ল হঠাতে। চকুৰে একো ধৰিব পৰা নাই। কি অপৰাধ কৰিলো যি কাৰণে আজি মই এনেদৰে জনশূন্য ঘৰটোত থাকিবলগীয়া হৈছে। মোক যদি এওঁলোকে মাৰি পেলায় তেতিয়া মোৰ পৰিয়ালটো কি হ'ব। উঠি অহা ল'ৰা দুটা মোৰ অবিহনে কেনেকৈ থাকিব। হয়তো তেওঁলোক কান্দি কান্দি অচেতন হব পাৰে। এওঁলোকে কিয় নুবুজে পৰিয়াল থকা মানুহ এজনক এনেদৰে বন্দী কৰি থলে ঘৰত থকা মানুহ বিলাকৰ কি হ'ব পাৰে। নহয় মইয়ে ইয়াৰ পৰা ওলাই যাবলৈ চেষ্টা কৰিব লাগিব। মোৰ বাবে নহলেও মোৰ ঘৰখনৰ কাৰণে কিবা এটা কৰিব লাগিব।

—অ' আপুনি কেতিয়া জ্ঞান ঘূৰাই পালে। আমি আপোনাৰ কাৰণে অলপ খোৱা বস্তু আনিবলৈ গৈছিলো। আপুনি পুৱা আমাৰ লগত অফিচলৈ যাব লাগিব আৰু তাতে আমাৰ চাৰক লগ পাব।

—চাওক, আপোনালোকে যি কৰিবলৈ কয় মই তাকে কৰিম কিন্তু মোক এতিয়া ঘৰলৈ যাবলৈ দিয়ক। মোৰ অবিহনে ঘৰখন কিমান বিপদত পৰিছে আপোনালোকে জানিছেই।

বিভিন্ন দুচিন্তাৰ মাজেদি ৰাতিৰ এন্ধাৰ আঁতৰি যায়। এনেতে মাত লগাই।

—আপোনাৰ সময় হ'ল।

—অ' বলক।

মাৰুতি গাড়ীত ব্যক্তিজন আৰু অচিনাকী যুৱক দুজনৰ সৈতে অফিচলৈ বুলি আগবাঢ়ে।

দোষীজনে মৰণক ভয় কৰি গৈছে আৰু যুৱক দুজনে দোষী ব্যক্তিজনক কেনে শাস্তি দিব কল্পনা কৰি গৈছে। হঠাতে আকৌ ঘড়ীটো কিৰিং কিৰিং কৰি শব্দ কৰিলে।

—হেল্লো; হেল্লো; চাৰ নেকি ?

—হয়, মই কৈছো। তোমালোক আহিছানে ?

—হয় চাৰ; আমি পাইছোহি।

—মানুহজনে দুচিন্তা কৰিছেনেকি ?

—নাই চাৰ; তেনে ধৰণৰ কোনো সুংসূত্র পোৱা নাই।

—ধন্যবাদ।

গাড়ীৰ পৰা নামি প্রায় দুই কিলোমিটাৰমান খোজ কাঢ়ি হাবিৰ মাজেদি বোকা, পানী অতিক্রম কৰি মূল লক্ষ্যত উপস্থিত হলহি। দোষী ব্যক্তিজনৰ চকুত কলা কাপোৰ আৰু হাতত ৰচী।

—অ' তোমালোক পালাহি।

—হয় চাৰ ! এতিয়া কি কৰিব লাগিব।

—তেখেতৰ চকুত থকা কাপোৰ আৰু হাতৰ ৰচী মুকলি কৰি দিয়া আৰু চকী এখন দিয়া।

—অ' আপুনিয়ে হৰেণ শইকীয়া নেকি ?

—হয় মই। কিন্তু মোক ইয়ালৈ কিয় অনা হৈছে?

—মই জানিব পৰা মতে আপুনি এজন দোষী। কাৰণ আপুনি কিছুমান যুৱকক চাকৰিৰ লোভ দেখুৱাই আৰু তাৰ বিনিময়ত টকা সংগ্ৰহ কৰে। আপুনি যদি চাকৰি দিব নোৱাৰে তেন্তে কিয় এনে কাম কৰে। আপুনি এজন দোষী মানুহ। সেইবাবে আপোনাক বন্দী কৰি অনা হৈছে আৰু ইয়াতে আপুনি বন্দী হৈ থাকিব লাগিব।

—চাওক; মই আৰু এনে অপৰাধ নকৰো। মোক আপোনালোকে এৰি দিয়ক নহলে মোৰ পৰিয়ালৰ প্ৰতিটো প্ৰাণী বিপদত পৰিব।

—হেৰা। তোমালোকে এখেতক সেই ঘৰটোলৈকে লৈ যোৱা আৰু তোমালোক কাইলৈ ৰাতিপুৱা ইয়ালৈ আহিবা।

নিশা প্ৰায় আঠমান বজাত দোষী হৰেণ শইকীয়াক জনশূন্য ঘৰটোত থৈ অচিনাকী যুৱক দুজন গাড়ীত উঠি যায়। দোষী হৰেন শইকীয়াই পলাই যাবলৈ চেষ্টা কৰি সফল হ'ল। এনেতে এটা গুলি হৰেণ শইকীয়ালৈ লক্ষ্য কৰি প্ৰচণ্ড বেগেৰে আহে আৰু তেওঁ শৰীৰত আঘাত কৰাৰ লগে লগে তেওঁ বাগৰি পৰে।

—আহ! মই মৰিলো। কোনে মোক গুলী কৰিলে। তোমালোক কিয় ইমান নিষ্ঠুৰ। এইদৰে মোক মাৰি এই ৰাতি মোৰ বাবে ৰাতি নহয়। সকলোৰে কাৰণে কালৰাত্ৰি হৈ থাকিব।

অচিনাকী যুৱক দুজনে আহি দেখে হৰেণ শইকীয়াৰ মৃত শৰীৰটো।

—অ' 'God'।

কি হ'ব এতিয়া ! কোনে এওঁক গুলী কৰিলে। এতিয়া চাৰক কি বুলি কম।

এজনে ঘড়ীৰ চাবিটো পকাই হেল্লো; হেল্লো; কৰিলে।

—চাৰ নেকি ?

—হয়। কি হ'ল কিবা খবৰ আছে নেকি ?

—হয় চাৰ। হৰেণ শইকীয়াক কোনোবাই গুলি কৰিলে।

—কি ?

—হয় চাৰ।

—কাইলৈ পুৱাতে মোক সকলোবিলাক information লাগিব।

দুয়োজনে জনশূন্য ঘৰটো চাৰিওফালে অনুসন্ধান কৰি একো সুংসূত্ৰ ধৰিব নোৱাৰিলে। এনেতে মাটিৰ ওপৰত এটা ঘড়ী দেখা পালে। ঘড়ীটো দেখিবলৈ তেওঁলোকৰ দৰে একে আৰু চাবিটো তানি দিলত শব্দ কৰি উঠিল।

পিছদিনা ৰাতিপুৱা অফিচলৈ বুলি যাত্ৰা আৰম্ভ কৰে লগত মৃত শইকীয়া।

—চাৰ; আমি আহি পালোহি। লগতে মৃতদেহটো লৈ আহিছো।

—তোমালোক ইয়াতে বহা আৰু সম্পূৰ্ণ ঘটনাটো কোৱা।

—চাৰ; ইয়াৰপৰা তেখেতক নি ঘৰটোত ভৰাই আমি দুয়ো অলপ বস্তু আনিবলৈ গৈছিলো। অলপ পিছত আহি দেখো বাহিৰত তেখেতৰ মৃত।

—তোমালোকে তাৰপৰা কিবা প্ৰমাণ পালানেকি ?

—হয় চাৰ।

— কি ?

—চাৰ; আমাৰ হাতত থকা ঘড়ীটোৰ দৰে এটা ঘড়ী পালো।

—চাওঁ ঘড়ীটো।

—অ' এই ঘড়ীটো মোৰে।

—কি চাৰ ? তাৰমানে আপুনিয়ে....।

—হয়। মই তেখেতক গুলি কৰিলো।

—চাৰ; তেখেতে কি এনে বেয়া কাম কৰিলে যাৰবাবে তেখেতক হত্যা কৰিলে।

—ৰবা সকলোবিলাক কৈছো।

—তোমালোক যেতিয়া ঘৰটোলৈ বুলি যাত্ৰা কৰা সেই সময়ত মইয়ো সেইফালে গৈছিলো। তোমালোকে তেখেতক থৈ ওলাই যোৱা হৰেণ শইকীয়ায়ো লক্ষ্য কৰি আছিল। তাৰপিচত তেওঁ পলাই যায়। তেখেতক মই বাধা দি ৰাখিবলৈ চেষ্টা কৰিছিলো কিন্তু উপায় নেপাই গুলি কৰিব লগা হ'ল। সেই সময়তে এই ঘড়ীটো তাত পৰি আছে।

তোমালোক এতিয়া যোৱা আৰু হৰেণ শইকীয়াৰ মৃত শৰীৰটো পৰিয়ালবৰ্গক চমজাই দিয়াগৈ। ■

# হেৰুৱা স্মৃতিৰ সন্ধানত

শ্ৰীৰাতুল শইকীয়া
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

সন্ধিয়াৰ শীতল বতাহ এজাক বৈ আহিল। ৰমেনৰ মনটো ভাল লাগি গ'ল। বাৰান্দাৰ আৰামী চকীখনত বহি বহি ৰমেনে একেৰাহে আকাশলৈ চাই আছিল। কিমান সুন্দৰ, সেই হাজাৰ হাজাৰ উজ্বল তৰাক বুকুত সাৰতি লৈ থকা সেই আকাশখন। কিমান উদাৰ তাৰ বহল বুকুখন। কিমান কোমল। চাই আছিল। মাথো চাই আছিল ৰমেনে। সি যেন এক নিৰব মূৰ্ত্তি। আকাশলৈ চাই চাই সি মনত পেলাবলৈ বিচাৰিছিল তাৰ অতীত বৰ্তমানৰ কথাবোৰ। অতীতৰ কৰাল গ্ৰাসত শেষ হৈ যোৱা স্মৃতিবিলাকৰ কিছুমান খণ্ড বিখণ্ড টুকুৰাক। মনত পেলাবলৈ চেষ্টা কৰিছিল তাৰ যৌৱনৰ প্ৰথম পুৱাৰ সুৰুয তাৰ প্ৰণামিক আৰু প্ৰণামিলৈ লিখা অকৃত্ৰিম মৰম মিহলি হেপাহৰ চিঠিবিলাক।

মৰমৰ দুলিয়াজান
প্ৰণামি ৮/৪/৯০

সত্য আৰু সুন্দৰৰ আৰাধনাই হৈছে মানৱ জীৱন। প্ৰকৃতিৰ বহল বুকুত প্ৰতিটি সজীৱ জীৱই সত্য আৰু সুন্দৰৰ আৰাধনা কৰিয়েই জীৱন কটাব লাগিছে। ময়ো সেইদৰে সত্যক সাক্ষী কৰি সুন্দৰক আগত ৰাখি এখনি পৱিত্ৰ অন্তৰেৰে কলম কাগজৰ আৰাধনা আৰম্ভ কৰিছো। নাজানো মোৰ এই আৰাধনাই জীৱন ইতিহাসৰ পাত কিমান চুবগৈ পাৰে। মোৰ এই আৰাধনাই যদি তোমাৰ বাবে ভুলৰ কাৰণ হব পাৰে, তাৰবাবে প্ৰতিটো ভুল শব্দ, অসংযত বাক্যৰ বাবে তোমাৰ ওচৰত ক্ষমাপ্ৰাৰ্থী। বৰ্তমান এই জটিল পৃথিবীৰ কুটিল সমস্যাবোৰৰ মাজত ভাল আৰু বেয়া দুয়োটাৰ সংমিশ্ৰণত গঢ়ি উঠা এক স্বাভাৱিক অৱস্থাৰ মাজত দিনবিলাক কটাব লাগিছো। মোৰ আশা ও কামনা তুমি যেন মোৰ দৰে শত সমস্যাৰ সন্মুখীন নহৈ সত্য আৰু সুন্দৰেৰে গঢ়ি এক মধুৰ জীৱনৰ সোৱাদ লব পাৱা। মানুহৰ আশা আকাংক্ষা, অভাৱ, অভিযোগ অসীম। মানুহ আশাধাৰী জীৱ। প্ৰত্যেক মানুহেই জীয়াই থাকিব বিচাৰে। কিন্তু জীৱনৰ এটা সংস্থান নহলে জানো জীয়াই থকাটো যি কোনো এজনৰ পক্ষে সম্ভৱ ? জীয়াই থাকিবলৈ সদায় নিজৰ কৰ্ত্তব্যৰ ওপৰত বিশ্বাস ৰাখিব লাগিব। নিজৰ কৰ্ত্তব্য, চেষ্টা আৰু আশাৰ মাজেৰে জীৱন কটাব লাগিব। ময়ো বিচাৰো তুমি এগৰাকী কৰ্ত্তব্য পৰায়ণ নাৰী তথা এক নিষ্ঠাবান সমাজসেৱিকা হোৱাটো। মোৰ আশা কামনা এই ক্ষেত্ৰত নিশ্চয় সফল হবা। মৰমেৰেই আজিলৈ আহোঁ।

ইতি
তোমাৰ ৰমেন

দুধাৰী চকুলো বৈ আহিল। তাৰ মানসপটত ভাঁহি উঠিল অতীতৰ এক কৰুণ স্মৃতি। অজানিতে তাৰ মুখেদি ওলাই আহিল, উঃ ভগৱান। তুমি ইমান নিষ্ঠুৰ।

ৰমেন গাঁৱৰ ল'ৰা। প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ মাক দেউতাকৰ সন্মতি ক্ৰমে প্ৰাক্ বিদ্যালয়ত ভৰ্ত্তি হৈছিল। প্ৰাক্ বিশ্ববিদ্যালয়ৰ বাৰ্ষিকৰ ছাত্ৰ ৰমেনে তাৰ জীৱনটোৰ লগত মিলাই ভৱিষ্যৎ জীৱনৰ ৰঙীন কল্পনাৰ লগত খোজ মিলাই দিনবিলাক পাৰ কৰিছিল। সেই সময়তে ৰমেনহঁতৰ ঘৰলৈ আগমন হয় ৰমেনৰ নবৌয়েকৰ ভনীয়েক প্ৰণামি। তাই এতিয়া ৰমেনহঁতৰ ঘৰতে থাকি পঢ়িব। প্ৰণামি একাদশ শ্ৰেণীৰ ছাত্ৰী।

— কি নাম তোমাৰ ?

— প্ৰণামি।

আকৌ ৰমেনে সুধিলে, — কোন ক্লাচত পঢ়া ?

— ইলেভেনত।

মাত্ৰ দুটামান চমু প্ৰশ্ন আৰু উত্তৰ। কিন্তু সেই

দুটামান প্ৰশ্ন উত্তৰেই সিহঁতৰ জীৱনৰ গতি সলনি কৰি দিলে। ভাল লাগি গ'ল ৰমেনৰ। প্ৰণামিৰ আচাৰ-ব্যৱহাৰ সঁচাকৈ ৰমেনৰ বৰ ভাল লাগিল আৰু ভাল লাগি গ'ল প্ৰণামিৰো। প্ৰণামিৰ সহজ সৰল ব্যৱহাৰত মুগ্ধ হৈ পৰে ৰমেন। আনহাতে প্ৰণামিয়ো দুই এদিনৰ ভিতৰতে ৰমেনৰ সকলো পৰিচয় জানি ললে। স্নাতক ডিগ্ৰীধাৰী ৰমেন এজন সকলো ধৰণৰ মানুহৰ লগতে মিলি জুলি থাকিব বিচৰাটোৱেই আছিল তাৰ অভ্যাস। দিন যোৱাৰ লগে লগে প্ৰণামি আৰু ৰমেনে দুয়োয়ে দুয়োটা মনৰ কথা ক'ব বিচাৰে। কিন্তু ক'ব পৰা নাছিল। দুয়ো সহজ হৈ পৰে। দুয়োৰে সম্বন্ধ ওচৰ চাপি আহে আৰু এদিন এই সম্বন্ধই প্ৰেমৰ ৰূপ লয়গৈ।

"প্ৰণামি"

"কওঁক ৰমেন দা"

"তুমি বেয়া পাবা নেকি?"

মই কোনো কথাতে বেয়া পাবলৈ শিকা নাই।

"তেন্তে শুনা।"

আগ্ৰহেৰে মুখলৈ চাইছিল প্ৰণামিয়ে। কওঁ নকওঁকৈ ৰমেনে উচ্চাৰণ কৰে, I Love you Pronomi" দিনবোৰ পাৰ হৈ যায়। দিনটোৰ শেষত প্ৰকৃতিয়ে নিদ্ৰাদেৱীৰ কোলাত আশ্ৰয় লয়। অমাৱস্যাৰ ঘোপ মৰা আন্ধাৰে প্ৰকৃতিৰ গাত উম দিয়েহি। লগে লগে প্ৰকৃতিৰ বুকুলৈ নামি আহে মৃত্যু শীতল নীৰৱতা। পুনৰ সুৰুযে প্ৰভাতৰ আগজাননী দিয়াৰ আগতেই প্ৰকৃতিদেৱী সজাগ হৈ উঠে। মুখত এমোকোৰা হাঁহি লৈ নতুন আশাৰ ৰাঙলী বোল সানি সুৰুয আগবাঢ়ি যায় আপোন কক্ষলৈ। মৃত্যু শীতল নিৰৱতাৰ ঠাইত বিৰাজ কৰে প্ৰকৃতিৰ জীৱন্ত চঞ্চলতাই। সকলো সজাগ হৈ উঠে। সজাগ হৈ উঠে সুন্দৰৰ পূজাৰী। ৰমেনহঁতৰ দিনবোৰো সুন্দৰ ভাৱে পাৰ হৈ গৈছে। সিহঁতৰ মনবোৰ এক অজান আনন্দত নাচি উঠে। ভৱিষ্যতৰ ৰঙীন কল্পনাবোৰৰ মাজত দুয়ো নিজকে উটুৱাই দিয়ে। কিমান মধুৰ সিহঁতৰ দিনবোৰ। ৰমেনে ভাৱে কিমান মৰমিয়াল তাৰ প্ৰণামিজনী। সন্দেহ কৰিবলৈ সি একো বিচাৰি নাপায়। দিন বাগৰি যায়। পুনৰ এটা দিনৰ জন্ম হয়। মাহৰ পিছত মাহ আৰু বছৰ শেষত নতুন আৰ্শীবাদেৰে, নানান নতুন ধেমালিৰে পুনৰ এটা বছৰৰ জন্ম হয়। কিন্তু সিহঁতৰ মৰম ভাল পোৱা কমি নাযায়। বৰঞ্চ সিহঁতৰ মৰমৰ গতি বেছি গভীৰতলৈ গতি কৰে। দুয়োৰে প্ৰৱল ইচ্ছা দুয়ো আত্মনিৰ্ভৰশীল হোৱাৰ তাৰ পাছত দুয়ো দুয়োকে লৈ এখনি সুখৰ সংসাৰৰ পাতনি মেলা। দুয়ো প্ৰতিশ্ৰুতিবদ্ধ হৈ পৰে। ৰমেনৰ মৰমৰ উমত প্ৰণামিয়ে সকলো পাহৰি যায়। বাট চাই থাকে সিহঁতৰ সেই অনাগত দিনটোলৈ। প্ৰণামিয়ে ভাৱে, কেতিয়া আহিব? আৰু কিমান দিন? কিমান যে কল্পনা। কিন্তু ৰমেনৰ কোমল অন্তৰখনে এবাৰো কল্পনা কৰিব পৰা নাছিল যে, শৰত কালৰ শাৰদী জোনাকৰ ফৰকাল বতৰতো এন্ধাৰৰ কলীয়া ডাৱৰ লুকাই থাকিব পাৰে। ইমান সুন্দৰ পৃথিৱীখনো খন্তেকতে কুৎসিৎ হৈ যাব পাৰে। কিন্তু নভবা নিচিন্তকৈয়ে সকলো হৈ যায়, বহুত দিন প্ৰণামিক লগ পোৱা নাই। ৰমেনৰ মনটো ভাল লগা নাই। সি ভাবিছে হয়তো কিবা বেলেগ কামত কৰবালৈ গৈছে। নিশ্চয় সোনকালে আহিব। সি আকুল আগ্ৰহেৰে বাট চাই থাকে প্ৰণামিলৈ, কিন্তু প্ৰণামি নাহে। উপায় নাপাই চিঠি এখনকে লিখিবলৈ ঠিক কৰিলে। তাৰ দৃঢ় বিশ্বাস সোনকালে ঘূৰি আহিব। সি হেপাহেৰে আকুল আগ্ৰহেৰে বাট চাই থাকে। কিন্তু হঠাতে সি যিটো বাতৰি পালে, তাতকৈ তাৰ চকু এটা অন্ধহৈ যোৱা হলে বা, কাণ এখন কলা হৈ যোৱা হলে হয়তো ইমান কষ্ট নাপালেহেঁতেন। সি অৱাক হৈ গ'ল। হাতৰ কলম হাততে ৰৈ গ'ল। ক্ষন্তেক পাছত সি উন্মাদৰ দৰে চিঞৰি উঠিল নহয় নহয় তাৰ প্ৰণামিয়ে এই কাম কেতিয়াও নকৰে। প্ৰণামি ইমান নিষ্ঠুৰ নহয়। তহঁতে মোক মিছা কৈছে। নহয় নহয়, নহয়, সি উন্মাদৰ দৰে মাথো চিঞৰিছিল, কান্দিছিল মাথো কান্দিছিল "তুমি মোক এৰি গলা প্ৰণামি। মই তোমাৰ কি অন্যায় কৰিলো তুমি মোক ইমান আঘাত দিলা? মই তোমাৰ কি অপকাৰ কৰিলো। উঃ প্ৰণামি, তুমি ইমান নিষ্ঠুৰ। তোমাৰ মোৰলৈ এবাৰো মনত নপৰিলে নে? সঁচাকৈ তোমালোক বৰ নিষ্ঠুৰ। তোমালোক ডাক্তৰ, ইঞ্জিনিয়াৰ তেনেধৰণৰ ল'ৰাবোৰ পালে আমাৰ নিচিনা উদাৰ মনৰ দুখীয়া শ্ৰেণীৰ ল'ৰাবোৰক পাহৰি যোৱা। যিহেতু সিহঁতৰ লগত বিয়া হলে সিহঁতৰ গাড়ী মাৰুতি ভেনত উঠিয়েই তোমালোক প্ৰকৃত সুখ বিচাৰি পোৱা। আমাৰ

নিচিনা ল'বাবোৰে তেনে প্ৰকৃত সুখ দিব নোৱাৰো। আমাৰ জীৱনটোৰ কথা এবাৰো ভাবি চাবৰ তোমালোকৰ সময় নাই। এইয়াই কি প্ৰকৃত ভাল পোৱা নেকি? তোমালোকে সিহঁতৰ জীৱনবোৰ ধ্বংস কৰিয়েই তোমালোকে ভাল পোৱা ছাগে। প্ৰণামিৰ বিয়া হৈ গ'ল। কোনোবা এক সুন্দৰৰ সান্নিধ্যত মৰমৰ ৰমেনক চিৰদিনলৈ এৰি প্ৰণামি গ'লগৈ। ৰমেন অকলশৰীয়া হৈ ৰ'ল। বঞ্চিত প্ৰেমৰ নিষ্ঠুৰ আঘাতত তাৰ হৃদয় চুৰমাৰ হৈ যায়। কিয় বাৰু এনে আঘাত দিয়ে? সঁচা, অকল প্ৰণামি কিয় আন বহুতো নাৰীয়েই ৰমেনৰ দৰে বহুতো সহজ সৰল পুৰুষক নিষ্ঠুৰ ভাৱে আঘাত কৰি আহিছে। সঁচাকৈ এতিয়াহে বুজিলো পুৰুষেই অকল নাৰীক বঞ্চিত কৰে বুলি ভাবিছিলো। কিন্তু নাৰীওয়ে পুৰুষৰ অন্তৰত আঘাত দিয়ে এতিয়াহে গম পালো। পুৰুষৰো যে এখন অন্তৰ আছে কোনেও বুজিবলৈ নিবিচাৰে। সঁচা আজি পুৰুষৰ অন্তৰৰ প্ৰকৃত মৰম বুজিবলৈ নাৰীৰ কেইবা যুগৰ সাধনাৰ প্ৰয়োজন। আজি ৰমেনে পালে কি?

সি কি বিচাৰিছিল প্ৰণামিয়ে এবাৰ ভাবি চোৱা নাছিল। তাক বুজিবলৈ চেষ্টা নকৰিলে। সি বিচাৰিছিল? মাথো বিচাৰিছিল প্ৰণামিৰ বুকুত এডোখৰ নিৰাপদ আশ্ৰয় আৰু অকণমান মৰম। কিন্তু পালো জানো? আৰু নেপালে কিয়? সেইখিনি বিচৰাটো জানো তাৰ অন্যায় হৈছিল। তেন্তে নেপালে কিয়? কিয়?? কিয় নুবুজিলে তাৰ প্ৰণামিয়ে? তাৰ অন্তৰত যে কিমান মৰম সাঁচি ৰাখিছিল প্ৰণামিৰ বাবে, বুজিও নুবুজিলে কিয় বাৰু? মাথো সি প্ৰশ্ন কৰে। কিন্তু তাৰ প্ৰশ্নৰ উত্তৰ দিবলৈ আজি কাষত কোনো নাই। ৰমেনে যেন তাৰ জীৱনৰ মূল বস্তুটোকে হেৰুৱাই পেলালে। সি উন্মাদৰ দৰে হ'ল। এদিন সঁচাকৈ উন্মাদ হৈ যাব। কেতিয়াবা কেতিয়াবা সি চিঞৰি উঠি। নহয়, প্ৰণামি আকৌ উভতি আহিব। প্ৰণামিয়ে তাক এৰি থাকিব নোৱাৰে। সোনকালেই ঘূৰি আহিব। উহঃ প্ৰণামি। কিন্তু প্ৰণামি নাহে। সঁচাই জানো তাৰ প্ৰণামি উভতি আহিব? আহিলেও হয়তো বহুতো পলম হৈ যাব। বহুত কথাই তাৰ মনলৈ আহে। অতীতৰ স্মৃতিবোৰে তাৰ মনটোক বৰকৈ আমনি দিয়ে। সি মাথো ভাৱে প্ৰণামি আহিব। হেজাৰ আশা বুকুত বান্ধি সি ওলাই যায়। গতি বঢ়াই দিয়ে। তাৰ গতি অসীম। কেৱল গৈ থাকে। আজিও হয়তো সি আগবাঢ়ি গৈয়েই আছে.........হেৰুৱা স্মৃতিৰ সন্ধানত। ■

---

যি আনৰ সৰ্বনাশৰ চেষ্টা কৰে সি নিজৰে সৰ্বনাশ মাতি আনে।

—মহাত্মা গান্ধী

যেতিয়া এজন লোক আদৰ্শৰ পিছত মৰে,তেতিয়া তেওঁক কোনেও বাধা দি ৰাখিব নোৱাৰে।

—মহাত্মা গান্ধী

# DIGBOI COLLEGE MAGAZINE

( Annual Publication )
XVIII Issue 1994—95

## English Section

Editor
***Ramani Buragohain***

# POEM

*The kiss of sun for Pardon*
*And the song of the births of mirth*
*One is nearer God's heart in a garden*
*Then anywherelse in earth*

*—Dirothy F. Gurney*

## "DIGBOI COLLEGE"

Jittendra Shaw
B.Sc 2nd Year

*I came to you, with dim light of knowledge.*
*You brighten'd me up wise as a sage.*
*You have made my elders, better and best*
*You made me special and different from the rest.*

*I ring happy accross thy land*
*I ring out the false and ring in the true.*
*Truth dwells in every bit of thy floor;*
*Wherein I with my friend seek for knowledge more.*

*Knowledge which has whole world in its grip*
*Knowledge which lies in you buried deep*
*I will seek it out with my motto being*
*Glory be to Digboi College,*
*Our beloved college*
*Builder and promoter of our knowledge.*

SANJAY PAUL
T.D.C 2nd Yr.

## IT'S A GAME

*Life is nothing*
*but just a game.*
*who plays the best,*
*wins the name.*
*Not all succed,*
*but all should try*
*If 'U' don't succeed,*
*just smile..........don't cry.*
*Give the best you can give*
*Make sure the fullest life*
*you live,*
*Waste your time,*
*you should NEVER.*
*For time once gone,*
*is gone for EVER.*

## WHEN WE GROW UP

*Do you appreciate*
*What a miracle life is?*
*Do you realize*
*That nature is ruthless*
*And our existence is very fragile?*
*Yet everyone takes the world for granted,*
*And we act so thoughlessly.*
*It's very confusing!*
*I suppose it will all make sense*
*when we grow up.*

## *OH ! MY COUNTRY*

*PINKU CHETRY*

*As I sit hear at my table*
*with my pen in my hand*
*the lamp throws shadows*
*shadows reflecting the darkness*
*of our land.*
*The neswpaper lies in front of me*
*The headlines scream out*
*Rape, Murder, Atrocities*
*On the people, of the people*
*By the people of our land.*
*As I sit hare thinking about*
*What happens in our land today*
*Many incidents come to mind*
*Incidents I'd rather forget.*
*Man kills man*
*There is no respect for women*
*Man fights in the name of caste*
*He fights in the name of religion*
*But why? why can't we fight*
*For a revolution that will make*
*Our country one big home?*
*A revolution for unity*
*A revolution for love*
*A revolution that will make*
*All people one*
*A revolution to make us united*
*Against the wrong in the world*
*As I sit penning my thoughts*
*Wondering when this revolution will come*
*For a moment my heart cries out*
*"My country", Oh? my country"*

## GONE FOREVER

Slowly and slowly you came into my life brought back smile tomy lips opened my eyes to a different view mde me a complete man. Sofly and shyly spoke of love something nothing happened like a thief in the night. Silently you walked away leaving me alone to hope that some day you'll remember and return to me but now painfully yet softy I've accepted that you've gone

Gone forever.

**Plyush Sharma**

## TOGETHER

*Bhashkar Jyoti Neog*
*H.S 1st Year (Sc)*

*Walikng together*
*steps in unison,*
*Gathering flowers of memories at every bend*
*Weaving them into a garland*
*With the fine thread of time,*
*For the worship of the past...*
*Following together*
*Arm in arm,*
*Riding the waves*
*of the river of passion,*
*Pristine and perennial*
*Towards the sea of fulfilment....*
*Soaring in joy*
*Along with the clouds,*
*And the birds,*
*Into the wide open spaces*
*of light and Freedom.*

# Sex-Education-A Perspective

*Ms Itu Das*
Ex. Student

It is a big question in front of almost all sensible people of India is that, whether sex-education is indispensable for school student or not. Yet it is a natural fact that, all are interested to know about sex. On contrary they are thought to be abnormal. The very early stage of an youth is an important stage of the building up of his character. So we all have moral responsibility to guide children in a proper manners by proper means, which they deserves. At the time of adolescence almost all boy's and girls are curious about their mental and physical changes. Generally adolescense arises at the age of 15-16 years of age. At this age level they have to confront various personal and physical problems. All these problems relates to adolescense. Moreover, besides being curious they are also afraid of all these problems. They are not only sex-curious in mind and body, but the newly acquired mental and physical changes bring in their mind lots of questions. Maximum children at that stage, driven by emotion survived in a wrong way. And the reason of this wrong way is ignorance about sex. The mental manifestation of growing up children is especially related with sex-education. Suppressed curiosity make the young generation depraved. And probably that is the greatest reason that sex-education is indispensible for students.

Sex-education is a kind of education or knowledge. It needs expansion and not suppression. Ofcourse it is a fact that from ancient time still new particularly, Indian society hesitate to discuss openly regarding sex. But it is a well-known fact that the subject of reproduction in an important, natural and real aspect of life and its evolution. Nobody can ignore this. Education in the real sense of the term means the manifestation of mind, body and soul. The chief aim of education is to manifest children's conscience, intelligence and to build up their character through the manifestation of knowledge. Besides this by manifesting children's internal repressed talent, education also manifests children's mental, physical, moral and ortological faculty. Education is the light of life. And it is only education which makes life virtuous. Development of civilisation too depends on education. There is a proverb that "the child is the father of the nation." So todays depraved child would become tomorrows depraved father of the nation. And nobody among intellectuals can support this. To overcome the position of depravedness knowledge and expansion of knowledge is necessary, which again cannot be fulfilled without sex-education. It is improper to say that building up of a character, without sex-education is good or complete character.

Sex-education within a frame-work will help children to refrain from perverted taste. The following subjects may be included within the teaching method. Order of physical evolution, meaning of sex, physical and mental outlook of sex, naturality of sex, Importance of birth control, social and mental evil effort of immature motherhood and fatherhood, healthy outlook of

sex, discussions of various evil effects of sex disease like AIDS etc. But one important point to note is that wrong interpretation or half-knowledge of sex may mislead them from the right way of life. Scientific analysis of sex in many respect will be helpful in this regard. Doctor's teachers, who are well educated in sex-education can teach the subject and explain properly, the answers of their questions of curiosity better than others. Parents who have also full knowledge of sex can help in much more extant. If the growing children get right knowledge about these subjects then they will be able to form strong moral character and their moral outlook will also become strong. In order to get ride of evil effects of the society through this problem, it is not only the duty of parents and teachers, but also the duty of govt to start the education in proper level as early as possible. This type of education will help not only in controlling dreadful diseases like AIDS, population growth of the country but will also contribute to the overall development of the country.

# EARTHQUAKE STUDIES IN THE NORTH EASTERN REGION— AN OVERVIEW

*Arnab Bhattacharjee*
B.A. 2nd year

